

# NATIONAL SEMINAR

ON

## FOLK PERFORMING ARTS OF NORTH-EAST INDIA : TRADITIONS AND ITS EVOLUTION

15th & 16th of November, 2022

# ABSTRACT

Organized by

DEPARTMENT OF ASSAMESE

SIPAJHAR COLLEGE

# আগকথা

বিভিন্ন জাতি-উপজাতিৰ বাসভূমি হ'ল উত্তৰ-পূৰ ভাৰত। সৰু-বৰ বিভিন্ন জাতি-উপজাতিৰ লোক-সংস্কৃতিৰ পৰম্পৰাৰে উত্তৰ-পূৰ ভাৰত অতিকে চহকী। প্ৰতিটো জাতি-উপজাতিৰে বিভিন্ন উৎসৱ-পাৰ্বণ, লোকাচাৰ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, লোকবিশ্বাস, অন্ধবিশ্বাস, গীত-মাত, খোৱা-লোৱা, আ-অলংকাৰ, সাজপাৰ, জন্ম, মৃত্যু, বিবাহ আদিৰ একোটা নিজস্ব পৰম্পৰা থাকে। লোক-সংস্কৃতিৰ অন্যতম দিশ লোক পৰিৱেশ্য কলাৰ ক্ষেত্ৰতো প্ৰতিটো জাতিৰে কিছু নিজা নিজা শৈলী আৰু পৰম্পৰা পৰিলক্ষিত হয়। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিশেষকৈ শিক্ষাৰ প্ৰসাৰ আৰু বিজ্ঞানৰ ন-ন আৱিষ্কাৰে লোক-সংস্কৃতিৰ পথাৰখনত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে। যাৰফলত পৰম্পৰাগতভাৱে চলি অহা লোক-সাংস্কৃতিক উপাদানসমূহ বৰ্তমানকালত প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এনে লোক-সংস্কৃতিৰ উপাদান বা সমলসমূহে একোটা জাতিৰ অস্তিত্ব বৰ্তাই ৰখাৰ ক্ষেত্ৰত বিশেষভাৱে অৰিহণা যোগাব পাৰে। লোক-সংস্কৃতিৰ শুদ্ধ ৰূপটো ধৰি ৰাখিবলৈ প্ৰয়াস কৰাটো উত্তৰপুৰুষৰ নৈতিক কৰ্তব্য বুলি বিবেচনা কৰো।

ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগে বহুদিনৰে পৰা এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰ অনুষ্ঠিত কৰিবলৈ আপ্ৰাণ প্ৰচেষ্টা অব্যাহত ৰখা হৈছিল যদিও বিভিন্ন প্ৰতিকুল অৱস্থাই এই দিশত বাধাৰ প্ৰাচীৰৰূপে থিয় হৈছিল। এইবেলি বিভাগৰ প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকাৰ একান্ত প্ৰচেষ্টা আৰু আন্তৰিকতাৰ বাবেই এই আলোচনা চক্ৰখনি অনুষ্ঠিত কৰিবলৈ আগবাঢ়িব পৰা গ'ল। এইক্ষেত্ৰত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয়ে আগবঢ়োৱা উৎসাহ আৰু উদ্দীপনা আমাৰ বাবে সঞ্জীৱনী হৈ পৰিল। কোনো ধৰণৰ চৰকাৰী অৰ্থ-সাহায্য অবিহনেই আমি এই আলোচনা চক্ৰখনি আয়োজনৰ দিহা কৰিলো। মহাবিদ্যালয়ৰ অন্যান্য বিভাগৰ সন্মানীয় অধ্যাপক-অধ্যাপিকাসকলেও এই দিশত আমাক যথেষ্ট দিহা-পৰামৰ্শ আগবঢ়াইছে। আনন্দৰাম বৰুৱা ভাষা-কলা সংস্কৃতি সংস্থা, অসম আৰু অসম কলেজ অধ্যক্ষ পৰিষদ (দৰং-শোণিতপুৰ-বিশ্বনাথ মণ্ডল) আমাৰ স'তে সহযোগী হিচাপে থাকি আমাক আৰু অধিক উৎসাহিত কৰিছে। যাৰবাবে আমি আলোচনা চক্ৰখনি ৰূপায়ণ কৰিবলৈ সক্ষম হ'লো। আমি আশাকৰো, আমাৰ প্ৰচেষ্টাই আলোচ্য বিষয়টিৰ পুংখানুপুংখ বিশ্লেষণৰ জৰিয়তে নানান অজান প্ৰসংগই পোহৰৰ বাট দেখিব। আমি আশাকৰো, এনেধৰণৰ বিদ্যায়তনিক গৱেষণামূলক আলোচনাই লোক-সংস্কৃতিৰ বিশেষকৈ উত্তৰ-পূৰ ভাৰতৰ লোক পৰিৱেশ্য কলাৰ পথাৰখনৰ আৰু কিছু ন-ন দিশ উন্মোচিত কৰি সেইবোৰৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণৰ পথ অধিক প্ৰশস্ত কৰিব।

৯/১১/২০২২

(ড° মুকুল কুমাৰ চহৰীয়া)
মুৰব্বী অধ্যাপক, অসমীয়া বিভাগ, সমন্বয়ক,
পৰিচালনা সমিতি, আলোচনা চক্ৰ, ছিপাঝাৰ মহাবিদ্যালয়

বিচ্ছে বেষ্ট্য পৰাপৰে

# NATIONAL SEMINAR
## ON
## FOLK PERFORMING ARTS OF NORTH-EAST INDIA : TRADITIONS AND ITS EVOLUTION

## (উত্তৰ-পূব ভাৰতৰ লোক-পৰিৱেশ্য কলা ঃ পৰম্পৰা আৰু পৰিৱৰ্তন)

ACPC

# ABSTRACT

ছিপাঝাৰ মহাবিদ্যালয়
দৰং - অসম
Estd. 1971
SIPAJHAR COLLEGE

**DATE : 15TH & 16TH NOVEMBER, 2022**
**VENUE : SIPAJHAR COLLEGE**
**SIPAJHAR, DARRANG, ASSAM**

**ORGANIZED BY**
**DEPARTMENT OF ASSAMESE, SIPAJHAR COLLEGE**
**IN COLLABORATION WITH**
**ANUNDORAM BOROOAH INSTITUTE OF LANGUAGE, ART AND CULTURE, ASSAM (ABILAC)**
**AND**
**ASSAM COLLEGE PRINCIPALS' COUNCIL DARRANG, SONITPUR AND BISWANATH ZONE**

| | | |
|---|---|---|
| Date | : | 15th & 16th November, 2022 |
| Published by | : | Assamese Department<br>Sipajhar College, Sipajhar, Darrang<br>PIN : 784145 |



**EDITORIAL BOARD**

| | | |
|---|---|---|
| Advisor | : | Dr. Pradip Ch. Deka, Principal |
| | | Dr. Ram Ch. Deka, Vice Principal |
| | | Dr. Prasanna Kr. Nath, Asso. Porf. |
| President | : | Dr. Mukul Kr. Saharia, HoD, |
| | | Dept. of Assamese |
| Editors | : | Dr. Himakshi Bordoloi |
| | | Mr. Jonmoni Das |
| Members | : | Bijay Lakshmi Saharia |
| | | Trishna Moni Devi |



| | | |
|---|---|---|
| Pinted by | : | N.G Printers, Sipajhar |
| | | Phone No. : 6003569388 |



Phone : (03713) 266427
9954044122

OFFICE OF THE PRINCIPAL

**SIPAJHAR COLLEGE**

P.O. : Sipajhar, Dist. : Darrang (Assam), Pin : 784145

E-mail : sipajharcollege2010@rediffmail.com


*Memo No............* *Date....10.11.2022*

## PRINCIPAL’S MASSAGE

It is inspiring to know that the Department of Assamese, Sipajhar College in collaboration with “Anundoram Borooah Institute of Language, Art and Culture, Assam (ABILAC)” and “Assam College Principals’ Council : Darrang, Sonitpur and Biswanath Zone” is going to organize two day National Seminar with the theme of “Folk Performing Arts of North-East India : Traditions and Evolution” on November 15 and 16, 2022.

Performing Arts include numerous cultural expressions that reflect human creativity and that are found, to some extent, in many other intangible cultural heritage domains. Since North-Eastern region of India is a hub for folk performing arts, it is commendable that the department of Assamese, Sipajhar College has come forward to a seminar on such a topic. The seminar aims to bridge the gap between the researchers working in academia and other professionals working in the field. It also provides the platform to get ample opportunities to widen our knowledge and network.

I exhort you to participate and extend my heartfelt wishes for grand success of this splendid event.

(Dr. Pradip Chandra Deka)
Principal, Sipajhar College

শৈলীৰ বাদ্যযন্ত্ৰ নিজে প্ৰস্তুত কৰি ব্যৱহাৰ কৰাৰ পৰম্পৰা অতীজৰেপৰা প্ৰচলিত হৈ আহিছে। কাৰ্বিসকলৰ প্ৰায়বোৰ উৎসৱ পাৰ্বণতে গীত-নৃত্যৰ লগতে বিভিন্ন বাদ্যযন্ত্ৰৰ ব্যৱহাৰ কৰা হয়।

ভাৰতৰ নাট্য শাস্ত্ৰত ভাৰতীয় বাদ্যযন্ত্ৰক চাৰিটা ভাগত ভাগ কৰা হৈছে। এই ভাগকেইটা হৈছে- (ক) তত (খ) আবনন্ধ (গ) সুষিৰ আৰু (ঘ) ঘন বাদ্যযন্ত্ৰ। কাৰ্বিসকলৰ মাজতো এই চাৰি প্ৰকাৰৰ বাদ্যযন্ত্ৰৰ ব্যৱহাৰ দেখা যায়। কাৰ্বিসকলৰ মাজত প্ৰচলিত এনে কিছুমান বাদ্যযন্ত্ৰ হৈছে- চেংবুৰূপ (ঢোল) মুৰিত, চেংকুসবাং, কুমলিত্ৰং, কুমদেংদেং তাৰছিং, ছেংছ, চেংপি, পানছী, তুৰয়িত, পামপ্ৰণ, গেংগং, চং ন'ক ইত্যাদি।

আধুনিকতাৰ প্ৰভাৱত আমাৰ বহুবোৰ থলুৱা বাদ্যযন্ত্ৰ বৰ্তমান বিলুপ্তিৰ পথত। পৰম্পৰাগতভাৱে প্ৰচলিত হৈ এই বাদ্যযন্ত্ৰবোৰৰ ঠাইত বৰ্তমান আধুনিক বাদ্যযন্ত্ৰই স্থান লাভ কৰিছে। তথাপি ঠাই বিশেষে এইবোৰৰ প্ৰচলন দেখা যায়। এনে থলুৱা বাদ্যযন্ত্ৰবোৰৰ ব্যৱহাৰ আৰু বহুল প্ৰচাৰৰ বাবে প্ৰতিজন সচেতন ব্যক্তিয়ে এক সাংস্কৃতিক জাগৰণ গঢ়ি তুলিলে কাৰ্বি জাতিৰ জাতীয় অস্তিত্বৰ লগতে এনেধৰণৰ বিলুপ্তপ্ৰায় সম্পদসমূহ সংৰক্ষণৰ ক্ষেত্ৰত সহায়ক হ'ব। ●

---

# কাৰ্বি জনগোষ্ঠীৰ লোক উৎসৱৰ পৰম্পৰা আৰু পৰিৱৰ্তনৰ এটি আলোচনা

**সংগীতা গগৈ**
গৱেষক ছাত্ৰী , ইউ.এচ.টি.এম

লোক জীৱন আৰু লোক পৰম্পৰা উভয়ৰ মাজত এক গভীৰ সম্পৰ্ক ৰক্ষিত হৈছে। লোক বিদ্যাৰ চিন্তা-চৰ্চাৰ পৰিপূৰ্ণতাৰ প্ৰসংগত কালৰ বুকুত লোক জীৱনক ভেটি কৰি পৰম্পৰাৰ সৃষ্টি হয়। লোক সংস্কৃতিয়ে পৰম্পৰাক আশ্ৰয় কৰি গঢ় লৈ উঠে। লোক জীৱন বা মানৱ জীৱনৰ পদ্ধতি কেতিয়াও স্থবিৰ নহয় যুগৰ পৰিৱৰ্তনৰ লগে লগে পৰম্পৰাৰো পৰিৱৰ্তন হয়। সময়ৰ লগে লগে কাৰ্বিসকলে পালন কৰা উৎসৱ অনুষ্ঠানসমূহৰ ক্ষেত্ৰটো পৰিৱৰ্তন দেখিবলৈ পোৱা যায়। কাৰ্বি জনগোষ্ঠীৰ মাজত দেখিবলৈ পোৱা পৰিৱৰ্তনসমূহ আমাৰ গৱেষণা পত্ৰত ফঁহিয়াই চোৱাৰ প্ৰয়াস কৰা হ'ব।●





## সম্পাদকীয়...

উত্তৰ-পূৱ ভাৰতৰ সংস্কৃতি ভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়ৰ মধুৰ পৰিণতি। সংস্কৃতিৰ পৰিসৰ অতি ব্যাপক। মানৱ সমাজত আদিম যুগৰ পৰাই প্ৰচলিত আদৰ্শ, আচাৰ-ব্যৱহাৰ, খেলা-ধূলা, ৰীতি-নীতি, বিশ্বাস-অবিশ্বাস, নৃত্য-গীত, সাজ-পাৰ আদিৰ সমষ্টিয়েই লোক সংস্কৃতি। লোক সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ হৈছে লোক পৰিৱেশ্য কলা (Folk Performing Art) লোক সংস্কৃতিৰ ভাগসমূহৰ অন্তৰ্গত এটি অন্যতম ভাগ হৈছে লোক পৰিৱেশ্য কলা। লোক সংস্কৃতিৰ অন্তৰ্গত যিবোৰ কলা পৰিৱেশন কৰিব পৰা যায় সেইবোৰেই লোক পৰিৱেশ্য কলা। পৰিৱেশ্য কলা মূলতঃ পৰম্পৰাগত গীত, নৃত্য, নাটৰ সমাহাৰ। লিখিত বা বাচিক কলাক চাক্ষুস ৰূপ দিয়া এই লোক পৰিৱেশ্য কলা লোকজীৱনৰ এক অন্যতম অংগ। উত্তৰ-পূব ভাৰতত বসবাস কৰা জাতি-জনগোষ্ঠীসমূহ লোক পৰিৱেশ্য কলাৰ ক্ষেত্ৰখনত অতি চহকী।

পৰিৱেশ্য কলাসমূহৰ জৰিয়তে কোনো এটা জাতিৰ জীৱন যাত্ৰা প্ৰতিফলিত হয়। পৰিৱেশ্য কলাসমূহে সমাজত মনোৰঞ্জন প্ৰদান কৰি অহাৰ লগতে শিক্ষা, সংস্কাৰ আৰু জনজীৱনক সংগঠিত কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা দেখা যায়। সাম্প্ৰতিক সময়ত তথাকথিত আধুনিকতাৰ প্ৰভাৱ অথবা প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱৰ ফলতেই হওক পৰম্পৰাগতভাৱে চলি অহা লোক পৰিৱেশ্য কলাসমূহৰ মাজত এক পৰিৱৰ্তনৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়। এই পৰিৱৰ্তনৰ ধনাত্মক আৰু ঋণাত্মক দুয়োটা দিশৰ প্ৰতি লক্ষ্য ৰাখি আমি বৰ্তমান সময়ত লোক পৰিৱেশ্য কলাৰ সংৰক্ষণ, সংবৰ্দ্ধন, প্ৰচাৰ আৰু ইয়াৰ উত্তৰণৰ ক্ষেত্ৰত মনোযোগ দিয়াটো উচিত বুলি বিবেচনা কৰিছো।

ছিপাঝাৰ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা আয়োজিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনা চক্ৰখনি আনন্দৰাম বৰুৱা ভাষা-কলা আৰু সংস্কৃতি সংস্থা, অসম (Anundoram Borooah Institute of Language Art & Culture, Assam) আৰু অসম মহাবিদ্যালয় অধ্যক্ষ পৰিষদ, দৰং-শোণিতপুৰ আৰু বিশ্বনাথ মণ্ডল (Assam College Principals' Council, Darrang, Sonitpur & Biswanath Zone) ৰ সহযোগত ১৫ আৰু ১৬ নৱেম্বৰ, ২০২২ ত আয়োজন কৰা হৈছে। উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন লোক পৰিৱেশ্য কলা সম্পৰ্কীয় পঞ্চাশৰ অধিক

সংক্ষিপ্তসাৰ এই গ্ৰন্থখনিত প্ৰকাশ কৰিবলৈ পোৱাত আমি নথৈ আনন্দিত হৈছো। এইখিনিতে প্ৰকাশযোগ্য যে উক্ত সংক্ষিপ্ত সাৰসমূহ অংশগ্ৰহণকাৰীসকলে যিদৰে প্ৰেৰণ কৰিছে আমি মূল বিষয়বস্তুত কোনো সম্পাদনা নকৰাকৈ প্ৰকাশ কৰাৰ দিহা কৰিছো। লগতে 'উত্তৰ-পূৱ ভাৰতৰ লোক পৰিৱেশ্য কলা পৰম্পৰা আৰু পৰিৱৰ্তন' শীৰ্ষক আলোচনা চক্ৰখনিত অসমৰ বিভিন্ন স্থানৰ পৰা আহি সমবেত হোৱা অধ্যাপকবৃন্দ, গৱেষক আৰু অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীসকলক ছিপাঝাৰ মহাবিদ্যালয়ৰ তৰফৰ পৰা আন্তৰিক সাদৰ-সম্ভাষণ জনাইছোঁ।

অৱশেষত উক্ত আলোচনা চক্ৰখনি সাফল্যমণ্ডিত কৰাত সহায় কৰা ছিপাঝাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰদীপ চন্দ্ৰ ডেকা সমন্বিতে মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকাবৃন্দ, আমন্ত্ৰিত সমল ব্যক্তিসকল, অংশগ্ৰহণকাৰীসকল, উদ্‌যাপন সমিতিৰ সন্মানীয় সদস্যসকল, বিভাগৰ ছাত্ৰ-ছাত্ৰী আপোনালোক সদৌটিলৈ কৃতজ্ঞতা তথা শলাগ যাচিছোঁ। আনন্দৰাম বৰুৱা ভাষা-সাহিত্য-সংস্কৃতি সংস্থা আৰু অধ্যক্ষ পৰিষদলৈ পুনৰ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। আশা কৰো ছিপাঝাৰ মহাবিদ্যালয় বাকৰিত এই দুদিনৰ স্মৃতি চিৰসুন্দৰ হ'ব। তাৰেই কামনাৰে -

**ধন্যবাদেৰে**

**ড° হিমাক্ষী বৰদলৈ**
**জোনমণি দাস**
যুটীয়া সমন্বয়ক
আলোচনা চক্ৰ পৰিচালনা সমিতি
সম্পাদকদ্বয়
**সংক্ষিপ্তসাৰ** সম্পাদনা সমিতি
৯ নৱেম্বৰ, ২০২২



# কাৰ্বি জনগোষ্ঠীৰ লোকবাদ্য ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

**স্মৃতি ৰেখা কাথাৰ**
গৱেষিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
অসমীয়া বিভাগ

ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰে। এই-জাতি-জনগোষ্ঠীৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিয়ে উত্তৰ পূৰ্বাঞ্চলৰ এক ঐতিহ্য বহন কৰি আহিছে। ভাৰতৰ উত্তৰ-পূৱ কোণত অৱস্থিত অসমখনো এখন ঐতিহ্যমণ্ডিত ৰাজ্য। অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে সমিল মিলেৰে অতীজৰেপৰা বসবাস কৰি আহিছে। অসম বা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে স্বকীয় লোক সাংস্কৃতিক উপাদানেৰে সমৃদ্ধ। প্ৰতিটো জাতি-জনগোষ্ঠীৰ মাজত পৰম্পৰাগতভাৱে সংগীতে প্ৰাধান্য লাভ কৰি আহিছে। সঙ্গীতৰ স'তে তেওঁলোকৰ নৃত্য আৰু বাদ্যৰ ব্যৱহাৰ অপৰিহাৰ্য্য। অসমত বসবাস কৰা তেনে এক জনগোষ্ঠী হৈছে কাৰ্বিসকল। কাৰ্বিসকল মঙ্গোলীয় নৃ-গোষ্ঠীৰ তিব্বত-বৰ্মীয় ভাষা পৰিয়ালৰ অন্তৰ্গত। কাৰ্বিসকল সঙ্গীত প্ৰিয় জাতি। কাৰ্বি জনজীৱনত প্ৰচলিত প্ৰতিটো বস্তুৰে উৎপত্তি সম্পৰ্কে বিভিন্ন কাহিনী পোৱা যায়। যেনে কাৰ্বি জাতিৰ উৎপত্তি, কাৰ্বিসকলৰ বিভিন্ন ৰীতি-নীতিৰ উৎপত্তি, কাৰ্বিসকলৰ সঙ্গীতৰ উৎপত্তি সম্পৰ্কীয় কাহিনী প্ৰচলিত। কাৰ্বিসকলৰ মাজত সংগীত চৰ্চা কেনেকৈ আৰম্ভ হ'ল তাৰ এক কাহিনী আছে। জনবিশ্বাস মতে কাৰ্বিসকলৰ আদিম অৱস্থাত কোনো গীত-মাত নাছিল। লোককাহিনী মতে সৃষ্টিকৰ্তাই ৰাংছিনা ছাৰপ'ক কাৰ্বিসকলৰ মাজত গীত মাত প্ৰচাৰৰ দায়িত্ব দিয়ে। সেইমতে ৰাংছিনাই সংগীত সৃষ্টি কৰিবৰ নিমিতে ছিং মিৰ্জেং আৰু লং মিৰ্জেং নামৰ ভ্ৰাতৃদ্বয়ক সহকাৰী হিচাপে লৈ পৃথিৱীত পদাৰ্পণ কৰে। আৰু কাৰবি সমাজত তেওঁলোকৰ সংগীত চৰ্চা আৰম্ভ কৰে। তেতিয়াৰেপৰা বৰ্ত্তমানলৈ ৰাংছিনা গুৰুৱে প্ৰচাৰ কৰা সংগীতৰ মূৰ্ছনাই কাৰ্বি সমাজত স্থান পাই আহিছে আৰু পৰাম্পৰাগতভাৱে এই সংগীতৰ স'তে নৃত্য আৰু বাদ্যও সংগত কৰা হয়। গীত, নৃত্য, বাদ্যৰ সমাহাৰেই সংগীত। কাৰ্বি সমাজত সংগীত চৰ্চাৰ লগতে স্বকীয়

# শংকৰদেৱ সৃষ্ট সত্ৰানুষ্ঠানৰ পৰম্পৰা আৰু বিৱৰ্তন ঃ এটি অধ্যয়ন

**অনামিকা বৰা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়, কলেজ নগৰ, গুৱাহাটী- ৩১
Email id : anamikaborah.anu@gmail.com

শংকৰদেৱে প্ৰতিষ্ঠা কৰা একশৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম কাৰোবাক অনুসৰণ কৰি সৃষ্টি কৰা ধৰ্ম নহয়। মহাপুৰুষ জনাই শাস্ত্ৰ-ভাগৱত পঢ়ি, তীৰ্থ ভ্ৰমণ কৰি, সাধুৰ সংগত অভিজ্ঞতা লাভ কৰি যি অভিজ্ঞতা বুটলিছিল সেই উপলব্ধিৰ আধাৰতে বৈষ্ণৱ ধৰ্ম সৃষ্টি হৈছিল। বৈষ্ণৱ ধৰ্মীয় ৰীতি-নীতিৰ মাজেদি জাতিৰ সমাজ নীতি, অৰ্থনীতি, ৰাজনীতিৰ ঐক্য প্ৰতিষ্ঠাৰ বাবে মহাপুৰুষ শংকৰদেৱে সত্ৰানুষ্ঠানৰ জন্ম দিছিল।

যি ঠাই বৈষ্ণৱ আৰু দেৱতাৰ দ্বাৰা বন্দিত, যি ঠাইত একান্ত ভক্তসকলে ঈশ্বৰৰ প্ৰিয়কৰ্ম সাধন কৰে, যি ঠাইত প্ৰতিদিনে শ্ৰৱণ, কীৰ্তন, অৰ্চন, বন্দন, স্মৰণ, দাস্য, সখিত্ব, পদসেৱন আৰু দেহা অৰ্পণ এই ন বিধ ভক্তি সাধন হয়, সেই পবিত্ৰ ঠাইখণ্ডক সত্ৰ বুলি কোৱা হয়। অৱশ্যে শংকৰদেৱে সত্ৰ শব্দৰ পৰিৱৰ্তে কীৰ্তন ঘৰ, হৰিগৃহ আদি শব্দহে ব্যৱহাৰ কৰিছিল। সত্ৰ অসমৰ জাতীয় জীৱনৰ অপৰিহাৰ্য অংগ। সত্ৰৰ প্ৰশাসনীয় দিশৰ প্ৰতি লক্ষ্য কৰিলে দেখা যায় সত্ৰৰ এজন মুৰব্বী থাকে যাক সত্ৰাধিকাৰ বা আতা বোলা হয়। সত্ৰাধিকাৰগৰাকীক জ্যেষ্ঠতাৰ ভিত্তিত বা বংশানুক্ৰমে নিৰ্বাচন কৰা হয়। সত্ৰ পৰিচালনাৰ বাবে বিভিন্ন বিষয়ত কাৰ্যভাৰ ভকতসকলৰ মাজত ভাগ কৰি দিয়া হয়। সত্ৰ আছিল সত্ৰীয়া নৃত্য-গীতৰ আৰু একাংক নাটকৰ নাটঘৰ। সত্ৰতেই হাতীৰ দাঁত আৰু কাঠৰ কাম যেনে মুখা, কাঠৰ পুতলা, ফুলাম জাপি, বিচনি আদি তৈয়াৰ হৈছিল। সত্ৰ আছিল সংস্কৃত শিক্ষাৰ কেন্দ্ৰ।

শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰ অনুষ্ঠানৰ শংকৰদেৱৰ বিয়োগৰ পিছত বিভাজিত হৈ বিভিন্ন সংহতিৰ সৃষ্টি হয়। গুৰু, দেৱ, নাম, ভকত এই চাৰি বস্তুক আধাৰ হিচাপে লৈ সংহতিবোৰ বিভাজিত হ'ল। ব্ৰহ্ম সংহতি, পুৰুষ সংহতি, কাল সংহতি আৰু নিকা সংহতি নামেৰে নামাংকিত সংহতিৰ মাজত নিয়ম নীতি,



# বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ উপন্যাসত লোক-পৰিৱেশ্য কলাৰ সমল ঃ এটি বিশ্লেষণ

**ড° নৰজিৎ মজুমদাৰ**
সহকাৰী অধ্যাপক, অভয়াপুৰী মহাবিদ্যালয়

অসমীয়া সাহিত্যৰ এগৰাকী অগ্ৰণী সাহিত্যিক হৈছে বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য। সৰু-বৰ ২৪ খন উপন্যাসৰ স্ৰষ্টা ভট্টাচাৰ্য্যই উত্তৰ-পূৰ্বাঞ্চলৰ জনজীৱনৰ পটভূমিত কেইবাখনো উপন্যাস লিখি উলিয়াইছে। ৰাজনৈতিক ঔপন্যাসিক হিচাপে সমাদৃত ঔপন্যাসিকগৰাকীয়ে ৰাজনৈতিক বিষয়বস্তুৰ বৰ্ণনাৰ মাজে মাজে লোক-সমাজৰ পৰম্পৰাগত সাংস্কৃতিক জীৱন-শৈলীৰ সাৱলীল উপস্থাপন কৰা দেখা যায়। বহু সময়ত লোক-সাংস্কৃতিক সমলৰাজিয়ে উপন্যাসৰ বিষয়বস্তু তথা চৰিত্ৰৰাজিক বাস্তৱৰূপত তুলি ধৰা পৰিলক্ষিত হয়।

আমাৰ আলোচনাত লোক-সংস্কৃতিৰ অন্যতম শ্ৰেণী লোক পৰিৱেশ্য কলাৰ উপাদানসমূহ ভট্টাচাৰ্য্যই তেওঁৰ উপন্যাসৰাজিত কিদৰে তুলি ধৰিছে সেই সম্পৰ্কীয় বিশ্লেষণ আগবঢ়োৱা হ'ব। উক্ত আলোচনাটি লোক পৰিৱেশ্য কলাৰ প্ৰধান তিনিটা শ্ৰেণী লোক-সংগীত, লোক-নৃত্য আৰু লোক-নাটৰ আধাৰত যুগুত কৰা হ'ব। তেখেতৰ উপন্যাসৰাজিত পৰিদৃষ্ট হোৱা কেতবোৰ পৰিৱেশ্য কলা হৈছে পুতলা নাচ, ওজাপালি, ভাওনা, দেওধনী নৃত্য, হুঁচৰি নৃত্য, ঝুমুৰ নৃত্য, ৰংগালা নৃত্য, নাম-কীৰ্ত্তন আদি। লোক-পৰিৱেশ্য কলাৰ এই সমলৰাজিয়ে এফালে বিষয়বস্তুলৈ বৈচিত্ৰতা অনাৰ লগতে ভট্টাচাৰ্য্যৰ লোক-সাংস্কৃতিক সমলৰাজিৰ প্ৰতি থকা আন্তৰিকতাকো সূচায়। আলোচনাটিত লোক-সাংস্কৃতিক সমলৰাজিৰ প্ৰয়োগে উপন্যাস এখনৰ সামগ্ৰিক আবেদন প্ৰদানত কিদৰে সহায় কৰিছে সেই সম্পৰ্কীয় বিশ্লেষণো আগবঢ়োৱা হ'ব। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ *আই, মৃত্যুঞ্জয়, প্ৰতিপদ, ডাইনী, ৰঙামেঘ, মুনিচুনিৰ পোহৰ, ফুলকোঁৱৰৰ পখীঘোঁৰা, কালৰ হুমুনিয়া* আদি উপন্যাসৰ বিশেষ উল্লিখনসহ এই আলোচনাটি প্ৰস্তুত কৰা হ'ব। ●

# সাম্প্ৰতিক কালৰ পৰিৱেশ্য কলা হিচাপে ভ্ৰাম্যমাণ থিয়েটাৰৰ প্ৰচাৰ,প্ৰসাৰ, জনপ্ৰিয়তা আৰু প্ৰাসংগিকতা ঃ এটি বিশ্লেষণ

**ড° পঞ্জী হাজৰিকা**
সহকাৰী অধ্যাপিকা, অভয়াপুৰী মহাবিদ্যালয়
ফোন ঃ ৯৮৬৪৮০৪১১৯

বৰ্তমান প্ৰেক্ষাপটত নাটক পৰিৱেশন কৰাৰ এক গুৰুত্বপূৰ্ণ তথা জনপ্ৰিয় মাধ্যম হৈছে ভ্ৰাম্যমাণৰ মঞ্চ। ভ্ৰাম্যমাণ থিয়েটাৰৰ ইতিহাসৰ পাত লুটিয়াই চালে আমি দেখো যে যাত্ৰা নাটকৰ সাৰ্থক পৰিণতি হৈছে ভ্ৰাম্যমাণৰ মঞ্চ। যাত্ৰা নাটক পৰিৱেশিত হৈছিল খলা বা মুকলি মঞ্চত। অৱশ্যে ঠাই ভেদে স্থায়ী মঞ্চৰো নিৰ্মাণ নোহোৱাকৈ থকা নাছিল। অৱশ্যে মুকলি মঞ্চত দৰ্শকে অভিনয় উপভোগ কৰাত বেছি সুবিধাহে পাইছিল বুলি ক'ব পাৰি।

বৰ্তমান সময়ত ভ্ৰাম্যমাণ থিয়েটাৰৰ জনপ্ৰিয়তা যথেষ্ট বেছি। নৃত্য-গীত-নাটৰ পূৰ্ণ পয়োভৰ আমি ভ্ৰাম্যমাণৰ মঞ্চত দেখিবলৈ পাওঁ। যাত্ৰা নাটকে ভ্ৰাম্যমাণৰ ৰূপ লাভ কৰাৰ পিছত ভ্ৰাম্যমাণে অৰ্থনৈতিক দিশটোৰ ক্ষেত্ৰত এক চমৎকাৰিত্ব লাভ কৰিলে। এই ক্ষেত্ৰত ব্ৰজনাথ শৰ্মাৰ অভিনয়ৰ ক্ষেত্ৰত অনা বৈপ্লৱিক ৰূপান্তৰৰ কথা উল্লেখ নকৰি নোৱাৰি। এইখিনিতে উল্লেখনীয় ভ্ৰাম্যমাণৰ মঞ্চৰ বিকাশ লাভ কৰাত বিশেষভাৱে পদক্ষেপ আগবঢ়াইছে অচ্যুত লহকৰ আৰু সদা লহকৰে। তেওঁলোকৰ অৱদানে ভ্ৰাম্যমাণৰ মঞ্চক আৰু অধিক জনপ্ৰিয় তথা প্ৰচাৰ, প্ৰসাৰ লাভ কৰাতো অৰিহণা আগবঢ়াইছে। কিয়নো অৰ্থনৈতিক নিৰাপত্তাই ভ্ৰাম্যমাণক প্ৰসাৰ কৰাত বিশেষ অৱদান আগবঢ়াইছে। ভ্ৰাম্যমাণৰ জৰিয়তে বিভিন্নজনে স্বাৱলম্বীতা লাভ কৰিছে। সাম্প্ৰতিক সময়ত বিনোদনৰ বিভিন্ন মাধ্যমৰ আমদানি হৈছে, তেনেস্থলত ভ্ৰাম্যমাণ নাটকৰ নিখুঁত সংৰক্ষণৰ বাবে প্ৰচাৰ, প্ৰসাৰৰ যথেষ্ট গুৰুত্ব আহি পৰিছে। আমাৰ আলোচনা পত্ৰখনিত এই দিশটোৰ ওপৰতেই আলোকপাত কৰা হ'ব।●

***বীজ শব্দ ঃ** ভ্ৰাম্যমাণ, সাম্প্ৰতিক, গুৰুত্ব, নাটক, মঞ্চ, থিয়েটাৰ ইত্যাদি*



# মৰাণ জনগোষ্ঠীৰ ৰাতিবিহু ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

**অঞ্জলি গগৈ**
গৱেষক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়,গুৱাহাটী
ফোন নং-৭০০২৩০৫২৭২
ই মেইল -anjaligogoi72@gmail.com

মৰাণসকল অসমৰ অন্যতম খিলঞ্জীয়া বাসিন্দা। মৰাণ জনগোষ্ঠীৰ লোকসকলৰ অসমলৈ আগমণ সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰিছে। বুৰঞ্জীবিদ সুনীতি কুমাৰ চট্টোপাধ্যায়ে খ্ৰীঃ পূঃ ১০০০ বছৰ পূৰ্বেই মৰাণসকলে অসমত প্ৰৱেশ কৰিছিল বুলি মত পোষণ কৰি থৈ গৈছে। বুৰঞ্জীবিদ স্বৰ্ণলতা বৰুৱাইও খ্ৰীঃ পূঃ বহু শতিকাৰ পূৰ্বেই মৰাণসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰি বসতি স্থাপন কৰি আছে বুলি তেওঁৰ বিভিন্ন লেখনিত মত পোষণ কৰিছে। প্ৰধানতঃ মৰাণসকলক বড়ো-কছাৰী মূলৰ বুলি ভবা হয়। সম্প্ৰতি তিনিচুকীয়া, ডিব্ৰুগড়, অৰুণাচলৰ নামচাই, চাংলাং, শিৱসাগৰ জিলাৰ লগতে ধেমাজি আৰু লখিমপুৰ জিলাৰ কোনো কোনো অঞ্চলত মৰাণ জনগোষ্ঠীৰ লোকসকলে গাঁও পাতি বসতি কৰি আছে। মৰাণ জনগোষ্ঠীৰ লোকসকল স্বকীয় আৰু স্বতন্ত্ৰ কলা-সংস্কৃতিৰ অধিকাৰী। মৰাণ জনগোষ্ঠীৰ লোকসকলে পালন কৰা বিভিন্ন পৰিৱেশ্য কলাধৰ্মী অনুষ্ঠানৰ লগতে অতীজৰে পৰা পালন কৰি অহা বসন্ত উৎসৱৰ এক আকৰ্ষণীয় নৃত্য-গীত ধৰ্মী অনুষ্ঠান হৈছে ৰাতি বিহু। মৰাণ জনগোষ্ঠীৰ ৰাতি বিহুৰ দৰে অনুষ্ঠান আন কোনো জনগোষ্ঠীৰ মাজত দেখিবলৈ পোৱা নাযায়। বৰ্তমান সময়তো তিনিচুকীয়া জিলাৰ কাকপথাৰৰ বেটনী, বাৰেকুৰি, উবন, বৰমেচাই গাঁৱৰ লগতে ডুমডুমাৰ কৰ্দৈগুৰিৰ মৰাণ অধ্যুষিত অঞ্চলত ৰাতি বিহু গোৱা হয়। এই আলোচনা পত্ৰখনিৰ জৰিয়তে মৰাণ জনগোষ্ঠীৰ ৰাতি বিহুৰ ঐতিহ্য-পৰম্পৰা, নীতি-নিয়ম, সাজ-পাৰ, গীত, নৃত্য, বাদ্য আদিৰ বিষয়ে সবিশেষ উপস্থাপন কৰিবলৈ যত্ন কৰা হ'ব। প্ৰস্তাৱিত আলোচনা পত্ৰখনিৰ অধ্যয়ন পদ্ধতি হ'ব ক্ষেত্ৰভিত্তিক আৰু বৰ্ণনাত্মক।●

***বীজ শব্দ ঃ** মৰাণ জনগোষ্ঠী, পৰিৱেশ্য কলা, ৰাতি বিহু, ঐতিহ্য, পৰম্পৰা*

# দৰঙী আইনাম ঃ এক অৱলোকন

**বিজয়লক্ষ্মী চহৰীয়া**
সহকাৰী অধ্যাপিকা,অসমীয়া বিভাগ
ছিপাঝাৰ মহাবিদ্যালয়

সাহিত্য হ'ল সমাজ এখনৰ দাপোণস্বৰূপ। তান্ত্ৰিক শাক্ত ধৰ্মৰ ফলস্বৰূপে মহামায়াৰ সাতভনী, নভনী, বাৰভনীৰ পৰা বিভিন্ন লোকবিশ্বাস আৰু পৰম্পৰা গঢ় লৈ উঠিছে। বসন্ত মহামাৰীৰ মাৰাত্মক স্বৰূপৰ অন্তৰালত কোনো উগ্ৰ দৈৱিক শক্তি নিহিত হৈ আছে বুলি ভাবিয়েই আদিম মানুহৰ মনৰ মাজত কিছুমান ধাৰাণাই খোপনি পুতিছিল। এই দেৱীৰ সন্তুষ্টিৰ অৰ্থে বহিঃপ্ৰকাশ ঘটা গীতিধৰ্মী প্ৰাৰ্থনাই হ'ল আইনাম। মহামায়া বা দেৱীৰ দুৰ্গাৰ জনমানসত প্ৰচলিত এটা অন্যতম ৰূপ 'আই' মূলতঃ লোকাচাৰসন্মত শক্তি। নাৰীকণ্ঠৰ কাকুতিৰে সিক্ত হৈ উঠা দৰঙীয়া আইনামে লোকসাহিত্য আৰু লোকমনক আধাৰ হিচাপে লৈ লোক সাহিত্যত অতীজৰে পৰা এখন সুকীয়া আসন দখল কৰি আহিছে।

আইনাম নাৰীকেন্দ্ৰিক হোৱা হেতুকে আৰু গীত-পদ গাওঁতে সাধাৰণতে তাল-মান সংগত ৰাখিবলৈ হাত চাপৰিৰ সহায়েৰে নাম পৰিৱেশন কৰিছিল। বৰ্তমান সময়ত হাত চাপৰিৰ উপৰিও তালবাদ্য, নাগাৰা, কৰতাল, ভোৰতাল আৰু অন্য বাদ্য যন্ত্ৰসমূহ প্ৰয়োগ কৰা দেখা যায়। অৱশ্যে বৰ্তমান সময়ত মহিলাসকলে ৰামায়ণ, মহাভাৰত, পুৰাণ, শংকৰদেৱৰ কীৰ্ত্তনপুথি, মাধৱদেৱৰ গীত-পদ আদি ভক্তিভাৱেৰে পৰিৱেশন কৰাও দেখা যায়।

আধ্যাত্মিক লোক অনুষ্ঠান হিচাপে দৰঙীয়া আইনামে জনমানসত কিদৰে আধিপত্য স্থাপন কৰি আহিছে সেই বিষয়ে 'দৰঙী আইনামঃ এক অৱলোকন' শীৰ্ষক আলোচনা পত্ৰত আলোকপাত কৰাৰ প্ৰয়াস কৰা হ'ব।●

***বীজ শব্দ ঃ** আইনাম, মহামায়া, দুৰ্গা*



আচাৰ-প্ৰণালীয়েও কিছু পৃথক ৰূপ ল'লে।

আমাৰ আলোচনা পত্ৰখনিত শংকৰদেৱে প্ৰতিষ্ঠা কৰা সত্ৰ অনুষ্ঠানৰ মূল উদ্দেশ্য, সত্ৰৰ সংজ্ঞা, সত্ৰীয়া আচাৰ-নীতি-নিয়ম, সত্ৰাধিকাৰ নিৰ্বাচন, সত্ৰৰ সংহতি বিভাজন, অসমৰ সত্ৰ সংখ্যা, সত্ৰ প্ৰকাৰভেদ, সত্ৰলৈ আহি পৰা সংশয়, সত্ৰ সংৰক্ষণ আদি দিশসমূহ আলোকপাত কৰা হ'ব।●

***বীজ শব্দ ঃ** শংকৰদেৱ, সত্ৰ, বৈষ্ণৱ, সংহতি*

---

# উত্তৰ-পূব ভাৰতৰ এক বিশেষ লোক নাট্য "পুতলা নাচ" অনুষ্ঠানৰ সংৰক্ষণ আৰু সংবৰ্দ্ধন ঃ এক বিশ্লেষণাত্মক আলোচনা

**নয়নমনি দেৱী**

উত্তৰ-পূব ভাৰতৰ এক বিশেষ লোক নাট্যানুষ্ঠান হৈছে "পুতলা নাচ" প্ৰাচীন কালৰে পৰা এইবিধ লোকনাট্যানুষ্ঠান প্ৰচলিত হৈ আহিছে যদিও বৰ্তমান সময়ত ইয়াৰ প্ৰচলন যেন অধিক শতাংশই কমি আহিছে। এইবিধ লোকনাট্যানুষ্ঠানৰ এক বিশেষ গুৰুত্ব আছে। সেয়েহে ইয়াৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে বিভিন্ন ব্যৱস্থা হাতত লোৱাৰ সময় আহি পৰিছে। বিশেষকৈ শিশুসকলৰ এক মনোৰঞ্জনৰ অনুষ্ঠান হিচাপে এইবিধ লোকনাট্যানুষ্ঠানে বিশেষ ভূমিকা পালন কৰা দেখা যায়। বিভিন্ন কাৰণ অথবা অসুবিধাৰ নাইবা অমনোযোগিতাৰ বাবেই যেন এইবিধ লোকনাট্যানুষ্ঠানৰ প্ৰচলন কমি আহিছে। আমি পুনৰ এইবিধ লোকনাট্যানুষ্ঠানৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনত গুৰুত্ব প্ৰদান কৰা উচিত।

মোৰ এই ক্ষুদ্ৰ গৱেষণা পত্ৰখনৰ জৰিয়তে ইয়াৰ সংৰক্ষণ তথা সংবৰ্দ্ধনৰ কিছু নতুন দিশ উন্মোচনৰ বাবে প্ৰয়াস কৰা হ'ব। গৱেষণা পত্ৰখন প্ৰস্তুত কৰোঁতে সমীক্ষাত্মক পদ্ধতি আৰু ঠায়ে ঠায়ে বিশ্লেষণাত্মক পদ্ধতিৰো অৱলম্বন কৰা হ'ব। আশা কৰা হৈছে গৱেষণা পত্ৰখনে এক নতুন দিশৰ উন্মেষ ঘটাব।●

***বীজ শব্দ ঃ** উত্তৰ-পূব ভাৰত, লোকনাট্যানুষ্ঠান, পুতলা নাচ, সংৰক্ষণ, সংবৰ্দ্ধন, প্ৰচলন*

# ধুবুৰী জিলাৰ নাথ-যোগী সম্প্ৰদায়ৰ মাজত প্ৰচলিত মাৰৈ পূজা বা মনসা পূজা ঃ পৰম্পৰা আৰু ঐতিহ্য

**সংগীতা দেৱী**, গৱেষক, অসমীয়া বিভাগ
গুৱাহাটী বিশ্ববিদ্যালয়,গুৱাহাটী
ফোন ঃ ৬৯০০৫৭৫১৪৫
ই মেইল -nsangita015@gmail.com

পৃথিৱীৰ প্ৰতিখন সমাজতে বিভিন্ন সময়ত বিভিন্ন উৎসৱ-অনুষ্ঠান পালন কৰা হয়। এই উৎসৱ-অনুষ্ঠানবোৰ কিছুমান ৰাজহুৱাকে আন কিছুমান ব্যক্তিগতভাৱে পালন কৰি আহিছে। উৎসৱ-অনুষ্ঠানসমূহ প্ৰধানতঃ ঋতু পৰিৱৰ্তন, জীৱনৰ এটা অৱস্থাৰ আন এটা অৱস্থালৈ গতি কৰা, ঐতিহাসিক ঘটনা বা বিশ্বাস, কোনো বীৰ জনশ্ৰুতিমূলক দেৱ-দেৱী আদিৰ লগত জড়িত। এইবোৰৰ সৈতে সামূহিক কৰ্ম, ভোজন, নৃত্য-গীত আৰু খেল-ধেমালিও জড়িত হৈ থাকে। উৎসৱ-অনুষ্ঠানবোৰ সংস্কৃতিৰ অন্যতম অংগ।পৃথিৱীৰ প্ৰতিটো জাতি-জনগোষ্ঠীয়ে সুকীয়াকৈ পালন কৰা এই উৎসৱ-অনুষ্ঠানসমূহে সেই বিশেষ জাতি বা জনগোষ্ঠী বা অঞ্চলটোক প্ৰতিনিধিত্ব কৰে। যদিওবা পৃথিৱীৰ প্ৰতিটো প্ৰান্তত পালন কৰা কিছুমান উৎসৱ-অনুষ্ঠানৰ সাৰ্বজনীন বৈশিষ্ট্য থকা পৰিলক্ষিত হয় ,তথাপি প্ৰতিটো জাতি-জনগোষ্ঠী অনুযায়ী ইয়াৰ কেতবোৰ আঞ্চলিক বৈশিষ্ট্য থকা দেখা যায়। সেয়েহে এই উৎসৱ-অনুষ্ঠানসমূহৰ জৰিয়তে জাতি-জনগোষ্ঠীবোৰৰ মাজত পৰম্পৰাগতভাৱে প্ৰচলিত নৃত্য-গীত, সাজপাৰ, খাদ্যাভ্যাস আদি সকলোৰে আগত প্ৰদৰ্শন কৰিবলৈ সুবিধা পায়। ইয়ে জাতি বা জনগোষ্ঠীটোৰ এক সুকীয়া অস্তিত্ব বৰ্তাই ৰখাৰ পথ মুকলি কৰি দিয়াৰ উপৰিও জাতীয় ঐক্য ৰক্ষা কৰি সামাজিক সদ্ভাৱ বজাই ৰখাত সহায়ক হয়। উৎসৱ-অনুষ্ঠানসমূহত পালন কৰা ৰীতি-নীতিসমূহ অতি প্ৰাচীন আৰু পৰম্পৰা আশ্ৰিত হোৱা বাবে ইয়ে জাতিটোৰ কৃষ্টি-সংস্কৃতি, জাতীয়তাবোধ অটুট ৰখাৰ উপৰিও সুস্থ সমাজ গঠনত অৰিহণা যোগায়।

অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত ধুবুৰী জিলাৰ নাথ-যোগী সম্প্ৰদায়ৰ লোকসকলেও অতীজৰে পৰা পৰম্পৰাগতভাৱে বিভিন্ন ধৰণৰ উৎসৱ-অনুষ্ঠান পালন কৰি আহিছে। তাৰ ভিতৰত মাৰৈ পূজা অন্যতম। নাথ-যোগীসকল যদিও শিৱ উপাসক তথাপি ধুবুৰী জিলাৰ প্ৰতিঘৰ নাথ-যোগী লোকৰ ঘৰৰ দক্ষিণ কোণত চৌহদৰ পশ্চিম মুৱাকে বিষহৰি বা মনসা দেৱীৰ থান এখন থকাটো বিশেষভাৱে লক্ষ্য কৰিবলগীয়া। ধুবুৰী জিলাৰ নাথ-যোগী সম্প্ৰদায়ৰ মাজত প্ৰচলিত মনসা পূজা লোককথা আধাৰিত। লোককথাৰ বণিক চান্দ সদাগৰৰ নাগ বিদ্বেষেই ইয়াৰ মূল কথা। সুকবি নাৰায়ণদেৱ বিৰচিত 'পদ্মপুৰাণ'ৰ কাহিনীভাগকে মাৰৈ পূজাত গীতালে নাটকীয় ৰূপত উপস্থাপন কৰে। সেয়েহে মনসা বা মাৰৈ পূজাত গোৱা এই গীতবোৰত গীত, নৃত্য আৰু নাটৰ অপূৰ্ব সংমিশ্ৰণ ঘটা দেখা যায়। মনসা পূজাত গোৱা এই গীতসমূহৰ পৰম্পৰা আৰু ঐতিহ্য বিচাৰ কৰি চোৱাই গৱেষণা পত্ৰখনিৰ উদ্দেশ্য। গৱেষণা পত্ৰখনি ক্ষেত্ৰ অধ্যয়ন ভিত্তিক আৰু বৰ্ণনাত্মক পদ্ধতিৰে আলোচনা কৰা হ'ব।●

***বীজ শব্দ*** *ঃ মাৰৈ পূজা, লোক পৰিৱেশ্য কলা*

---

# দৰঙৰ লোক পৰিৱেশ্য কলা খুলীয়া ভাউৰীয়াৰ সাংগীতিক দিশ ঃ এক চমু আলোচনা

**নিধিৰাম নাথ,** বিদ্যাভাৰতী মহাবিদ্যালয়,
শিঙাৰপাৰা, কামৰূপ

লোক পৰিৱেশ্য কলা নৃত্য, গীত, অভিনয় - এই ত্ৰিবেণী সংগমৰ সমাৰোহ। অসমৰ বেছিভাগ পৰিৱেশ্য কলাই দৰঙৰ অ'ত ত'ত সিঁচৰতি হৈ পৰি আছে। এই কলাৰূপসমূহে জাতি এটাৰ অস্তিত্ব, বৈশিষ্ট্য আৰু পৰিচয় বহন কৰে। এনে কলাসমূহ সমাজত জীয়াই থাকিলেহে জাতি এটাৰ জাতীয় অস্তিত্ব জীয়াই থাকে।

অসমীয়া লোক সংস্কৃতিৰ বৰঘৰত দৰঙৰ খুলীয়া ভাউৰীয়াই এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আহিছে। খুলীয়া ভাউৰীয়া মূলতঃ এক লোকনাট্যানুষ্ঠান। খুলীয়া ভাউৰীয়াত সংগীতৰ প্ৰভাৱ মন কৰিবলগীয়া। সংগীত পৰিৱেশ্য কলাৰ অপৰিহাৰ্য অংগ। পৰিৱেশ্য মানেই নৃত্য-গীত আৰু অভিনয়ৰ সমষ্টি। সেইফালৰ পৰা খুলীয়া ভাউৰীয়া গীত প্ৰধান অভিনয় অনুষ্ঠান। আলোচনা পত্ৰখন প্ৰস্তুত কৰোতে বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব। আলোচনা পত্ৰখনত বিভিন্ন গ্ৰন্থ, প্ৰবন্ধ, আলোচনীৰ সহায় লোৱা হ'ব।●

# কার্বি সমাজৰ লোক নৃত্য চমাংকান ঃ এটি অৱলোকন

**চুমি কাথাৰ**
সুৰেণ দাস মহাবিদ্যালয় (হাজো)

লোকনৃত্যক লোক-সংস্কৃতিৰ শ্ৰেণী বিভাজনত লোক-পৰিৱেশ্য কলাৰ ভিতৰত সন্নিৱিষ্ট কৰা হৈছে । লোকৰ দ্বাৰা লোকৰ মনোৰঞ্জনৰ কাৰণে পৰিৱেশিত লোক-কলাকেই লোক - পৰিৱেশ্য কলা বুলি কোৱা হয়। লোক জীৱনৰ লগত জড়িত নৃত্যকে লোক নৃত্য বোলে । বিভিন্ন জাতি জনজাতিৰে পৰিপূৰ্ণ অসমৰ এটি লেখত ল'ৱলগীয়া জনজাতি হ'ল- কাৰ্বিসকল । কাৰ্বিসমাজৰ অন্যতম আড়ম্বৰপূৰ্ণ ধৰ্মীয় অনুষ্ঠান হল- চমাংকান । প্ৰকৃতাৰ্থত ই মৃত্যুকেন্দ্ৰিক উৎসৱ । জন্মৰ পৰা মৃত্যুলৈকে আৰু মৃত্যুৰ পৰা জন্মলৈকে প্ৰভাৱ বিস্তাৰ কৰি চমাংকানৰ ৰীতি -নীতিবোৰ গঢ় লৈ উঠিছে ।

শ্ৰাদ্ধোৎসৱ চমাংকানৰ অৰ্থ বিভিন্ন ধৰণে পোৱা যায় । 'চম' মানে যম আৰু 'কান' মানে নৃত্য-গীত । অৰ্থাৎ যমৰ নৃত্য বা যমক ভুলাবলৈ বা সন্তুষ্ট কৰিবলৈ কৰা নৃত্য-গীতেই চমাংকান । আকৌ চমাংকানৰ অৰ্থ এনেদৰেও পোৱা যায় --'চমাং' মানে খাছিয়া আৰু 'কান' মানে নৃত্য কৰা । অৰ্থাৎ খাছীয়া বা জয়ন্তীয়া ৰীতি অনুসৰি মৃতকৰ আত্মাৰ সদ্গতিৰ কামনা কৰি কৰা অনুষ্ঠানেই 'চমাংকান' উৎসৱ। কাৰ্বি ডেকা গাভৰুৰে চমাংকানৰ মাজেদি তেওঁলোকৰ আনন্দ আৰু আতিশয্য প্ৰকাশৰ অৱকাশ উলিয়াই লয় । সেই উৎসৱত বিভিন্ন গাঁৱৰ ডেকাসকলে চেং,মূৰী টাংপ,মূৰী ছেইছেই , ৰজাৰু অৰ্থাৎ ভীমৰাজ চৰাইৰ নেজ,যিটো ডেকা-গাভৰুসকলে তেওঁলোকৰ খোপাত গুজি লৈ নৃত্য কৰাৰ লগতে চমাংকান উংসৱত ভাগ ল'বলৈ অহা অন্য গাঁৱৰ লোকসকলক বাট চ'ৰাতে ঢোলে-ডগৰে আগবঢ়াই লৈ অনাৰ ব্যৱস্থা কৰা হয়।●

***বীজ শব্দ ঃ** চমাংকান,মৃত্যু, নৃত্য গীত আদি*



# মিচিং জনগোষ্ঠীৰ লোকনৃত্য 'গুম্‌ৰাগ' ঃ পৰম্পৰা, পৰিৱৰ্তন আৰু সংৰক্ষণ

**ৰাহুল কুলি**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,
সুৰেন দাস মহাবিদ্যালয়,হাজো

লোক পৰিৱেশ্য কলা লোক সংস্কৃতিৰ এটি অন্যতম শাখা। যিয়ে একোটা জাতিৰ পৰিচয়ৰ মাপকাঠি বহন কৰে। পৰম্পৰাগত গীত, নৃত্য, বাদ্য আৰু নাট বা অভিনয়বোৰক লোক পৰিৱেশ্য কলাৰ প্ৰধান অংগ হিচাপে ধৰা হয়। এই লোক পৰিৱেশ্য কলাৰ মাজেদি প্ৰকাশ পাই একোটা জাতিৰ সভ্যতা, সমাজ-সংস্কৃতি, সামূহিক মানসিকতা, জীৱন যাত্ৰা, জাতিটোৰ আশা-আকাংক্ষা, অৱসৰ বিনোদন, ৰীতি-নীতি, বিশ্বাস, প্ৰেম-পিৰীতি ইত্যাদি। সেয়ে লোক পৰিৱেশ্য কলাৰ সৈতে একোটা জাতিৰ সম্বন্ধ অতি নিবিড়।

উত্তৰ-পূৰ্ব ভাৰতৰ বিভিন্ন জনগোষ্ঠীৰ দৰে মিচিংসকলৰো নিজা সাংস্কৃতিক উপাদানেৰে পৰিপূৰ্ণ। তেওঁলোকৰ প্ৰতিটো সাংস্কৃতিক উপাদানৰ মাজত পোৱা যায় জাতিটোৰ জাতীয় পৰিচয়। মিচিং জনগোষ্ঠীৰ এনে এটা লোক সাংস্কৃতিক তথা লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত উপাদান হ'ল 'গুম্‌ৰাগ চঃনাম বা নৃত্য'। 'গুম্‌ৰাগ' — নৃত্য, গীত আৰু বাদ্য এই তিনিওটাৰে লগত পৰিৱেশিত মিচিং জনগোষ্ঠীৰ অন্যতম লোক পৰিৱেশ্য কলা। কৃষিজীৱী মিচিংসমাজৰ গুম্‌ৰাগ নৃত্য তেওঁলোকৰ কৃষিকাৰ্যৰ সৈতে সম্পৰ্কযুক্ত। মিচিংসকলে মূলতঃ পৰম্পৰাগতভাৱে কৃষিৰ লগত জড়িত দুটা উৎসৱ পালন কৰে। এই দুটা হ'ল— 'আলি- আঃয়ে লৃগাং' আৰু 'পঃৰাগ' উৎসৱ। মিচিংসকলৰ কৃষিভিত্তিক এই দুয়োটা উৎসৱৰ লগতে গুমৰাগ নৃত্য ওতঃপ্ৰোতভাৱে জড়িত হৈ আছে। গুমৰাগ নৃত্যৰ মাজেদি কৃষিৰ সৈতে সম্পৰ্ক থকা বিভিন্ন দিশবোৰৰ উপৰিও তেওঁলোকৰ জীৱনৰ সুখ-দুখ,আশা-আকাংক্ষা, প্ৰেম-পিৰীতি, আনন্দ-বিষাদ, মান-অভিমান, লগতে আৰ্থ-সামাজিক-সাংস্কৃতিক জীৱনৰ প্ৰতিচ্ছবিও

প্ৰকাশ পাই। তেওঁলোকৰ এই উৎসৱ-পাৰ্বণ আৰু নৃত্য-গীতবোৰে জাতিটোৰ জাতীয় ঐক্য আৰু জনগোষ্ঠীটোৰ স্বকীয় বৈশিষ্ট্য বহন কৰি আছে। অৱশ্যে সম্প্ৰতি বিশ্বায়নৰ ফলতেই হওক বা পৰিৱৰ্তনশীল সময়ৰ তাগিদাতেই হওক বা সমাজ জীৱনৰ পৰিৱৰ্তনশীল মানসিকতাৰ ফলশ্ৰুতিতেই হওক মিচিং সমাজ জীৱনৰ জীৱনশৈলী তথা কৃষ্টি-সংস্কৃতিৰ পৰিৱৰ্তন ঘটিছে।

ফলস্বৰূপে মিচিংসকলৰ আলি-আঃয়ে লৃগাং তথা গুম্ৰাগ নৃত্য-গীতৰ পৰিৱেশনৰ ক্ষেত্ৰত কিছু পৰিৱৰ্তন তথা নতুনৰ সংযোগ ঘটিছে। সেয়েহে এই আলোচনা পত্ৰখনত মিচিং জনগোষ্ঠীৰ লোক নৃত্য 'গুম্ৰাগ'ৰ পৰম্পৰা, পৰিৱৰ্তন তথা সম্প্ৰতি ইয়াৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা সম্পৰ্কে আলোচনা কৰিবলৈ যত্ন কৰা হ'ব।●

**বীজ শব্দ** ঃ *লোক-পৰিৱেশ্য কলা, গুম্ৰাগ নৃত্য, আলি-আঃয়ে লৃগাং, পঃৰাগ ইত্যাদি*

---

## বড়ো লোকবাদ্য ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

**ড° মালবিকা বাগলাৰী**
সহকাৰী অধ্যাপিকা
নৰজ্যোতি মহাবিদ্যালয়, কলগাছিয়া

নৃত্য- নাট্য আৰু গীতৰ সৈতে বাদ্যৰ এক সম্পৰ্ক আছে । পৰম্পৰাগত আৰু আধুনিক নৃত্য- নাট্য আৰু গীতৰ সৈতে বাদ্যৰ এক সম্পৰ্ক আছে। ইয়াৰ সৈতে অভিনয়ৰ প্ৰসংগও উল্লেখযোগ্য। অন্যান্য জনগোষ্ঠীৰ দৰে অসমৰ বড়োসকলৰ নৃত্য, নাট , আৰু গীতৰ সৈতে বাদ্যৰ সংযোগ হৈ আছে। বড়োসকলৰ বাথৌ ধৰ্মীয় তত্ত্ব অনুসৰি পঞ্চ সাংখিক ধাৰণাৰে বাথৌ ধৰ্মীয় দৰ্শন প্ৰতিষ্ঠিত।

বড়ো লোকবাদ্যক পাঁচটা ভাগত ভগাব পাৰি। খাম (মাদল) চিফুং (বাঁহী) চেৰজা (বেহেলা) জ'থা (মঞ্জৰী) আৰু গংগণা (গগণা)।

আমাৰ আলোচনা পত্ৰখনত বড়ো লোকবাদ্য সম্পৰ্কে আলোচনা কৰা হ'ব। তেনেদৰে লোক বাদ্য প্ৰস্তুত প্ৰণালী, লোকবাদ্যৰ ব্যৱহাৰ স্থান আৰু সময় আৰু পৰম্পৰাগত দিশৰ আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।●



## পৰিৱেশ্য কলাৰ পৰম্পৰাত দৰঙৰ সুকনান্নী ওজাপালি ঃ সংৰক্ষণ আৰু সংবৰ্দ্ধন

**ড° কৰুণা কান্ত ডেকা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
খৈৰাবাৰী মহাবিদ্যালয়

দৰঙী পৰিৱেশ্য কলাৰ অন্যতম সুকনান্নী ওজাপালি অনুষ্ঠানে লোক পৰিৱেশ্য কলাৰ পৰম্পৰাত এটি সুকীয়া স্থান লাভ কৰি আহিছে। দেৱী মনসা পূজাৰ অনুষংগত বিশেষভাৱে অপৰিহাৰ্য এই সুকনান্নী ওজাপালি অনুষ্ঠানটি দেৱী পূজাৰ ঐতিহ্যৰ সমানে প্ৰাচীন আৰু বৈশিষ্ট্যপূৰ্ণ। দেৱীপূজা সম্পৰ্কীয় সুকবি নাৰায়ণদেৱৰ দ্বাৰা ৰচিত 'পদ্ম-পুৰাণ'ৰ গীত আবৃত্তি কৰা সুকনান্নী ওজাপালি মাৰৈ পূজা, দুৰ্গা পূজাদিৰ বিশেষ অপৰিহাৰ্য অনুষ্ঠান। ধৰ্মীয় অনুষংগত পদ্ম-পুৰাণৰ গীত পদবোৰ সুৰ, তাল-মান, নৃত্য-অভিনয় আদিৰে আবৃত্তি কৰি এফালে যেনেকৈ লোক-মনক সন্মোহিত কৰি মনোৰঞ্জন দি আহিছে, তেনেকৈ শাক্তধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰত বিশেষ বৰঙণি যোগাই দৰঙী কৃষ্টি-সংস্কৃতিৰ গতিধাৰাক তৰান্বিত কৰিছে। আনুষ্ঠানিক পৰিৱেশনত নিৰ্বাহকসকলৰ ভিতৰত এজন ওজা আৰু পাঁচজন পালি থাকে। গাম্ভীৰ্যপূৰ্ণ সাজপাৰ পৰিধানেৰে সুকনান্নী ওজাপালিৰ ওজা দেখনত যেনে শোভাযুক্ত, হাতত খুটি তাল লৈ ধূতি-পাঞ্জাৱী পৰিধানেৰে পালিসকলৰ উপস্থিতিও দৰ্শনীয় হয়। এই লোক কলা বিধৰ বিশেষত্ব এই যে ইয়াত একেজন ব্যক্তিয়ে গীতো গায়, তালো বজায়, নৃত্যও কৰে আৰু মুদ্ৰাও দিয়ে। ওজা আৰু দাইনাপালিৰ বিশেষ ধৰণৰ কথোপকথন শৈলীৰে যি পদ ভাঙনি দিয়ে সি সঁচাকৈয়ে আকৰ্ষণীয়, য'ত অভিনয়িক দিশ এটাও পৰিস্ফুট হয়। ধৰ্মীয় প্ৰসঙ্গত সুকনান্নী ওজাপালিৰ দৰে এটি কলা ধৰ্মী অনুষ্ঠানে পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল হৈ দৰঙী লোক কৃষ্টিৰ গতিধাৰাক কেনেকৈ সঞ্জীৱিত কৰি ৰাখিছে আৰু এই পৰিৱেশ্য কলাবিধৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনত উত্তৰপুৰুষৰ কৰণীয়ৰ বিষয়ে গৱেষণা পত্ৰখনিত বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰিবলৈ যত্ন কৰা হৈছে।●

***বীজ শব্দ** ঃ পৰিৱেশ্য কলা, পৰম্পৰা, সুকনান্নী, দাইনাপালি*

# পৰমানন্দ ৰাজবংশীৰ 'কমলা কুঁৱৰীৰ সাধু' নাটকত লোকনাট্যৰ উপাদান ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

**ড° ৰমেন মেধি,** মুৰব্বী অধ্যাপক,
অসমীয়া বিভাগ, গোৰেশ্বৰ মহাবিদ্যালয়

অসমৰ পৰম্পৰাগত লোক-নাট্যশৈলীৰ আধাৰত নাট ৰচনাৰে অসমৰ নাট্য জগতলৈ বিশেষ বৰঙণি যোগোৱা নাট্যকাৰসকলৰ ভিতৰত অৱসৰী অধ্যাপক, নাট্যকাৰ, বৰ্তমান অসম বিধান সভাৰ সদস্য পৰমানন্দ ৰাজবংশী অন্যতম। অসমৰ লোককলাক প্ৰধান উপজীব্য কৰি তেখেতে লিখি উলিয়াইছে 'নাঙল মাটি আৰু মানুহ', 'কমলা কুঁৱৰীৰ সাধু', 'চক্ৰবেহু', 'তিনিটা বান্দৰৰ সাধু', 'তেজীমলা', 'শকুন্তলা', 'জনক নন্দিনী', 'ফৰ্মুদ গৰীয়াৰ প্ৰেম গাথা', 'উজনী বামুণৰ প্ৰেম কাহিনী', 'সন্তৱানি'ৰ দৰে গুৰুত্বপূৰ্ণ বহু নাটক। 'নাঙল মাটি আৰু মানুহ', 'চক্ৰবেহু' নাটকত দৰঙৰ খুলীয়া ভাউৰীয়া, 'তেজীমলা' নাটকত গোৱালপাৰা অঞ্চলৰ কুশানগানৰ দৰে বিভিন্ন লোককলাৰ সমল দেখিবলৈ পোৱা গৈছে। দৰাচলতে তেওঁৰ নাটকত মাটিৰ গোন্ধে আমোলমোল কৰে বুলিলেও ভুল কোৱা নহ'ব। নাট্যকাৰগৰাকীয়ে মানুহৰ চিৰন্তন মৌলিক সমস্যাক প্ৰগতিশীল দৃষ্টিভংগীৰে চাবলৈ প্ৰয়াস কৰিছে। তেওঁৰ তেনেকুৱা লক্ষণাক্ৰান্ত নাট এখন হৈছে 'কমলা কুঁৱৰীৰ সাধু'।

ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো কমলা কুঁৱৰীৰ সাধুটো বিশেষৰূপে প্ৰচলিত। ঠাই বিশেষে কাহিনীটোৰ ৰূপান্তৰ দেখিবলৈ পোৱা গৈছে যদিও অসমীয়া লোক সাহিত্যৰ ভঁড়ালত ই এক বিশেষৰূপে স্থান লাভ কৰিছে। নাটখনত সামন্তযুগীয় ৰজাঘৰীয়া লোকৰ আত্মম্ভৰিতা-আধিপত্য, শোষণ, নাৰীক পণ্য সামগ্ৰীৰূপে ব্যৱহাৰ কৰা মানসিকতাৰ প্ৰতিফলন ঘটিছে। মৈযাল হৰিচন্দ্ৰৰ লগত কমলা কুঁৱৰীৰ প্ৰণয় থাকিলেও নিঃসন্তান দৰঙী ৰজাই ৰূপৱতী কমলাক দেখি বিয়া কৰাই লৈ যায় একমাত্ৰ ভৱিষ্যত বংশধৰ ৰক্ষাৰ বাবে।

কিন্তু তথাপিও কমলা কুঁৱৰীক লৈ ৰঙীণ সপোন দেখা দৰঙী ৰজাৰ মনোবাঞ্ছা পূৰণ নহ'ল। চন্দিকাই বুদ্ধি-কৌশল খটুৱাই মৈযাল হৰিচন্দ্ৰৰ লগত মিলন ঘটোৱাৰ ফলত কমলা কুঁৱৰী এদিন সগৰ্ভা হ'লেও আন ৰাজকুঁৱৰী



# দৰঙৰ পৰম্পৰাগত পৰিৱেশ্য কলা বিয়াহৰ ওজাপালি ঃ গতি আৰু প্ৰগতি

**ড° দুলেন্দ্ৰ নাথ,** সহকাৰী অধ্যাপক
বুৰঞ্জী বিভাগ, ছিপাঝাৰ মহাবিদ্যালয়

দৰঙৰ পৰম্পৰাগত লোক পৰিৱেশ্য কলাসমূহৰ অন্যতম ঐশ্বৰ্য্যশালী কলা হৈছে ব্যাস ওজাপালি বা বিয়াহৰ ওজাপালি। দূৰ অতীতৰে পৰা জনসাধাৰণৰ মাজত সমাদিত হৈ অহা আৰু বৰ্তমানে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত সমাদৰ লাভ কৰা দৰঙৰ ওজাপালি দুবিধ - সুকনানী ওজাপালি আৰু বিয়াহৰ ওজাপালি। প্ৰথমবিধ শক্তিপূজাৰ সৈতে জড়িত আৰু দ্বিতীয়বিধ বিষ্ণুপূজাৰ সৈতে সংপৃক্ত। সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰে সমৃদ্ধ দুয়োবিধ ওজাপালিয়েই অৰ্দ্ধ নাটকীয় অনুষ্ঠান। দৰঙৰ বিয়াহৰ ওজাপালি প্ৰাক্ শংকৰী যুগতে স্বকীয় বৈশিষ্টৰে সমৃদ্ধ হৈ ঠন ধৰি উঠিছিল আৰু দৰঙী ৰাজপৃষ্ঠপোষকতাত ইয়াৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটিছিল। মূলতঃ মহাভাৰত, ৰামায়ণ, পুৰাণ আদিৰ কাহিনীৰ আলমত গীত ৰচি বিয়াহৰ ওজাপালিয়ে বিষ্ণুপূজা, বাসুদেৱ পূজা, ৰাইজৰ সভা, গোন্ধচৌপৰী সভা, মৃতকৰ শ্ৰাদ্ধ আদি অনুষ্ঠানত গীত গায় আৰু নৃত্য প্ৰদৰ্শন কৰে।

বিয়াহৰ ওজাপালি হৈছে ওজা আৰু পালিৰ এক দলীয় অনুষ্ঠান। ওজাপালিৰ দলটোত সাধাৰণতে এজন ওজা আৰু চাৰিজন পালি থাকে। ওজাই গীত আৰু পদৰ আৰম্ভণি কৰে।পালিসকলে খুটিতাল বজাই তাত সহযোগ কৰে। প্ৰাক্শঙ্কৰী যুগতে বিশিষ্ট পৰিৱেশ্য কলা হিচাপে পৰিগণিত হোৱা দৰঙৰ ব্যাস সংগীত ৰাগ প্ৰধান। বিয়াহৰ ওজাপালি সংগীত ধাৰাত মাল্লৰ বা মালৰ, সাৰংগ, বৰাৰি, চালন, বসন্ত, ভৈৰৱী, ধনশ্ৰী আদি ৰাগ-ৰূপ পৰম্পৰাগতভাৱে প্ৰচলিত আছে। ভাৰতৰ খ্যাতনামা পণ্ডিতসকলে দৰঙী বিয়াহৰ ওজাপালিয়ে সাৰংগ ৰাগ শুদ্ধ ৰূপত পৰিৱেশন কৰা বুলি ভূয়সী প্ৰশংসা কৰিছে। বিশিষ্ট পোচাক-পৰিচ্ছদ পৰিহিত বিয়াহৰ ওজাপালিয়ে এক গুৰু গম্ভীৰ পৰিৱেশত অনুষ্ঠান পৰিৱেশন কৰে। বিয়াহৰ ওজাপালি অনুষ্ঠানত সুকীয়া গীত, পদ, নৃত্য আৰু বাদ্যৰ সমাহাৰত অৰ্দ্ধনাটকীয় হোৱা বাবে গঞা ৰাইজৰ ভক্তিভাৱৰ উদয় হোৱাৰ লগতে বৰকৈ আমোদ দিয়ে। আমাৰ এই আলোচনাৰ মূল উদ্দেশ্য হৈছে দৰঙৰ অতি জনপ্ৰিয় পৰিৱেশ্য কলা বিয়াহৰ ওজাপালিৰ গতি-প্ৰগতি বিচাৰ কৰা। ●

***বীজ শব্দ ঃ** বিয়াহ, সুকন্নানী, খুটিতাল*

# প্ৰাচীন অসমৰ লোক-পৰিৱেশ্য কলা 'ওজাপালি' ঃ পৰম্পৰা আৰু পৰিৱৰ্ধন

**বিদ্যুৎ দত্ত**, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ,
বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়
দূৰভাষ ঃ ৬০০২১২২৮১০

প্ৰাচীন অসমৰ লোক-পৰিৱেশ্য কলাসমূহৰ ভিতৰত ওজাপালি অন্যতম। ওজাপালিৰ প্ৰাচীনত্ব সম্পৰ্কত বিভিন্ন ধৰণৰ বিতৰ্ক আছে যদিও ই যে প্ৰাক্-শংকৰী যুগৰে পৰা প্ৰচলিত হৈ আহিছে সেই সম্পৰ্কত কোনো সন্দেহ নাই। ওজাপালি অনুষ্ঠানে জন্মৰ সময়ৰে পৰাই এচাম দৰ্শকক আমোদ প্ৰদান কৰি অহাৰ সমান্তৰালভাৱে অসমৰ সমাজ জীৱনকো সমৃদ্ধ কৰিছে। এইখিনিতে উল্লেখনীয় যে শংকৰদেৱে অংকীয়া নাট ৰচনাৰ ক্ষেত্ৰত যিবোৰ প্ৰাচীন লোকনাট্যানুষ্ঠানৰ দ্বাৰা প্ৰভাৱিত হোৱাৰ কথা অনুমান কৰা যায়, সেইবোৰৰ ভিতৰত ওজাপালি অনুষ্ঠান অন্যতম। এই ওজাপালি অনুষ্ঠান ঘাইকৈ অসমৰ কামৰূপ, দৰং আৰু গোৱালপাৰা অঞ্চলত প্ৰচলিত। এই লোক-পৰিৱেশ্য কলাবিধৰ সৈতে এজন 'ওজা' আৰু পাঁচ-ছয়জন 'পালি' জড়িত হৈ থাকে।

বিশেষ ধৰণৰ সাজ-পোছাক পৰিধান কৰি ওজাৰ সহায়ত পালিসকলে পৌৰাণিক আখ্যান সম্বলিত গীত-মাত পৰিৱেশন কৰে। গীত-মাতৰ সমান্তৰালভাৱে শিল্পীসকলে অভিনয় আৰু নৃত্যও পৰিৱেশন কৰে। এক দীৰ্ঘ সময় ধৰি অসমৰ সমাজ-সংস্কৃতিৰ ক্ষেত্ৰখনক প্ৰাণৱন্ত কৰি ৰখা এই লোক-পৰিৱেশ্য কলাবিধত সময়ৰ পৰিৱৰ্তনৰ স্বাক্ষৰো লক্ষ্য কৰা যায়। সেই পৰিৱৰ্তন কেতিয়াবা ইতিবাচক, আকৌ কেতিয়াবা নেতিবাচকো হ'ব পাৰে। ওজাপালিত এই দুয়োটা দিশেই লক্ষ্য কৰা যায়। প্ৰস্তাৱিত আলোচনা পত্ৰত ওজাপালি অনুষ্ঠানৰ ইতিহাস আৰু ইয়াৰ পৰিৱৰ্তন আৰু পৰিৱৰ্ধন সম্পৰ্কত এক বিস্তৃত পৰ্যালোচনা দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব। ●

***বীজ শব্দ ঃ*** *লোক-পৰিৱেশ্য কলা, লোকনাট্যানুষ্ঠান, ওজাপালি, পৰম্পৰা, পৰিৱৰ্ধন, পাঁচালি সাহিত্য ইত্যাদি*



# গোৱালপৰীয়া লোকগীতত নাৰী হৃদয়ৰ আত্মকথা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন

**ড° বন্দনা কলিতা**, সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
মহাত্মা গান্ধী মহাবিদ্যালয়, চলন্তাপাৰা, বঙাইগাঁও (অসম)
ভ্ৰাম্যভাষ ঃ ৬০০২৭৮১৭৭০

লোক সাহিত্যৰ অন্তৰ্গত লোকগীতসমূহ অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। লোকজীৱনৰ প্ৰাণৰ স্পন্দনেই হৈছে লোকগীত। সুখ-দুখ, হাঁহি-কান্দোন, প্ৰেম-বিৰহ জীৱনৰ শ্বাশ্বত অনুভৱবোৰ লোকগীতত বিৰাজমান। চহা অনাখৰী মানুহৰ মুখে মুখে প্ৰচলিত গীতসমূহেই হৈছে লোকগীত। এই লোকগীতবোৰত ৰচকৰ কোনো নিৰ্দিষ্ট নাম পোৱা নাযায়। সাধাৰণতে দৈনন্দিন কৰ্মৰাজিৰ মাজতেই সৃষ্টি হোৱা লোকাচাৰ আৰু লোকবিশ্বাসৰ ভেঁটিতে লোক সাহিত্যৰ জন্ম হয়। লোক সাহিত্যৰ অন্তৰ্গত লোকগীতসমূহেও অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি আহিছে। লোকগীতবোৰতেই নিহিত হৈ থাকে মানুহে জন্মৰ পৰা মৃত্যুলৈকে পালন কৰি অহা কিছুমান ৰীতি-নীতি। মানুহৰ জীৱন-জীৱিকা, ৰুচি-অভিৰুচি, কামনা-বাসনা, আশা-আকাংক্ষা, হৰ্ষ-বিষাদ আদি অতি সুন্দৰকৈ প্ৰতীয়মান হয় এটা জাতিৰ জাতীয় সত্ত্বাৰ গীতবোৰৰ মাজত। নামনি অসমৰ উপভাষাক যি দুটা বহল উপভাষাত ভগোৱা হৈছে সেয়া হ'ল — গোৱালপৰীয়া উপভাষা আৰু কামৰূপী উপভাষা। প্ৰকৃততে গোৱালপৰীয়া উপভাষা বুলি ক'লে পূৰ্বৰ অবিভক্ত গোৱালপাৰা জিলাখনৰ কথাকে কোৱা হয়। গোৱালপৰীয়া লোকগীতসমূহ অসমীয়া লোক সাহিত্যৰ পথাৰখনত এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। অনাড়ম্বৰ সৰল ভাষা, ঘৰুৱা চিত্ৰ, আঞ্চলিক প্ৰকাশভঙ্গী, ভাৱৰ মুকলি প্ৰকাশ, সৰল বিশ্বাস লোকগীতবোৰত বিদ্যমান।

"গোৱালপৰীয়া লোকগীতত নাৰী হৃদয়ৰ আত্মকথা ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন" এই বিষয়টোক মূল বিষয় হিচাপে লৈ আলোচনা কৰিবলৈ যত্ন কৰা হৈছে। গোৱালপৰীয়া লোকগীতবোৰৰ মাজত কেনেদৰে নাৰী মনৰ আত্মকথা প্ৰতিফলিত হৈছে সেই বিষয়ে আলোচনা কৰাটোৱে হ'ব আমাৰ গৱেষণাৰ মূল উদ্দেশ্য।●

***মূল শব্দ (Key Words) ঃ*** *নাৰী, সমাজ, জীৱন, প্ৰেম*

# দৰঙৰ ঢেপাঢুলীয়া কৃষ্টিৰ এক বিশ্লেষণাত্মক অধ্যয়ন

ড° নিৰ্মালি চক্ৰৱৰ্তী
গ্ৰন্থাগাৰিক
ছিপাঝাৰ মহাবিদ্যালয়

লৱ কুমাৰ
অংশকালীন সহকাৰী অধ্যাপক
ছিপাঝাৰ মহাবিদ্যালয়

অবিভক্ত দৰং জিলাত স্মৰণাতীত কালৰে পৰা প্ৰচলন হৈ অহা বিভিন্ন কলাকৃষ্টিৰ ভিতৰত ঢেপাঢুলীয়া কৃষ্টি বিশেষভাৱে উল্লেখযোগ্য কিয়নো এই বিধ কৃষ্টিৰ প্ৰচলন আন ঠাইত সচৰাচৰ দেখা নাযায়। দৰঙীয়া লোকৰ বিৱাহ উৎসৱ বা চূড়াকৰণ, উপনয়ন, দুৰ্গাপূজা, লক্ষ্মী পূজাকে আদি কৰি সভা-সমিতিৰ অতিথি আদৰা পৰ্ব পৰ্যন্ত ঢেপাঢুলীয়াক আমন্ত্ৰণ জনোৱা হয়। যদিওবা ঢেপাঢুলীয়া দলত সদস্যৰ সংখ্যা নিৰ্দিষ্ট নহয়, পৰম্পৰা অনুসৰি যুৰীয়া সংখ্যক সদস্যই হে অনুষ্ঠান এটা পৰিৱেশন কৰিব পাৰে।

এই অধ্যয়নৰ মূল উদ্দেশ্য হৈছে ঢেপাঢুলীয়া কৃষ্টিক নৱ-প্ৰজন্মৰ মাজত পৰিচয় কৰাই দিয়া। অধ্যয়নটোৰ বাবে দৰঙৰ প্ৰবীণ ঢেপাঢুলীয়া শিল্পী 'লুইত গৌৰৱ বঁটা' প্ৰাপক শ্ৰীবিপিন চন্দ্ৰ ডেকাক ২০২২ বৰ্ষৰ অক্টোবৰ মাহত তিনিবাৰ মুখামুখী সাক্ষাৎকাৰ লোৱা হৈছিল আৰু ইয়াৰ পৰা পোৱা তথ্যৰ ওপৰত ভিত্তি কৰিয়েই এই লিখনিটো প্ৰস্তুত কৰা হৈছে। অধ্যয়নটোৱে স্পষ্ট কৰিছে যে ঢেপাঢুলীয়া কলাকৃষ্টি বৰ্তমান সংকটৰ গৰাহত। এই কৃষ্টিটো জীয়াই ৰাখিবলৈ ৰজাঘৰীয়া আৰু প্ৰজাঘৰীয়াৰ যথেষ্ট কৰণীয় আছে।●

***বীজ শব্দ ঃ*** *দৰঙীয়া কৃষ্টি, ঢেপাঢুলীয়া, পৰ্ব*



কেইজনীৰ ঈৰ্ষাৰ বলি হৈছিল। নিঃসহায়-অবলা কমলাৰ কৰুণ জীৱনৰ মৰ্মন্তুদ বেদনা প্ৰকাশক নাটখনিৰ বিষয়বস্তু আগবঢ়াই নিওঁতে অসমৰ পৰম্পৰাগত লোকগীত, লোকনৃত্য আৰু অৰ্ধ নাটকীয় লোক নাট্যানুষ্ঠানৰ সমাহাৰ ঘটাইছে। স্বীকাৰ্য যে দৰঙৰ নাগাৰা নাম, চেও চাপৰি নাম, গোৱালপৰীয়া নৃত্য, আইনাম, বিয়ানামৰ মাধ্যমেৰে নাট্য কাহিনীভাগ আগবঢ়াই নিছে। লগে লগে ইয়াৰ লগত সংগত হৈছে লোকবাদ্য নাগাৰা, তাল, দোঁতৰা ইত্যাদি। লোকসংস্কৃতিৰ স্বৰূপ প্ৰকাশ, লোককলাৰ আৰ্হিত নাট্যকাৰে কি সম্পৰীক্ষাৰে নাটখন ৰচনা কৰিছে, আমাৰ গৱেষণা-পত্ৰখনত এইবোৰ সম্পৰ্কে আলোকপাত কৰা হ'ব।●

***বীজ শব্দ ঃ*** *লোক পৰিৱেশ্য কলা, লোক নাট্যানুষ্ঠান, নাৰী-এক পণ্য সামগ্ৰী, নাৰী-শত্ৰুতা*

---

# ওজাপালি লোক-কৃষ্টিত বিশ্বায়নৰ প্ৰভাৱ

ড° মিতালী নাথ
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
জে.ডি.এচ.জি. মহাবিদ্যালয়, বোকাখাত

অসমৰ অতি প্ৰাচীন লোক-কৃষ্টিৰ ভিতৰত অন্যতম এটি লোক-কৃষ্টি হৈছে- ওজাপালি অনুষ্ঠান। মাৰ্গীয় সংগীত পৰম্পৰাৰ বাহক স্বৰূপে আৱহমান কালৰে পৰা প্ৰবাহিত হৈ অহা এই অনুষ্ঠানৰ সৃষ্টি সম্পৰ্কে বিভিন্ন জনশ্ৰুতি পোৱা যায়। পূজা-পাতল তথা ধৰ্মীয় ক্ৰিয়া-কাণ্ডৰ লগত জড়িত এই অনুষ্ঠানৰ এক স্বকীয় বিশেষত্ব আছে।

অৱশ্যে বিশ্বায়নৰ প্ৰভাৱত এই লোক-নাট্যধৰ্মী অনুষ্ঠানত সততে কিছু কিছু পৰিৱৰ্তন চকুত পৰে। আমাৰ এই আলোচনা পত্ৰত ওজাপালি অনুষ্ঠানৰ বিভিন্ন উপাদান, পৰিৱেশন শৈলী, ওজাপালিৰ সাজ-পাৰত বিশ্বায়নৰ প্ৰভাৱ, এই অনুষ্ঠানৰ প্ৰচাৰ আৰু প্ৰসাৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান আৰু সমাধান সম্পৰ্কে আলোচনা কৰা হ'ব। বৰ্ণনাত্মক পদ্ধতিৰে ৰচনা কৰা এই পত্ৰত মুখ্য উৎস হিচাপে বিভিন্ন সংবাদ দাতাৰ পৰা গ্ৰহণ কৰা তথ্য আৰু গৌণ উৎস হিচাপে বিভিন্ন প্ৰসংগপুথিৰ সহায় লোৱা হ'ব।●

***বীজ শব্দ ঃ*** *ওজাপালি, পৰম্পৰা, পৰিৱৰ্তন, বিশ্বায়ন*

# নামনি অসমৰ সাংগীতিক লোককৃষ্টি (বজালী জিলাৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ আধাৰত) ঃ এক অধ্যয়ন

**ড° হিৰুমনি কলিতা,** সহকাৰী অধ্যাপিকা,
অসমীয়া বিভাগ, বঙাইগাও মহাবিদ্যালয়

**পৰিণীতা বড়ি,** গৱেষিকা,
অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

হিৰন্ময় ভূমি অসমৰ সদ্যঘোষিত বজালী জিলা বৰ্ণাঢ্য লোককৃষ্টি কলাৰ এক উৰ্বৰা সাংস্কৃতিক ক্ষেত্ৰ। ইয়াৰ উত্তৰে ভূটান ৰাজ্য, পূবে বাক্সা, নমাটি আৰু বৰভাগ মৌজা, পশ্চিমে ভৱানীপুৰ আৰু গোবৰ্দ্ধনা মৌজা আৰু দক্ষিণে পাকা মৌজাৰ মধ্যৱৰ্ত্তী প্ৰায় ৬২০ বৰ্গ কিলোমিটাৰ বিস্তৃত এই ভূমিখণ্ডই হ'ল বজালী।

প্ৰায় ৬০০ বছৰৰ ঐতিহাসিক ঐতিহ্য বহন কৰা বজালী জিলাখনে বিভিন্ন সময়ত ভিন ভিন নামেৰে পৰিচিতি লাভ কৰি আহিছে। এটা সময়ত এই ভূমিখণ্ডক 'বজালী চাকলা' হিচাপে জনা গৈছিল। পৰৱৰ্তী কালত 'বজালী পৰগণা', 'বজালী তহচিল', 'বজালী চাৰ্কোল' আদি নামেৰে পৰিচিত ভূমিখণ্ডই বজালী মহকুমা হিচাপে স্বীকৃতি লাভ কৰাৰ পিছত সম্প্ৰতি বজালী জিলাৰ মৰ্যাদা লাভ কৰিছে। প্ৰায় ২৫৭ খন গাঁও আৰু এখন নগৰেৰে বজালী জিলাই বৰ্ণাঢ্য লোককৃষ্টি কলাৰে অসমত এখন অনিন্দ্য সুন্দৰ উৰ্বৰা ভূমি হিচাপে প্ৰতিপন্ন হৈছে। এই বজালী জিলাৰ গাঁৱে-ভূঞে পৰম্পৰাগতভাৱে বিভিন্ন লোক সংগীতৰ প্ৰয়োগ হৈ আহিছে। এই গীতসমূহৰ এক সুকীয়া মৰ্যাদা আছে। এই গৱেষণা পত্ৰত নামনি অসমৰ বজালী জিলাত প্ৰচলিত ভিন্ন লোক-সংগীতসমূহৰ এক বিশ্লেষণ দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।●

***সূচক শব্দ ঃ*** *বজালী, লোককৃষ্টি, গীত, কলা, সংস্কৃতি আদি*



# উজনি অসমৰ টকা বিহু

**ধৰিত্ৰী হাজৰিকা**
গৱেষক ছাত্ৰী
কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

লোক-সংস্কৃতি এক নিৰৱছিন্ন প্ৰবাহধাৰা, ই এক জীৱন্ত পৰম্পৰা। এখন ঠাইৰ বিভিন্ন অধিবাসীসকলৰ মাজত প্ৰচলিত ধৰ্ম, ৰীতি -নীতি, গীত-পদ, নৃত্য, বাদ্যৰ সমন্বয়ত লোক-সংস্কৃতিয়ে গঢ় লৈ উঠে। লোক-সংস্কৃতিৰ চাৰিটা থূল হৈছে— লোক-সাহিত্য, লোকাচাৰ, ভৌতিক কলা আৰু লোক পৰিৱেশ্য কলা। এই চাৰি থূলৰ ভিতৰত পৰিৱেশ্য কলা সাধাৰণতে বিশেষ আকৰ্ষণীয় বিষয়। ই লোক-সংস্কৃতিৰ দৃশ্যমান দিশ। অসমৰ লোক-পৰিৱেশ্য কলাই নৃত্য, গীত আৰু নাটক এই তিনিও দিশ সামৰি লয়। প্ৰাচীন অসমৰ ওজাপালি, পুতলা নাচ, কুশান গান, ভাৰী গান আদি অনুষ্ঠানে লোক-পৰিৱেশ্য কলাৰ অংগ হিচাপে লোকসমাজত ধৰ্মীয় শিক্ষাৰ লগত নৈতিক শিক্ষাৰো প্ৰসাৰ কৰিছে।

অসমৰ লোকসমাজ তথা কৃষিৰ সৈতে জড়িত মূল উৎসৱ হৈছে বিহু। লোকবাদ্য, লোকনৃত্যৰ সৈতে অংগাগীভাৱে জড়িত হৈ থকা বিহুৱে পৰম্পৰাগত অসমৰ জীৱন প্ৰণালীক আত্ম প্ৰকাশ কৰিছে। বিহু, বিশেষকৈ বহাগ বিহুৰ সৈতে সাঙুৰ খাই থাকে বিভিন্ন লোকবাদ্যৰ ব্যৱহাৰ। এই লোকবাদ্যৰ সৈতে সংগতি ৰাখি বিহুৰ এক বাহ্যিক কলা হৈছে 'টকা বিহু'। অসমৰ গাঁৱে-ভূঞে অতি সহজে উপলব্ধ বাঁহেৰে তৈয়াৰী টকা হৈছে বিহুৰ অপৰিহাৰ্য অংগ। এই বাদ্যক কেন্দ্ৰ কৰি হোৱা এক জনসৃষ্টি হৈছে 'টকাবিহু'। প্ৰায় আহোমসকলৰ সময়ৰ পৰা চলি অহা অসমৰ 'টকাবিহু' বিট্ৰিছৰ সময়ছোৱাত প্ৰায় বিলুপ্তি পথত অতিক্ৰম কৰিছিল। তাৰ পৰৱৰ্তী কালত পুনৰ জী উঠে যদিও মঞ্চ সংস্কৃতি আৰু কেছেটে এই টকা বিহুৰ পুৰণি পৰম্পৰাক বিকৃতি কৰিছে। এনে সংকটৰ সময়তে ঢকুৱাখানাৰ ফাঁট বিহুৰ দৰে অনুষ্ঠানে টকাবিহুক লগতে অসমৰ বিহুৰ পৰম্পৰাক পুনৰ সজীৱ কৰিছে। এই অনুষ্ঠানসমূহৰ লগতে সাহিত্য-সংস্কৃতিৰ অধ্যয়নৰ বিষয় হিচাপে টকাবিহুৰ চৰ্চা আৰু ইয়াৰ ব্যাপক পৰিৱেশনে টকাবিহুৰ পৰম্পৰাক চিৰ সজীৱ কৰি ৰাখিব। প্ৰস্তাৱিত গৱেষণাপত্ৰত লোক-পৰিৱেশ্য কলাৰ অংগ হিচাপে 'টকাবিহু'ৰ তাৎপৰ্য বিচাৰ আৰু সমাজৰ পৰিপ্ৰেক্ষিতত ইয়াৰ পৰিৱৰ্তন সম্পৰ্কত আলোচনা দাঙি ধৰা হ'ব।●

# IMPACT OF FOLKTALES IN MORAL DEVELOPMENT OF CHILDREN: Special reference to Assamese folktales from “Burhi Aair Sadhu” by Lakshminath Bezbaroa.

**Hiranmoyee Medhi**
Assistant Professor, Department of Education
Deomornoi Degree College , Darrang, Assam.
Email id: medhihiya33@gmail.com

Development is an emerging and expanding capacity of an individual. Children learn various activities and qualities from the entire environment. From home, school, or society they acquire knowledge and skills, on the basis of which they can shape their personality. They acquire most of basic knowledge from folk culture. Assamese literature is very rich in folk studies. Folktales are the important part of every culture. It is basically oral, fictional and develops in home environment. It fills with moral, social and other cultural values and instructions for children. Folktales help child’s development, especially moral, emotional, intellectual, social, cultural and even friendly living and environmental consciousness.

Now a day, morality is badly affected by different conditions. The Great Assamese Literate and personality, Lakshminath Bezbaroa, had collected, compiled and added a few stories in Burhi Aair Sadhu. These stories based on folk lives and style of living of Assamese people. These stories provide a great impact on moral development of children. The investigator is attempted to carry out a study on the role of folktales included in Burhi Aair Sadhu on child’s moral development. A discussion method with secondary data was followed to this study.●

***Key words** : Folktales, Education, moral development.*



# বড়ো জনজাতিৰ পৰিৱেশ্য কলা হিচাপে খেৰাই নৃত্য

**ড° জ্যোতিমা দেৱীপ্ৰ** সহকাৰী অধ্যাপিকা,
খৈৰাবাৰী মহাবিদ্যালয়, খৈৰাবাৰী

বড়োসকল অসমৰ প্ৰাচীনতম বুৰঞ্জী প্ৰসিদ্ধ সৰ্ববৃহৎ জনগোষ্ঠী। তেওঁলোক বৃহত্তৰ মংগোলীয় প্ৰজাতিৰ অন্তৰ্গত আৰু ভাষাৰ ফালৰ পৰা তিৰ্ব্বতৰ্মী ভাষা। বড়োভাষী লোকক লৈয়ে বড়ো সমাজ আৰু বড়ো জাতি গঢ়ি উঠিছে। ইতিহাসে ঢুকি নোপোৱা সময়ৰ পৰা ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত অন্যান্য মংগোলীয় গোষ্ঠীৰ লোক সমন্বিতে আৰ্যসকলৰ আগমনৰ পিছত আৰ্য-অনাৰ্যৰ সংমিশ্ৰণত মানৱ সভ্যতাৰ পাতনি মেলি সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনধাৰাৰ অংশীদাৰ হৈ পৰিছে।

অসমৰ ভূমিপুত্ৰ বড়োসকলৰ ধৰ্মীয় উৎসৱসমূহৰ ভিতৰত খেৰাই পূজা আৰু গাৰ্জা পূজা আটাইতকৈ বিশেষত্বপূৰ্ণ পৰম্পৰাগত ধৰ্মীয় অনুষ্ঠান । খেৰাই মূলতঃ কৃষিভিত্তিক অনুষ্ঠান যদিও ইয়াক বড়োসকলৰ ধৰ্মীয় বিশ্বাসৰ আধাৰত গঢ় লৈ উঠা এক প্ৰকাৰৰ ধৰ্মীয় উৎসৱ বুলিও ক'ব পাৰি। খেৰাই উৎসৱক কেন্দ্ৰ কৰি পৰম্পৰাগত বাথৌ ধৰ্মাৱলম্বী বড়োসকলে উৎসৱমুখৰ পৰিৱেশত বাথৌ ব্ৰাই আৰু আন আন দেৱ-দেৱীক স্তুতি কৰি পূজা আগবঢ়ায়। বড়োসকলৰ স্বকীয় জাতীয় জীৱনক বাঙ্ময় কৰি তোলা প্ৰধান উৎসৱটিয়েই হৈছে খেৰাই। সেয়েহে ক'ব পাৰি খেৰাই মূলত বড়ো-কছাৰীসকলৰ জাতীয় উৎসৱ। এই উৎসৱৰ নীতি-নিয়ম, কৰ্ম-পদ্ধতি লোকবিশ্বাস প্ৰভৃতিৰ জৰিয়তে সঁচা অৰ্থত বড়ো-কছাৰীসকলৰ জাতীয় জীৱনৰ পূৰ্ণাঙ্গ অনুভূতি, তেওঁলোকৰ পূৰ্বপুৰুষৰ শৌৰ্য-বীৰ্যৰ জীৱন্ত ইতিহাস আৰু ব্যক্তি জীৱনৰ পৰা আৰম্ভ কৰি সমাজ জীৱনৰ সকলোৰে কুশল-মঙ্গল কামনাৰ মূৰ্ত ৰূপ। যাৰ বাবে খেৰাই হৈ পৰিছে বড়ো-কছাৰীসকলৰ সাংস্কৃতিক জীৱনৰ এপাহি সুগন্ধি পুষ্পস্বৰূপ। এই উৎসৱৰ মাজতেই বড়োসকলৰ চিন্তা-চৰ্চা তথা ভাৱধাৰাৰ জীৱন্ত পাঠ সংৰক্ষিত হৈ আছে। ই হৈছে মূলতঃ প্ৰজনন আৰু উৰ্বৰাৰ প্ৰতীকস্বৰূপ।●

# মিচিং লোকগীত (ঐনিতম) আৰু ইয়াত প্ৰতিফলিত সামাজিক চিত্ৰণ ঃ এক আলোচনা

**পাইনচুমি কোঁৱৰ**
উত্তৰ-পূৰ ভাৰত অধ্যয়ন কেন্দ্ৰ
গুৱাহাটী বিশ্ববিদ্যালয়

উত্তৰ-পূৰ ভাৰতৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভিতৰত অন্যতম এক বৃহৎ জনগোষ্ঠী হৈছে মিচিংসকল। মিচিং সংস্কৃতি মূলতঃ মংগোলীয় সংস্কৃতি যদিও সুদীৰ্ঘকাল অসমৰ আৰ্য, অষ্ট্ৰিক, দ্ৰাবিড় আদি বিভিন্ন লোকৰ সৈতে সহাৱস্থান কৰাৰ ফলত তেওঁলোকৰ সাংস্কৃতিক ৰূপতো প্ৰভাৱ পৰিছে। পৃথিৱীৰ ভিন ভিন দেশৰ ভিন ভিন সমাজৰ জনগোষ্ঠীসকলৰ মাজত নানা বাৰেবৰণীয়া লোক উৎসৱ, অনুষ্ঠান তথা ধ্যান ধাৰণা আছে।

সেইদৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰ্বত-ভৈয়ামৰ বিভিন্ন জনগোষ্ঠীসমূহৰো নিজা নিজা পৰম্পৰা তথা লোক বৈচিত্ৰ্য আছে। এই ক্ষেত্ৰত মিচিংসকলো ব্যতিক্ৰম নহয়। এওঁলোক অসমীয়া জাতি, অসমীয়া সমাজ, অসমীয়া ৰীতি-নীতি আৰু অসমীয়া ভাষা, সাহিত্য সংস্কৃতিৰ এক অবিচ্ছেদ্য অংগ। এই মিচিং জনগোষ্ঠীৰে পৰম্পৰাগত এক লোকগীত হৈছে 'ঐনিতম'। যি মিচিংসকলৰ এক প্ৰমূখ লোকগীত শৈলী হিচাপে বিবেচিত হৈছে। এই ঐনিতমসমূহত সাধাৰণতে প্ৰেমৰ ভাৱ পৰিস্ফুট হয় যদিও এই গীতসমূহত সামাজিক দিশসমূহো জড়িত হৈ থাকে। সেয়ে "মিচিং লোকগীত (ঐনিতম) আৰু ইয়াত প্ৰতিফলিত সামাজিক চিত্ৰণ ঃ এক আলোচনা" এই আলোচনা পত্ৰখনিৰ জৰিয়তে ঐনিতমৰ সৈতে জড়িত সামাজিক চিত্ৰণৰ দিশসমূহৰ বিষয়ে আলোচনা কৰিবলৈ যত্ন কৰা হ'ব। ●



# দৰঙৰ নাগৰা নাম ঃ এক চমু আলোচনা

**তৃষ্ণা মণি দেৱী**
সহকাৰী অধ্যাপিকা, (অংশকালীন)
অসমীয়া বিভাগ, ছিপাঝাৰ মহাবিদ্যালয়
Email- tdevi2467@gmail.com
Phone No - 6002881388

সংস্কৃতি মানৱ সমাজৰ সৈতে জড়িত এটি সামাজিক ধাৰণা। সংস্কৃতিয়ে জ্ঞান, অভিজ্ঞতা, ৰুচি-অভিৰুচি, বিশ্বাস, আচাৰ, ৰীতি-নীতি, আইন আদিৰ জৰিয়তে মানুহৰ সামগ্ৰিক জীৱন চৰ্চাক সামৰি লয়। প্ৰকৃতিৰ লীলাভূমি অসম দেশৰ অসমীয়া জনসাধাৰণৰ মাজত বহুতো সংস্কৃতি আৱদ্ধ হৈ আছে।

অসমৰ লোক সংস্কৃতিত দৰঙৰ স্বকীয় স্থান আছে। বিশেষকৈ দৰঙৰ লোক পৰিৱেশ্য কলাসমূহে অসমৰ সাংস্কৃতিক জগতলৈ এক স্বকীয় বৈশিষ্ট্য প্ৰদান কৰি আহিছে। তেনে এক লোক পৰিৱেশ্য কলা হৈছে "দৰঙৰ নাগাৰা নাম"।

দৰঙৰ নাগাৰা নাম এক জনপ্ৰিয় অনুষ্ঠান। ইয়াত বাদ্যযন্ত্ৰ হিচাপে নাগাৰা, কেবাযোৰো ভোৰতাল ব্যৱহাৰ কৰা হয়। নাগাৰাক প্ৰধান বাদ্য হিচাপে গণ্য কৰা হয় বাবেই নাগাৰা নাম ৰূপে জনা যায়। ইয়াত এগৰাকী ওজা বা পাঠক থাকে। নাগাৰা বজোৱা লোকজনক নাগৰু, ভোৰতাল বজোৱা লোকসকলক তালুৱৈ আৰু বাকীসকলক পালি বোলে।

আমাৰ আলোচনা পত্ৰখনত দৰঙৰ পৰম্পৰাগত সংস্কৃতি নাগাৰা নামৰ এক চমু আলোচনা দাঙি ধৰিবলৈ যত্ন কৰা হ'ব। মূলত বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰে অধ্যয়নৰ পদ্ধতি অৱলম্বণ কৰি প্ৰস্তাৱিত বিষয়টি আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ব।●

***বীজ শব্দ** ঃ নাগাৰা, নাগৰু, তালুৱৈ, পাঠক, পালি*

# Title: Bihu: Reflection on Its Evolution

**Dr. Manash Jyoti Deka**
Asstt. Prof., Sipajhar College

The sublime element of Bihu dance which is often seen towards the end of its performance in the form of an ecstasy, when the *faculties* engage in a tremendous competition of asserting their own power amongst themselves, writes a tempest inside the subjectivity.This can be established with every individual dancer's unique stance leading eventually to a unification of the dance as a whole. It is *as if* the*subjective transcendental ideal* eventually finds the form of*objective empirical real* that agrees with everybody for the sake of a social. (Doesn't the event of surreptitious elope by a couple from the dancing *spatiality* and *temporality* indicate the romantic *not-all* formula of Kant that also relaxes the formal hegemony of the ethical?).All these can be envisaged only when we see that the self-inaugurated nomadic *Dionysiac* Bihu subjectivity however cannot remain in the storm, it has to find an *Apolline* order of (social) introduction as a folk culture. Thus the tempest turns the subjectivity towards a normative of social, filling in with an identity, as if the *night-of-the-world* remains no more empty,after it got translated into a so-called Assamese-ness.And, since any identity is firsta reaction, and then a retroaction, Bihu must go through a kind of *sublation* too.This may be justified, if only Bihu is seen as a*Real Symbolic* that captures as well as *sutures* an Assamese *Imaginary* in the time of Capitalism. Not to be a mere product of market, to survive, Bihu then has to find its *difference without concept* somehow, barring any anamorphic projection promoted by the bourgeoisie that dilutes a cultural identity. Can Bihu as a dance then find and celebrate its true metaphor and metonymy?●

***Key words****: Bihu, Kant, Hegel, Nietzsche, Lacan, Deleuze*



# Role of social media in promoting folk performing arts of Assam

**Armina Ashrofi**
Ph.D Research Scholar
Department of Folklore Research
Gauhati University

This research focuses on how social media popularizes folk performing arts of Assam. In today's ever-growing world of technology, social media gives usopportunity to connect with millions of people across the globe.Time and again, social media has preserved and promoted the cultures and traditions of a community. Social media made it possible for many to share their folk performances through its various platforms, such as Facebook, YouTube, Instagram, tweeter etc.

It is essential for performers to develop a strong online presence. Uploading content and performances in the internet can allow more public to access the performance and get a chance to learn about the folk tradition of a place. The main intention of this research is to study the role social media plays in promoting folk performances of Assam and this paper will analyse some social media tools that are engaged in promoting folk performing arts of Assam.●

***Key words****: Social media, Folk performing arts, Assam*

# ডিমৰীয়া অঞ্চলৰ ‘লালি লাং’ নৃত্যগীত পৰম্পৰা আৰু পৰিৱৰ্তন ঃ এক বিশ্লেষণাত্মক

**ৰুমি দলৈ**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ
সোণাপুৰ মহাবিদ্যালয়

**ধীৰেশ্বৰ দাস**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ
সোণাপুৰ মহাবিদ্যালয়

অসমৰ কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত জনজাতীয় অধ্যুষিতএক অঞ্চল হৈছে ডিমৰীয়া। প্ৰৱাহমান কালৰে পৰা ডিমৰীয়া অঞ্চলত কাৰ্বি, তিৱা, বড়ো, ৰাভা, গাৰো, কোচ, চাহ জনগোষ্ঠীৰ উপৰি কলিতা, ব্ৰাহ্মণ, মুছলমানসকলে স্বকীয় ভাষা-সংস্কৃতিৰে সৈতে বসবাস কৰি আছে। অঞ্চলটোৰ বৈচিত্ৰ্যময় জাতিগঠন প্ৰক্ৰিয়া, বৈশিষ্ট্যপূৰ্ণ ভাষা-সংস্কৃতিয়ে ইয়াৰ চহকী স্বৰূপৰ সাক্ষ্য বহন কৰে। মাঘ বিহু ডিমৰীয়াৰ অধিবাসীসকলে উলহ-মালহেৰে পালন কৰে। মাঘ বিহুৰ এক অবিচ্ছেদ্য অংগ হৈছে সমূহীয়া মাছ মাৰা অনুষ্ঠান। ই এক ৰজাদিনীয়া ঐতিহ্যমণ্ডিত ডিমৰীয়া অঞ্চলৰ পৰম্পৰা।

ৰজাদিনীয়া কালৰে পৰা প্ৰতিবছৰে ডিমৰীয়াবাসী ৰাইজে ঢোলবজাই, কালি বজাই লালি লাং গীত গাই বাদ্যৰ ছেৱে ছেৱে লালি লাং নৃত্য কৰি ডিমৰীয়াৰ ৰজাক সসন্মানে জালি সৰা বিললৈ আদৰি আনে। হাতত জাকৈ, খালৈ, কান্ধত পল, জাল, জুলুকি লৈ কৰা এই লালি লাং নৃত্য অতি আকৰ্ষণীয়। পাৰত বিভিন্ন মাছ ধৰা সঁজুলিৰে অজস্ৰ ৰাইজে সমবেত হৈ আনন্দ উলাহেৰে মাছ মাৰিবলৈ অপেক্ষাত ৰৈ থাকে। ডিমৰীয়া ৰজাই জালি সৰা বিলত নামি এবঁটা তামোল পাণেৰে বিলৰ দেৱতাক সেৱা আগবঢ়াই আনুষ্ঠানিকভাৱে বিলত মাছ মাৰা কাৰ্যসূচীৰ শুভ আৰম্ভণি কৰে। পাৰত থকা সকলে হৰি ধ্বনি দিয়ে। তাৰ লগে লগে বাজি উঠা বাদ্য, লালি লাং নৃত্য-গীতে জালি সৰা বিলৰ চৌদিশ মুখৰিত কৰি তোলে। লালি লাং নৃত্য-গীত ডিমৰীয়া অঞ্চলৰ সমন্বয় সম্প্ৰতিৰ অটুট ৰখাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আছে।

পৰিৱেশ্য কলা হিচাপেও লালি লাং নৃত্য-গীতৰ একসুকীয়া বিশেষত্ব আছে। গীতবোৰৰ মাজেৰে প্ৰতিফলিত সমাজ জীৱনৰ চিত্ৰণেও গীতবোৰক প্ৰদান কৰিছে অন্যতম মাত্ৰা। সাম্প্ৰতিক সময়ত মাঘ বিহুৰ মাছ মৰা আৰু ভেলাঘৰ পহৰা দিয়াৰ সময়ত কৰা নৃত্য - গীতে মঞ্চত প্ৰবেশ কৰাৰ লগে লগে ইয়াৰ নৃত্য ভংগীমা, গীতৰ সুৰ-লয়ৰ ক্ষেত্ৰত পৰিৱৰ্তন সাধিত হৈছে ।

সেয়ে বিদ্যায়তনিক দিশত লালি লাং নৃত্য-গীত সম্পৰ্কে আলোচনাৰ যথেষ্ট থল আছে, প্ৰয়োজনীয়তা আছে। বিশ্লেষণাত্মক পদ্ধতিৰ আলমত প্ৰস্তুত কৰিবলগীয়া আমাৰ এই আলোচনা পত্ৰখনত ডিমৰীয়া অঞ্চলৰ সমাজ-সংস্কৃতিত লালি লাং নৃত্য-গীতৰ ভূমিকা সম্পৰ্কে আলোচনাৰ প্ৰয়াস কৰা হ’ব। সাম্প্ৰতিক সময়ৰ প্ৰেক্ষাপটত ৰজাদিনীয়া ঐতিহ্যমণ্ডিত লালি লাং নৃত্য-গীতৰ অৱস্থিতি, প্ৰয়োজনীয়তা, প্ৰাসংগিকতা আদি বিচাৰ বিশ্লেষণো আমাৰ আলোচনা পত্ৰখনৰ অন্যতম মুখ্য উদ্দেশ্য।●

***বীজ শব্দ** ঃ লালি লাং, ৰজাদিনীয়া, মাছমাৰা, জালিসৰা বিল, এনাজৰী*

---

# A brief overview of Manasa Puja and associated Performing Arts in the Pacharia Region

**Aligunjana Sarma**
Research Scholar
Gauhati University

**Himanta Biswa Choudhury**
Assistant Teacher
under DEE

Pacharia is a populous village in the Kamrup Rural district, Assam. It is situated at a distance of few kilometres from the city of Guwahati. According to the legend, Manasa Puja has been celebrated in Pacharia since ancient times. Manasa is the Goddess of snakes. It is believed that the worship of Manasa will remove the fear of snakes and protect them from evil. Some folk performing arts are also associated with the Mansa Puja in Pacharia. Devadhvani Nritya, Dhuliya- Kaliya, Ojapali, Nam are some of the inseparable parts of Manasa Puja in Pacharia. In this paper, a detailed study on these performing arts will be highlighted.●

***Key words**: Manasa Puja, Performing Arts, Devadhvani Nritya, Dhuliya- Kaliya, Ojapali, Nam.*

# Importance of Performing Arts in Education

**Trishna Das**
Assistant Professor, Dept. of Education
K.B.R.D College, Orang, Udalguri
Ph: 9854340942

The performing arts are those arts which are performed for an audience. Such as music , dance and drama. Today performing arts trends to include a wide range of specialism including acting , dance, voice , physical theatre , music theatre , sound design and digital video. Performing arts being an integral part of education provide students with the opportunity to engage the mind , the body and emotion. Each discipline of music , dance and drama engage a child brain , body and emotions in different ways to encourage their confidence and find joy in self expression. So also through performing arts students can explore and express great themes and ideas through their performance.

Through this paper the investigator tries to show that how a child develop their communication skills , acting skills, articulation skills along with the presentation skills through songs , dance and drama in teaching learning environment.●

***Keyword** : Body , child, dance , drama, emotion, skill.*



# মিচিং লোকগীত ঃ এক অধ্যয়ন

**ড° পুন্যপ্রভা বৰুৱা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়
Email : punyabaruah545@gmail.com

অসমত বসবাস কৰা মিচিংসকলৰ গীতিসাহিত্যৰ ভঁৰাল অতি চহকী। গ্ৰাম্যজীৱনৰ চিৰন্তন অনুভুতি, প্ৰকৃতি স্পৃহা, চহা ভাষাৰ প্ৰাচুৰ্য্য, ভাৱৰ উন্মুক্ত প্ৰকাশ, প্ৰেম বিৰহ মিলনৰ অপূৰ্ব সমাহাৰে মিচিং লোকগীতক সমৃদ্ধ কৰিছে। ভাৱ বিষয়বস্তুলৈ চাই এই লোকগীতক অনুষ্ঠানমূলক, কথোপকথনমূলক, বিননিমূলক, কৰ্মবিষয়ক, বিবিধ বিষয়ক আদি ভাগত ভগাব পাৰি। কাবান গীত, ঐনিতম, মিদাং নিঃতম্, জচ আঃবাং এইসমূহ এনে গীতৰে অন্তৰ্ভুক্ত। অসমৰ লোকসংস্কৃতিৰ পথাৰখন এই গীতবোৰে সমৃদ্ধ কৰি তুলিছে।

এনে গীতসমূহৰ ব্যাপকতালৈ লক্ষ্য কৰি আমাৰ পৰৱৰ্তী গৱেষণাপত্ৰৰ বাবে “মিচিং লোকগীত ঃ এক অধ্যয়ন” - শীৰ্ষক বিষয় নিৰ্বাচন কৰা হৈছে। বিষয়ৰ পৰিসৰে মিচিংসকলৰ বসতি, লোকগীতৰ বিভিন্ন বিভাগসমূহৰ বিষয়ে সামৰি লোৱা হ'ব। ইয়াৰ বাবে ক্ষেত্ৰ অধ্যয়ন আৰু বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব। বিষয়ৰ অধ্যয়নে লোকগীতৰ ক্ষেত্ৰত অনৱদ্য অৱদান আগবঢ়াব বুলি আশা কৰিব পাৰি।●

***বীজ শব্দ** ঃ মিচিং, বসতি, লোকগীত, মিচিং লোকগীত*

# A Comparative Study of the Ankiya-Bhaona and the Pala-art-from of Assam Orrisa and West Bengal

**Himangshu Sharma**
Research scholar
Department of performing arts Mahapurush
Srimanta Sangkardev Viswabidyalaya, Nagaon

Performance of stories of the natas of Sankaradeva is known as Ankiya-bhaona. This Ankiya-bhaona has great impact on the life of the people of Assam. In a sense, it is a life force of the people of Assam which is significant for it's them, language etc. and indirectly for its characters, their dresses and bhaona-audience. On the other hand, Pala is a living performing art-form of Assam which is also found prevalent in Orissa and West-Bengal. Both the art-forms have some similarities. So a sincere attempt has been taken to focus on the art-form.

The tradition of drama in Assam in ancient. The tradition includes Putala-nach, OjapalÊ, Khuliya-bhauriya, Dhuliya-bhauriya, Kushan-gan, Bhari-gan etc. Different dramatic performance enjoyed by Sankaradeva outside Assam, traditional dramatic performance of Assam and the selected portions of ancient Sanskrit plays helped in creating Ankiya-nat in the 16th century. This Ankiya-nat was created of spreading the New Vaisnava Dharama in Assam and the very performance of the Ankiya-nat is known as Ankiya-bhaona. Those Ankiya-natas are Potni-Prasad, Parijat-Haran, Kaliya-Daman, Rukmini-Haran, Keli-Gopal, Ram-Vijoy. The different subject matters treated in the nata of Sanakaradeva are taken from the Bhagavada-Puruna, Harivamsa, and the Ramayana.

Ankiya-bhaona possesses all the essential characteristics folk-drama, i.e. Dance, Dialogue, Song and Gesture. It is not a Folk-Drama, but it is a developed form of Folk-drama to Classical drama. All the characters of Ankiya-bhaona enter with dance movement and they deliver their dialogue in Brajawali language. In the midst of the main story borgeet is sung Sutradhara and Gayan-Bayan repeat it. Sanskrit slokas pronounced by Sutrahdara , attract the attention of the audience.

The Pala-art –form has two other popular names-Pala-gan and Pala-bhaona. The term Pala suggests the meaning of a party or a group of dramatic performance. In many respect, this term may convey of a group consists of singers and dancers. According to some active bearers of this traditional the Pala bears many similarities with the Yatra performance. It would not be irrelevant if we say that the Yatra tradition was earlier than the saint poet Sankaradeva, because he composed a few yatras which are stil played in different sattras of Assam. As such, Pala-art-form may be a product of the yatra tradition.

The tradition of pala has emerged in Assam during the period of decadence of the bhaona traditionÊ, as such we may that the tradition of Pala is a local phenomenon. On the other hand, some kind of influence of the Pala-gan tradition of both Bengal and Orissa may not be ruled out as according to a few active

bearers of this art form originally the term Pala-gan was very common in Assam. The people of Assam used this term for a long time , but due to impact of the Ankiya-bhaona, the second part of the term Pala-gan i.e, gan was replaced by the term bhaona. Nevertheless, the aged active bearersof this tradition do not foget to use the term Pala-gan.

I will try to explain in detail through this seminar about two performing arts about the comparative study on Ankiya Bhaona and Pala art.●

# সোণোৱাল কছাৰীসকলৰ হগ্ৰা নাচ ঃ এক বিশ্লেষণাত্মক অধ্যয়ন

**সৰ্বজিৎ সোনোৱাল,** সহকাৰী অধ্যাপক,
সোণাপুৰ মহাবিদ্যালয়
Phone : 8011769870
E-mail : sarbojitsonowal999@gmail.com

ভাৰতবৰ্ষৰ উত্তৰ পূৰ্বাঞ্চলত সুদূৰ অতীতৰ পৰাই নানা জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণেৰে এক অপূৰ্ব সাংস্কৃতিক সমন্বয়ৰ সৃষ্টি কৰিছে। বিভিন্ন খিলঞ্জীয়া জাতি-জনজাতিৰ চহকী সাংস্কৃতিক পৰম্পৰাৰে উত্তৰ পূৰ্বাঞ্চলৰ সাংস্কৃতিক পথাৰখনক চহকী কৰি তুলিছে। এই জনগোষ্ঠীসকলৰ মাজত প্ৰচলিত নানাবিধ গীত-নৃত্যৰ সমাহাৰেৰে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলাৰ দিশটোও উজ্জ্বলি উঠিছে। তেনে এক পৰিৱেশ্য কলাৰ নিদৰ্শন হৈছে সোণোৱাল কছাৰীসকলৰ 'হগ্ৰা নাচ'। অতীতৰ পৰা অসমত বাস কৰি অহা অন্যতম আদিম ভূমিপুত্ৰ সোণোৱাল কছাৰীসকলৰ চিকাৰী জীৱনৰ অনুপম স্বাক্ষৰ বহন কৰে সোণোৱাল কছাৰীসকলৰ হগ্ৰা নাচে। তদুপৰি সোণোৱাল কছাৰীসকলৰ উপাস্য দেৱতা বাইথ' পূজা উপলক্ষে হোৱা বলি-বিধান আৰু ধৰ্মীয় জীৱনৰ লগতো ইয়াৰ সম্পৰ্ক বিচাৰি পোৱা যায়। বহুতে বাইথ' দেৱতাৰ পূজা উপলক্ষে বলি বিধানত প্ৰয়োজন হোৱা গাহৰি চিকাৰ কৰাই হগ্ৰা নাচৰ মূল বিষয় বুলি ক'ব খোজে। আনহাতে সোণোৱাল কছাৰী গাঁওবোৰত হগ্ৰাবীৰে চিকাৰ কৰিবলৈ যাওঁতে চিকাৰত কৰা বিভিন্ন ভংগীমাবোৰেই হগ্ৰা নাচৰ কেন্দ্ৰীয় বিষয় বুলি বিশ্বাস কৰি আহিছে। আমাৰ আলোচনা পত্ৰত অসমৰ পৰিৱেশ্য কলাৰ ক্ষেত্ৰত বিশেষ তাৎপৰ্য বহন কৰা এই হগ্ৰা নাচৰ এক পৰিচয় দাঙি ধৰাৰ লগতে ইয়াৰ সৈতে সংপৃক্ত হৈ থকা ধৰ্মীয়, সামাজিক আদি দিশসমূহৰ আলোচনা কৰিবলৈ যত্ন কৰা হ'ব। তদুপৰি এই নাচৰ লগত জড়িত নানা লোকবিশ্বাস আৰু বৰ্তমানৰ সময়ত এই পৰম্পৰাৰ মাজলৈ আহি পৰা পৰিৱৰ্তনসমূহকো আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব। আলোচনা পত্ৰখন বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিক অৱলম্বন কৰি প্ৰস্তুত কৰা হ'ব।●

***বীজ শব্দ ঃ*** *হগ্ৰা নাচ, সোণোৱাল কছাৰী, পৰম্পৰা, লোকবিশ্বাস, পৰিৱৰ্তন*



# পৰিৱেশ্য কলা হিচাপে মেচ কছাৰীসকলৰ মাজত প্ৰচলিত গীত আৰু নৃত্য ঃ এক অৱলোকন

**গায়ত্ৰী খাৰঘৰীয়া**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
জৱাহৰলাল নেহৰু মহাবিদ্যালয়, বকো

লোক পৰিৱেশ্য কলা লোক সংস্কৃতিৰ অন্যতম অংগ। জনগোষ্ঠী একোটাৰ দ্বাৰা পৰিৱেশিত গীত-নৃত্য-নাট্য-বাদ্য আদি শিল্প বা কলাক লোক পৰিৱেশ্য কলাই সামৰি লয়। উল্লেখযোগ্য যে, পৰিৱেশ্য কলাৰ বিশেষ বৈশিষ্ট্যই হ'ল পৰিৱেশনকাৰীয়ে এইসমূহৰ পৰম্পৰাগত বৈশিষ্ট্যক অক্ষত ৰাখিব অৰ্থাৎ স্বকীয় বৈশিষ্ট্য সম্পন্ন হ'ব লাগিব। এই আলোচনা পত্ৰখনত অসমৰ এক প্ৰাচীন জনগোষ্ঠী মেচ কছাৰীসকলৰ মাজত পৰিৱেশিত তথা বৰ্তমানেও প্ৰচলিত হৈ থকা বিবিধ গীত আৰু নৃত্যৰ ধাৰণা দিবলৈ যত্ন কৰা হ'ব।

জনগোষ্ঠীটোৰ স্বকীয় পৰম্পৰাৰ বাহক গীত-নৃত্যসমূহ আধুনিক সময়ৰ ধামখুমীয়াৰ ফলত ক্ৰমাৎ হেৰাই যোৱাৰ উপক্ৰম হৈছিল যদিও কিছু সংখ্যক সজাগ নৱপ্ৰজন্মৰ তৎপৰতাৰ বাবে বৰ্তমান এইসমূহ সংৰক্ষিত কৰাৰ প্ৰচেষ্টা চলাই থকা হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিততে এনে বিষয়ৰ অধ্যয়ন তথা আলোচনাৰ গুৰুত্ব আহি পৰিছে। এই আলোচনাপত্ৰখনৰ পদ্ধতি হিচাপে মূলতঃ বৰ্ণনাত্মক পদ্ধতিৰ সহায় লোৱা হ'ব। পৰিসৰ হিচাপে মেচ কছাৰীসকলৰ মাজত প্ৰচলিত পৰিৱেশ্য কলাৰ অন্তৰ্গত গীত আৰু নৃত্যকহে আলোচনাৰ আওতালৈ অনা হ'ব। তথ্য আহৰণৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ সহায় লোৱা হ'ব লগতে অন্যান্য গ্ৰন্থ-পাতিৰ সহায় লোৱা হ'ব।●

***বীজ শব্দ ঃ*** *পৰিৱেশ্য কলা, পৰিৱেশন, মেচ কছাৰী, গীত, নৃত্য, লোক সংস্কৃতি*

# দৰঙৰ লোক পৰিৱেশ্য কলা খুলীয়া ভাউৰীয়া ঃ অস্তিত্ব আৰু ভৱিষ্যত

পল্লৱ বৰুৱা, সহকাৰী অধ্যাপক,
দেওমৰনৈ স্নাতক মহাবিদ্যালয় দেওমৰনৈ,দৰং

অসমীয়া সংস্কৃতি প্ৰকৃত অৰ্থতেই এক বিশাল আৰু বাৰেৰহণীয়া সংস্কৃতিৰ সমাহাৰ স্বৰূপ। অসমৰে এখনি ঐতিহ্যৰে সমৃদ্ধ জিলা বিভিন্ন জাতি,উপজাতি,জনগোষ্ঠীৰ মিলনভুমি দৰঙতো সংস্কৃতিৰ বিভিন্ন ৰূপে অতীজৰে পৰা চৰ্চা লাভ কৰি আহিছে। সেইসমূহৰ ভিতৰত লোক পৰিৱেশ্য কলাসমূহ অন্যতম। ওজাপালি, নাগাৰা নাম, খুলীয়া ভাউৰীয়া আদি হৈছে লোক পৰিৱেশ্য কলাসমূহৰ এটি এটি অংগ।

খুলীয়া ভাউৰীয়াই সমগ্ৰ দৰং জিলাতে লোক পৰিৱেশ্য কলা হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে। কাহিনী কথন,অভিনয় আৰু নৃত্যৰ যোগেদি জনসাধাৰণক মনোৰঞ্জন আৰু নৈতিক শিক্ষা দিয়া দৰঙৰ এইবিধ পৰিৱেশ্য কলা মূলতঃ ওজাপালি, ঢুলীয়া,পুতলা নাচ আদি অৰ্ধ নাটকীয় অনুষ্ঠানসমূহৰ লগত সম্পৰ্কীত।

লোক সমাজৰ সহজ জনসাধাৰণক নাটকীয় ভংগীমাৰে আনন্দ বিনোদন দিয়াৰ ক্ষেত্ৰত খুলীয়া ভাউৰীয়াৰ ভূমিকা সঁচাকৈয়ে অন্যতম। মুখ্যতঃ খুলীয়া ভাউৰীয়াত পৰিৱেশিত নাট্যাভিনয়ৰ বিষয়বস্তু ৰামায়ণ আৰু মহাভাৰতৰ কাহিনীৰ আধাৰত গঢ়ি উঠা।

এই লোক পৰিৱেশ্য কলাবিধ মূলতঃ কৃষিজীৱী সহজ সৰল মানুহৰ মনোৰঞ্জন আৰু নৈতিকতাৰ আধাৰত সৃষ্টি হোৱা এক লোক সংস্কৃতিৰ সমল উৎস আৰু সেয়েহে কৃষিজীৱী নিৰক্ষৰ লোক সমাজক ৰামায়ণ, মহাভাৰত আদিৰ কাহিনী আশ্ৰিত অভিনয়ৰ যোগেদি নৈতিক শিক্ষা আৰু আনন্দ বিনোদন প্ৰদান কৰাৰ ক্ষেত্ৰত খুলীয়া ভাউৰীয়াৰ ভূমিকা সঁচা অৰ্থতেই অপৰিসীম।

আমাৰ এই আলোচনা পত্ৰখনিত দৰং জিলাৰ অন্যতম জনপ্ৰিয় আৰু প্ৰভাৱশালী লোক পৰিৱেশ্য কলা খুলীয়া ভাউৰীয়াৰ বৰ্তমানৰ অস্তিত্ব আৰু ভৱিষ্যত ইয়াৰ গুৰুত্ব আৰু সংৰক্ষণৰ বাবে প্ৰয়োজনীয় পদক্ষেপৰ ওপৰত এক আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ'ব।●



# দৰঙী পৰিৱেশ্য কলা চিয়াগীত ঃ এটি অধ্যয়ন

**বিচিত্ৰা বালা নাথ,** সহকাৰী অধ্যাপিকা,
অসমীয়া বিভাগ কলাগুৰু বিষ্ণু ৰাভা
স্নাতক মহাবিদ্যালয়, ওৰাং
ফোন ঃ ৯৯৫৪৬৩০০৮১

চিয়াগীত দৰঙৰ এক অন্যতম পৰিৱেশ্য কলা । দৰঙত প্ৰচলিত পূৰ্ণধেৰীয়া বা বৰখেলীয়া ভকত সেৱা অনুষ্ঠানত ভকতসকলে পৰিৱেশন কৰা ভক্তিমূলক গীতকে চিয়াগীত বোলে। এই অনুষ্ঠানত গীত মাতকে ধৰি যি নীতি নিয়ম পালন কৰা হয় তাক সধাচাৰ (সদাচাৰ) বুলি কোৱা হয়। ভকত মহন্তসকলে যি ঠাইত বা যি ঘৰত চাকি-গছা স্থাপন কৰি যাৱতীয় কাৰ্যাৱলী পালন কৰে সেই ঠাই বা ঘৰকে সচং বোলে। এই সচঙক কেন্দ্ৰ কৰিয়েই আনুষ্ঠানিক কাৰ্য পৰিচালিত হোৱাৰ উপৰিও গীত-মাত আদি পৰিৱেশিত হয়। প্ৰায় তিনিশ-চাৰিশ বছৰ পুৰণি এই ভক্তিধাৰাৰ লগত সম্পৰ্কীত চিয়াগীতসমূহ আধ্যাত্মিক ভাৱাদৰ্শৰে সমৃদ্ধ। প্ৰতীক ধৰ্মী ভাষা, উপমা, ৰূপক আদিৰ সহায়েৰে চিয়াগীত সমূহৰ পাৰমাৰ্থিক তত্ত্ব বুজাবলৈ চেষ্টা কৰা হয়।

গুৰু এই ভক্তিধাৰাৰ মূল আৰাধ্য দেৱতা বাবে প্ৰত্যেক গীতৰ শেষত গুৰুক স্মৰণ কৰা হয়। ব্ৰহ্মানন্দৰ শিষ্য শুকদেৱ বা শুকুৰা মহন্তক এওঁলোকে নিজ গুৰু বুলি গীতত উল্লেখ কৰিছে। চিয়াগীতত প্ৰাচীন অসমীয়া ভাষা, দৰঙী শব্দ আৰু কাব্যিক ঠাঁচৰ প্ৰয়োগ দেখা যায়। এই গীতত ব্যৱহৃত থলুৱা লোক বাদ্যযন্ত্ৰ সমূহৰ ভিতৰত কোলধোং, খঞ্জুৰী, বাঁহী আৰু তাল আদি অন্যতম। দৰঙৰ এই পৰিৱেশ্য কলা চিয়াগীতৰ ধাৰা ক্ৰমাৎ হ্ৰাস পাই আহিছে। বৰখেলীয়া ভক্তিধাৰাৰ লগত সংপৃক্ত হৈ থকা এই চিয়াগীত সমূহৰ প্ৰসাৰ আৰু প্ৰচাৰৰ লগতে স্বকীয়তা ৰক্ষা কৰাটো অতিশয় প্ৰয়োজনীয়। এই পত্ৰৰ জৰিয়তে দৰঙী সংস্কৃতিৰ অন্যতম পৰিৱেশ্য কলা চিয়াগীতৰ বিষয়ে আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হ'ব।●

***মূল শব্দ ঃ*** *চিয়াগীত, পূৰ্ণধেৰীয়া, সচং, সধাচাৰ*

মুখৰিত অনুষ্ঠানবিশেষ এই গোসাঁই উলিওৱা মেলাৰ অবিচ্ছেদ্য আৰু তাৎপৰ্যপূৰ্ণ অংশ। পৰম্পৰাগত বিভিন্ন নাম-কীৰ্তনৰ উপৰিও কাৰ্বি জনজাতীয় লোকসকলে হাতত ঢাল, তৰোৱাল লৈ প্ৰদৰ্শন কৰা এই ৰণ নৃত্য আৰু নৃত্যৰ লগত গোৱা গীতসমূহে এই অনুষ্ঠানটিক সুকীয়াত্ব প্ৰদান কৰি অধিক আকৰ্ষণীয় কৰি আহিছে।

পৰৱৰ্তী পৰ্যায়ত আমাৰ মূল আলোচনা পত্ৰত মৰিগাঁও জিলাৰ অন্তৰ্গত মায়ঙৰ এই গোসাঁই উলিওৱা মেলাৰ সৈতে জড়িত কাৰ্বি জনজাতীয় লোকসকলৰ নৃত্য-গীতসমূহৰ আলোচনাৰ জৰিয়তে এই অনুষ্ঠানত তেওঁলোকৰ ভূমিকা সম্পৰ্কে প্ৰণালীবদ্ধ আৰু গৱেষণাগত ভাৱে আলোকপাত কৰা হ'ব।●

---

# বহুৰঙী গীতত নাৰী জীৱনৰ প্ৰতিছবি

**বনশ্ৰী ৰাভা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
হাৱাঘাট মহাবিদ্যালয়, কৃষ্ণাই

অসমত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক পূৰ্বৰে পৰাই বসবাস কৰি আহিছে। প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজা নিজা কৃষ্টি-সংস্কৃতি আছে। সেই বাবেই অসমৰ সংস্কৃতি বাৰেবৰণীয়া। তাৰে এটি জনগোষ্ঠী হ'ল ৰাভাসকল। ৰাভাসকল অসমৰ বিভিন্ন অঞ্চলত বসবাস কৰি আছে। ৰাভাসকল বিভিন্ন ফৈদত বিভক্ত। সেই ফৈদসমূহ ক্ৰমে - পাতি, দাহৰি, টোটলা, মদাহী, ৰংদানি, মায়তৰি, হানা, কোচা, বিটলিয়া আদি। আন আন জাতি-জনগোষ্ঠীৰ দৰে ৰাভা সকলো সাংস্কৃতিক দিশত চহকী। ৰাভাসকলৰ মাজত এটি অতি জনপ্ৰিয় গীত প্ৰচলিত আছে, সেয়া হ'ল বহুৰঙী গীত। এই বহুৰঙী গীতসমূহ অতীজৰে পৰা ৰাভাসকলৰ মাজত প্ৰচলিত আছে। গীতসমূহত ৰাভাসকলৰ বিভিন্ন দিশ যেনে - সামাজিক, পাৰিবাৰিক, আৰ্থিক আদি দিশ প্ৰতিফলিত হোৱা দেখা যায়। প্ৰধানত গীতসমূহ নাৰী কেন্দ্ৰিক হোৱা দেখা যায়। এই গীতবোৰৰ মাজেৰে নাৰী জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত হয়। এই গীতবোৰৰ মাজেৰে নাৰীসকলৰ সমাজত, ঘৰত স্থান আদি বিভিন্ন দিশৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়। মোৰ এই আলোচনা পত্ৰৰ মাজেৰে কেনেদৰে নাৰী জীৱনৰ প্ৰতিছবি বহুৰঙী গীতবোৰৰ মাজেৰে প্ৰতিফলিত হৈছে তাকেই আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে।●



# নাগাৰা নাম ঃ পৰম্পৰাগত লোক পৰিৱেশ্য কলা

**হীৰকজ্যোতি শৰ্মা**, গৱেষক,
পৰিৱেশ্য কলা বিভাগ, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ
বিশ্ববিদ্যালয়, নগাঁও

নাগাৰা নাম অৰ্ধনাটকীয় লোক পৰিৱেশ্য কলা। প্ৰাচীন কালৰে পৰা অবিভক্ত দৰং তথা অসমত যিবোৰ নাটকীয়, অৰ্ধনাটকীয় সমল বিশিষ্ট লোকনাট্যানুষ্ঠান প্ৰচলিত হৈ আহিছে সেইবোৰৰ ভিতৰত নাগাৰা নামৰ স্থান নিৰ্দিষ্ট। নাগাৰা নামৰ মূল বাদ্য হ'ল নাগাৰা। ডবাৰে ক্ষুদ্ৰ সংস্কৰণেই হ'ল নাগাৰা। ডবাক ন-কৈ গঢ়ি ন-গাড়া, নাগাৰা আৰু পৰৱৰ্তী সময়ত নাগাৰা বাদ্যৰূপে জনাজাত হৈ পৰিল। ইন্দ্ৰৰ ৰাজসভাত সৈন্য-সামন্তক একগোট কৰিবলৈ ডবাক ৰাজসভাত প্ৰতিষ্ঠা কৰিছিল। পৰৱৰ্তী সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাই সেই ডবাক নামঘৰত প্ৰতিষ্ঠা কৰিছিল। মাধৱ কন্দলীৰ 'ৰামায়ণ' আৰু হৰিবৰ বিপ্ৰৰ 'তাম্ৰধ্বজৰ যুদ্ধ'টো আমি নাগাৰা শব্দৰ উল্লেখ পাওঁ। সূৰ্যখড়ি দৈৱজ্ঞৰ 'দৰং ৰাজবংশাৱলী'টো নাগাৰা শব্দৰ ব্যৱহাৰ দেখিবলৈ পাও। ইয়াৰোপৰি ভাৰতবৰ্ষৰ অন্য ৰাজ্যত নাকাড়া নামৰ নাগাৰা সদৃশ এক বাদ্যযন্ত্ৰ দেখিবলৈ পাওঁ।

নাগাৰা নামৰ জন্ম অবিভক্ত দৰং জিলাত। ঠাৱৰ কৰিব পাৰো যে, দৰং জিলাৰ খটৰা সত্ৰত নাগাৰা নামৰ জন্ম। মহাপুৰুষ মাধৱদেৱ গুৰুজনাৰ প্ৰপন্ন শিষ্য গোবিন্দ আতাই খটৰা সত্ৰ স্থাপন কৰিছিল। গোবিন্দ আতাই প্ৰতিদিনেই খটৰা সত্ৰত নাম-কীৰ্ত্তন পৰিৱেশন কৰিছিল। কৃষ্ণাই ডেকা নামৰ এগৰাকী বৈষ্ণৱ ব্যক্তিয়ে খটৰা সত্ৰত কাঠৰ নাগাৰা এটি দান দিছিল। প্ৰসংগীয় নাম, চেওচাপৰি নাম আৰু চৈতালী নামৰ এক নৱ সংস্কৰণেই হ'ল নাগাৰা নাম। এটি নাগাৰা নামৰ দলত প্ৰায় ১৫-১৬ জন ব্যক্তি থাকে। মুখ্যজনক পাঠক বোলে আৰু অন্য ব্যক্তিসকলক পালি বোলা হয়। ভগ্নতাল, একতাল, চৌতাল ক্ৰমান্বয়ে আৰম্ভ কৰা হয় নাগাৰা নাম। গুৰুঘাট, বন্দনা, ঘোষা, কীৰ্ত্তন, অন্য শাস্ত্ৰৰ নামেৰে আৰম্ভ কৰি শেষত ভোৰতাল নৃত্য আৰু অপৰাধ মৰিষণেৰে নাগাৰা নাম সমাপন কৰা হয়। পৰম্পৰাগত লোক পৰিৱেশ্য কলা হিচাপে নাগাৰা নামৰ কেতবোৰ দিশ এই আলোচনা পত্ৰত উল্লেখ কৰা হ'ব। পৰিৱেশ্য কলা হিচাপে নাগাৰা নামে সমাজত কিদৰে প্ৰভাৱ পেলায় এই অধ্যয়নৰ দ্বাৰা বিচাৰ কৰি চোৱা হ'ব।●

***বীজ শব্দ ঃ** নাগাৰা, উৎপত্তি, লোকসমাজ, পৰম্পৰা, সংস্কৃতি*

# A Study on the folk drama of the Rabhas: Bhari-gan and Mare-gan

**Tapasi Hajowary**
E-mail: tapashihajowary@gmail.com
Dr. Bhupen Hazarika Centre for Studies in
Performing Arts, Dibrugarh University, Dibrugarh
and
**Manasi Hajowary**
E-mail: manohajowary89@gmail.com
Sipajhar College, Sipajhar

Bhari-gan and Mare-gan are traditional folk-dramas mostly confined to the eastern and southern region of Goalpara district and Kamrup district of Assam. Bhari-gan is practiced among the Rabha community of Assam specially the Pati Rabhas and Mare-gan is popular not only among the Rabhas but also among the Bodo-Kachari tribe. The themes of the Bhari-gan are mainly extracted from the epics like Ramayana and Mahabharata. Mare-gan is a type of non-epic based ojapali artform and follows the Kavyas related with the Shakti or the Manasa Kavyas. The use of wooden masks used by the Bhari-gan actors are without any eye hole and it is an unique characteristic of this artform. ●

***Key words** : Folk drama, Bhari-gan, Mare-gan, Manasa Kavya, wooden masks, Ramayana, Mahabharata.*



# মায়ং অঞ্চলৰ গোঁসাই উলিওৱা মেলাৰ সৈতে জড়িত কাৰ্বি জনজাতীয় গীত আৰু নৃত্যানুষ্ঠান

**ড° গাৰ্গী ফুকন**, সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ, জাগীৰোড মহাবিদ্যালয়

কোনো এটা জাতিৰ ভাব-চিন্তা-চেতনা, আৱেগ-অনুভূতিৰ বৰ্হিপ্ৰকাশ আৰু বিকাশ হয় সেই জাতিৰ সৈতে জড়িত সাহিত্য -সংস্কৃতিৰ জৰিয়তে। অসমভূমি হৈছে বিভিন্ন জাতি-জনজাতি সন্মিলিত, ভিন্ন কৃষ্টি-সংস্কৃতিৰে উৰ্বৰা এক পবিত্ৰ ভূখণ্ড। এই অসম ভূমিৰে তন্ত্ৰ-নগৰীৰূপে খ্যাত এটি বিশিষ্ট অঞ্চল হৈছে মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অঞ্চল। মন্ত্ৰ সাহিত্য-সাধনাৰ একক বিশিষ্টতাৰে সমুজ্জ্বল এই ঠাইৰ লোকজীৱনৰ সৈতে সাঙুৰ খাই আছে সেই অঞ্চলৰ সাহিত্য-কলা- কৃষ্টি, গীত-নৃত্য-বাদ্যৰে পৰিপূৰ্ণ লোক পৰিৱেশ্য কলাৰ আৱেদন। স্বাভাবিকতেই লোক সংস্কৃতি প্ৰৱাহিত হয় স্বতঃস্ফূৰ্ত আৰু পৰম্পৰাগত ভাৱেই। মায়ং অঞ্চলৰ  পৰম্পৰাগত লোকজীৱনৰ সৈতে সংপৃক্ত হৈ থকা এটি অনুষ্ঠান হৈছে গোসাঁই উলিওৱা মেলা।

মায়ং ৰাজ্যৰ আদি ৰজা শূইনত সিংহৰ কনিষ্ঠ পুত্ৰ শৰশ্ব সিংহই ৰাজপাটত আৰোহণ কৰি নিজে বৰ ৰজা হয় আৰু বৰ পুত্ৰ প্ৰেম চন্দ্ৰ সিংহক সৰু ৰজা পাতি সুচাৰুৰূপে ৰাজকাৰ্য চলাবলৈ লয়। এইজনা প্ৰজাহিতৈষী ৰজাই ৰাজপাটত বহি বৰপুত্ৰ আৰু কেইজনমান বিশ্বাসী বিষয়া, অনুচৰ সহিতে বিভিন্ন ঠাই তীৰ্থভ্ৰমণৰ শেষত নৱদ্বীপ পায়গৈ আৰু তাৰ পৰা বাসুদেৱ, গোপাল লক্ষ্মীনাৰায়ণ, শিৱ আৰু পাঁচজনা শালগ্ৰামৰ লগতে দহজনা গোসাঁইৰ মূৰ্তি লৈ আহে। তেতিয়াৰে পৰাই গোসাঁই উলিওৱা উৎসৱ বা মেলাটি মহাসমাৰোহেৰে পৰম্পৰাগতভাৱে প্ৰতি বছৰে পালন কৰি অহা পৰিলক্ষিত হয়।

উল্লেখনীয় যে পৰম্পৰাগত ভাৱে মায়ং অঞ্চলত প্ৰচলিত এই অনুষ্ঠানটিৰ সৈতে সেই অঞ্চলৰ কাৰ্বি জনজাতীয় লোকসকলৰ ভূমিকা আৰু কলা-কৃষ্টি ওতপ্ৰোতভাৱে জড়িত হৈ অহা দেখিবলৈ পোৱা যায়। এই মেলাত কাৰ্বি জনজাতীয় লোকসকলে তেওঁলোকৰ পৰম্পৰাগত সাজ-পোছাক পৰিধান কৰি পৰম্পৰাগত নৃত্য-গীত-বাদ্যৰে মুখৰিত কৰি কলাত্মক শৈলীৰে  গোঁসাইক আদৰি আনে। কাৰ্বি জনজাতীয় এই লোকসকলৰ দ্বাৰা পৰিৱেশিত নৃত্য-গীত

# Understanding 'Hamjar' as an integral part of Rabha culture

**Bhumika Devi**
Assistant Professor
Habraghat Mahavidyalaya
8638775923
Devibhumika75@gmail.com

North-east India is a house to many ethnic groups having different forms of living, customs, habits, food and clothing, song, dance etc. Tribes like Garo, Dimasa, Mishing, Tiwa, Boro, Rabha, Karbi etc are integral parts that have been contributing to the larger Indian cultural identity. Rabha is among the many which have been enriching the culture of Assam and India for hundreds of years. With the behaviour of people, their customs, their food habits, their worshiping traditions and all other aspects of life, it remains as an outstanding tribe among others.Residing in hilly areas, the people of the said tribe perform shifting cultivation along with other forms of agriculture. 'Hamjar' is a song-dance form that represents the shifting cultivation of the Rabha people. It includes all activities that are performed before, during and after harvesting.

At present times, 'Hamjar' is presented on stages in order to acquaint other people with the cultivation process of the said group of people. Agriculture, being the way of living is most important aspect of the Rabha people. Therefore, this paper tends to present an understanding of 'Hamjar' as an important part of Rabha culture. ●

**Key word** : Hamjar, shifting cultivation, culture



# আধুনিক অসমীয়া নাটকত লোকনাট্যৰ প্ৰয়োগ

## (ড° পৰমানন্দ ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ' নাটকৰ বিশেষ উল্লেখসহ)

**ড° নীলোৎপল শৰ্মা**, সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
নৰ্থ কামৰূপ কলেজ, বাঘমাৰা
ভ্ৰাম্যভাষ ঃ ৯৪০১১-৮৪৬৫২
ই-মেইল ঃ drnilotpalsarma1985@gmail.com

স্বৰাজোত্তৰ কালত, বিশেষতঃ বিংশ শতিকাৰ সপ্তম-অষ্টম দশকত আধুনিক অসমীয়া নাটকত লোককলাৰ বিভিন্ন উপাদান সংযোজিত হোৱা দেখা যায়। পশ্চিমীয়া নাট্যৰীতি আৰু আংগিকৰ উপস্থিতিৰে আধুনিক অসমীয়া নাটকে বৰ্ণাঢ্য ৰূপ পৰিগ্ৰহ কৰাৰ সমান্তৰালভাৱে অসমীয়া নাট্যকাৰৰ নিত্য-নতুন চিন্তা-চেতনাৰ স্বাক্ষৰ বহন কৰিছে লোককলাৰ সমল অন্তৰ্ভুক্ত আধুনিক অসমীয়া নাটকসমূহে। লোককলাৰ অন্তৰ্ভুক্ত লোকনাট্যৰ প্ৰয়োগে আধুনিক অসমীয়া নাটকক নান্দনিক ৰূপ প্ৰদান কৰাৰ উপৰি চহা জীৱনৰ দৰ্শকক নাট্যকলাৰ প্ৰতি আকৰ্ষিত কৰাৰ প্ৰচেষ্টাও প্ৰত্যক্ষ কৰা যায়।

স্বাধীনোত্তৰ কালত অসমীয়া বহুকেইগৰাকী নাট্যকাৰে নাটকত লোককলাৰ প্ৰয়োগ কৰিছে যদিও আমাৰ গৱেষণা পত্ৰত ড° পৰমানন্দ ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ' শীৰ্ষক নাটখনত লোকনাট্যৰ প্ৰয়োগ সম্পৰ্কীয় আলোচনাহে আগবঢ়োৱা হ'ব।

ড° ৰাজবংশীৰ 'নাঙল, মাটি আৰু মানুহ' শীৰ্ষক নাটখনত দৰঙী খুলীয়া ভাউৰীয়া আৰু লোকগীত-মাতৰ প্ৰয়োগ দেখা যায়। লোকনাট্যক নাট্য আংগিকত সংযোজন কৰাৰ ক্ষেত্ৰত নাট্যকাৰে দেখুওৱা নিপুণতাই নাটকখনক এক বিশিষ্ট ৰূপ প্ৰদান কৰিছে।

আমাৰ গৱেষণা পত্ৰত 'নাঙল, মাটি আৰু মানুহ' নাটখনত লোকনাট্যৰ প্ৰয়োগ সম্পৰ্কীয় আলোচনা কৰাৰ আনুষংগিকভাৱে অন্যান্য লোকনাট্য প্ৰয়োগ হোৱা আধুনিক অসমীয়া নাটকৰ বিষয়েও চমু পৰিচয় প্ৰদান কৰা হ'ব।●

***বীজ শব্দ ঃ** লোককলা, লোকনাট্য, খুলীয়া ভাৱৰীয়া, পথৰুঘাট*

# দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ মাৰেগীত

**ডেনিছ ৰাভা**, সহযোগী অধ্যাপক,
অসমীয়া বিভাগ, উত্তৰ গুৱাহাটী কলেজ

দক্ষিণ কামৰূপ অঞ্চলৰ জনজাতি প্ৰধান এলেকা বিলাকত বিশেষকৈ পাতিৰাভা অধ্যুষিত অঞ্চলবোৰত সৰ্প-দেৱী 'বিষহৰি' নাইবা 'বৰমানী'ৰ পূজা, মাৰে পূজা নামেৰে অতি প্ৰাচীন কালৰে পৰা প্ৰচলন হৈ অহা দেখা যায়। মাৰে পূজাত গোৱা গীতবোৰকে মাৰেগীত বুলি কোৱা হয়। মাৰেপূজা ৰাজহুৱা বা ব্যক্তিগত ভাৱেও পাতিব পাৰে। মাৰেগীতবোৰ পৰম্পৰাগতভাৱে মুখে মুখে প্ৰচলিত হৈ আহিছে। গীতবোৰৰ ভণিতাত কোনো ৰচকৰ নাম পোৱা নাযায়। অৱশ্যে মাৰেগীতবোৰত মনকৰ, দুৰ্গাবৰ আৰু সুকবি নাৰায়ণদেৱৰ গীতৰ প্ৰতিধ্বনি প্ৰবাহিত হৈ থকা শুনা যায়। পাতি ৰাভাসকলৰ মাৰেগীত আন ওজাপালিৰ তুলনাত অধিক নাটকীয়।

মাৰেগীতে মাৰেপূজা বা সৰ্পমাতৃ মানসা পূজা বা মনসা পূজাৰ সৈতে জড়িত গীত পদক সামৰে। পাতি ৰাভাসকলৰ মাৰেগীত বৰ্তমান দক্ষিণ কামৰূপৰ ছয়গাও, বামুণীগাঁও, বকো, খাটলপাৰা আদি অঞ্চলত প্ৰচলন থকা দেখা যায়। সামাজিকভাৱে মাৰে পূজা সাতদিন ধৰি গীত- পদ, নৃত্য-নাচেৰে সৈতে উদ্‌যাপিত হ'ব পাৰে। আজিকালি অৱশ্যে তিনি-চাৰি দিনত শেষ কৰা দেখা যায়। সপ্তাহ বা তিনি-চাৰি দিনত শেষ কৰা মাৰে পূজাক 'ভৰ মাৰে' বুলি কোৱা হয় আৰু এদিন এৰাতিত শেষ কৰা মাৰে পূজাক 'ফুল মাৰে' বুলি কোৱা হয়। মাৰেপূজাৰ মাৰেগীত বা মাৰেগান, দেওধানী নাচ অপৰিহাৰ্য্য। মাৰে পূজাৰ প্ৰসংগত অনুষ্ঠিত মাৰেগীতসমূহ পৰিৱেশন কৰোতে নৃত্য আৰু অৰ্ধনাটকীয় অনুষ্ঠান অতিকে প্ৰয়োজনীয়।●

***গুৰুত্বপূৰ্ণ অভিধা ঃ** পাতিৰাভা, মাৰেগীত, দক্ষিণ কামৰূপ*



# পৰম্পৰাগত সংস্কৃতি খুলীয়া ভাউৰীয়া ঃ এক আলোকপাত

**মুনমনি দেৱী**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ

**অনিতা দেৱী**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
দেওমৰনৈ স্নাতক মহাবিদ্যালয়

মানুহৰ জীৱনৰ প্ৰয়োজনত সংস্কৃতিৰ জন্ম। প্ৰত্যেক সম্প্ৰদায়ৰ নিজা সংস্কৃতি আছে। কোনো জাতি বা গোষ্ঠীৰ লোকসমাজত সামাজিক, আধ্যাত্মিক আনন্দ লাভৰ অৰ্থে যিবোৰ আচাৰ-নীতি পালিত হয় সেয়াই সংস্কৃতি।

লোকসমাজত আচাৰ-আচৰণ, ধ্যান-ধাৰণা সকলো পুৰুষাণুক্ৰমে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰৱাহিত। অৰ্থাৎ ই পৰম্পৰা আশ্ৰয়ী। পৰম্পৰাক গুৰুত্ব দিয়া সংস্কৃতিও পৰম্পৰাগত সংস্কৃতি। ই মৌখিক আৰু লিখিত দুয়োটা ৰূপতে সমাজত চলি থাকে।

অসমৰ লোক-সংস্কৃতিত দৰঙৰ স্বকীয় বৈশিষ্ট্য সম্বলিত সংস্কৃতিৰ এখন সুকীয়া স্থান আছে। বাৰে ৰহনীয়া গীত-পদ, লোকবাদ্য, লোকনৃত্যৰ প্ৰাচুৰ্য্যৰে দৰঙৰ সাংস্কৃতিক জীৱন সমৃদ্ধিশালী আৰু বৈচিত্ৰ পূৰ্ণ। গীত-পদ, নৃত্য-নাটক আৰু অভিনয়ৰ সমষ্টিয়েই পৰিৱেশ্য কলা, যি কলা নিৰ্দিষ্ট ৰূপ আৰু আঙ্গিকৰ মাজেৰে ৰূপায়ন কৰা হয়। নৃত্য-গীত বাদ্য তথা অভিনয়ৰ স্বতঃস্ফূৰ্ত প্ৰয়োগৰ যোগেদি কাহিনী একোটা সমাজৰ মাজত পৰিৱেশন কৰি দেখুওৱা খুলীয়া ভাউৰীয়া এবিধ লোক নাট্যানুষ্ঠান।

আমাৰ আলোচনা পত্ৰখনত দৰঙৰ পৰম্পৰাগত সংস্কৃতি খুলীয়া ভাউৰীয়াই বৈচিত্ৰৰ মাজত ঐক্যভাৱৰ উন্মেষ সাধনত, সাংস্কৃতিক সমন্বয় সাধনত পৰিৱৰ্তনৰ মাজেদি কিদৰে আগবাঢ়িছে তাক আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।●

# বিহুগীত আৰু অইনিঃতমৰ মাজেৰে প্ৰতিফলিত নৈসৰ্গিক চিত্ৰ

**ড° পল্লৱিকা শৰ্মা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
দৰং মহাবিদ্যালয়, তেজপুৰ

মানৱ জাতিৰ সৃষ্টিৰ লগে লগে লোক-সংস্কৃতিৰো সৃষ্টি হৈছিল। অৱশ্যে লোকসংস্কৃতি সম্পৰ্কে বিস্তৃত তথা পদ্ধতিগতভাৱে অধ্যয়ন আৰু চিন্তা-চৰ্চা আৰম্ভ হয় ঊনবিংশ শতিকাৰ আৰম্ভণিৰ পৰাহে। লোক-সংস্কৃতিৰে অন্যতম ভাগ হ'ল লোক-গীত।লোক-গীতৰ সৈতে মানৱৰ জীৱনৰ বিভিন্ন মুহূৰ্ত, সামাজিক পৰিৱেশ, পাৰিপাৰ্শ্বিক জগত, সামাজিক দিশ আদি কাৰক জড়িত হৈ থকা দেখা যায়। মানৱৰ জীৱনৰ ক্ৰমবিকাশৰ সৈতে কৰ্ষণকেন্দ্ৰিক বিশ্বাস জড়িত হৈ আছে। অসমৰ বসন্তকালীন উৰ্বৰাকেন্দ্ৰিক উৎসৱ হৈছে বিহু। বিহু উৎসৱ উদ্‌যাপনৰ সময়ত পৰিৱেশন কৰা বিহুগীতক বিহুনাম, বনঘোষা,বনগীত আদি নামেৰেও জনা যায়। মিচিংসকলৰ মাজত প্ৰচলিত লোকগীতৰ ভিতৰতঅইনিঃতম উল্লেখযোগ্য। অইনিঃতমৰ মূল সুৰ বিষাদঘন হ'লেও প্ৰকৃতি আৰু মানৱৰ মনৰ স্বাচ্ছন্দ্য ইয়াৰ মাজেৰে অনুভূত নোহোৱাকৈ নাথাকে।

অসমৰ লোক-সাহিত্যক সমৃদ্ধ কৰা বিহুগীত আৰু অইনিঃতমৰ মাজেৰে অসমৰ শ্ৰমজীৱী জনগণৰ ইচ্ছা-আকাংক্ষা,হৰ্ষ-বিষাদ আদি বিচিত্ৰ ভাৱ-অনুভূতিৰ প্ৰকাশ ঘটাৰ লগতে অসমৰ নৈসৰ্গিক চিত্ৰও সজীৱ ৰূপত উপস্থাপিত হৈছে। বিহুগীত আৰু অইনিঃতমত প্ৰাপ্ত নানাধৰণৰ প্ৰাকৃতিক সমলে এই গীতসমূহৰ নান্দনিক দিশটোক কেনেদৰে পৰিস্ফুট কৰি তুলিছে সেই বিষয়ে "বিহুগীত আৰু অইনিঃতমৰ মাজেৰে প্ৰতিফলিত নৈসৰ্গিক চিত্ৰ"শীৰ্ষক গৱেষণা পত্ৰৰ আধাৰত বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ব। বিশ্লেষণাত্মক পদ্ধতিৰ আলমত যুগুত কৰিবলগীয়া আলোচ্য বিষয়ৰ বিশ্লেষণে পৰৱৰ্তী আলোচকক নতুন দিশৰ সন্ধান দিব বুলি আমাৰ বিশ্বাস।●



# দৰং জিলাৰ অন্যতম পৰিৱেশ্য কলা ঃ নাগাৰা নাম

**শ্ৰীযামিনী কলিতা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ
খৈৰাবাৰী মহাবিদ্যালয়

অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি, আৰু ই, বাৰেৰহণীয়া কৃষ্টিৰে ঠাঁহ খাই আছে। অসমৰ বিভিন্ন কলা-কৃষ্টিৰ ভিতৰত নাগাৰা নাম এক উল্লেখযোগ্য কলা। ভগৱান শ্ৰীকৃষ্ণক লাভ কৰাৰ প্ৰধান উপাই স্বৰূপে মহাপুৰুষ গুৰুজনাই শ্ৰৱণ-কীৰ্তনত গুৰুত্ব আৰোপ কৰিছিল। পৱিত্ৰ হৃদয়েৰে ভগৱানৰ নাম শ্ৰৱণ অথবা কীৰ্তন কৰিলে ভগৱানক লাভ কৰিব পাৰি। ভগৱান শ্ৰীকৃষ্ণৰ প্ৰতি তথা বৈষ্ণৱ ধৰ্মৰ সকলো শ্ৰেণীৰ মানুহক আকৰ্ষণ কৰিবলৈ নাম-কীৰ্তনকে শ্ৰেষ্ঠ উপাই হিচাপে গণ্য কৰি জনসাধাৰণৰ মাজত গুৰুজনাই নাম-কীৰ্তনৰ গুৰুত্ব বঢ়াই ভক্তিৰ মাৰ্গ দেখুৱাই দিলে। গুৰুজনাৰ নাম-কীৰ্তনৰ আৰ্হিতে পৰৱৰ্তী কালত নাগাৰা নামৰ সৃষ্টি বুলি ভাবিব পাৰি। লেচাকোণীয়া গোবিন্দ আতাই ১৫৬৮ খ্ৰীষ্টাব্দত দৰং জিলাৰ খটৰাত সত্ৰ প্ৰতিষ্ঠা কৰি সত্ৰীয়া সংস্কৃতিৰ অন্যান্য কলাসমূহৰ লগতে নাগাৰা নামৰ আৰম্ভণি কৰি মহাপুৰুষজনাৰ কৃষ্টিক পূৰ্ণ সমৰ্থন জনায়। অসমৰ পৰিৱেশ্য কলাসমূহৰ ভিতৰত নামনি অসমৰ নাগাৰা নাম অন্যতম। দৰং জিলাৰ পশ্চিম প্ৰান্তৰ দিপীলা অঞ্চলৰ স্বৰ্গীয় নৰেশ্বৰ শৰ্মা বৰুৱাৰ হাতত নাগাৰা নামৰ প্ৰসাৰ ঘটে। নাগাৰা সঙ্গত কৰি কেইবা প্ৰকাৰেও যে নাম পৰিৱেশন কৰিব পাৰি তাক দৰঙীয়া শিল্পীসকলে দেখুৱাই গৈছে। যেনে— চেওচাপৰি নাম, দিহানাম, থিয় নাম আদি। প্ৰথম অৱস্থাত কেৱল পুৰুষসকলে এই নামত অংশগ্ৰহণ কৰিছিল যদিও পিছলৈ ছোৱালী বা বোৱাৰীসকলেও নাগাৰা সঙ্গত কৰি নাম পৰিৱেশন কৰিবলৈ লয়। নাগাৰা নাম এনেকুৱা এবিধ লোক-পৰিৱেশ্য কলা য'ত নৃত্য, গীত, অভিনয় আৰু বাদ্য যন্ত্ৰৰ সমন্বয় সাধন হয়। এই নাগাৰা নাম বিশেষভাৱে নামনি অসমৰ সৃষ্টি তথা কৃষ্টি। এনে এবিধ পৰিৱেশ্য কলাক প্ৰত্যেকজন সংস্কৃতিৱান অসমীয়াই গুৰুত্ব সহকাৰে জনমুখী কৰাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি।●

***বীজ শব্দ ঃ** লোক-পৰিৱেশ্য কলা, নাগাৰা নাম, কৃষ্টি, সংস্কৃতি*

# ABSTRACT

# “Marriage songs of the Bodos: A study''

**Dr. Niran Brahma**
Asst. Professor, Udalguri College
Cell No. : 7086784793
Email. Id brahmaniran2udl1@gmail.com

The Bodos or Bodo-Kacharis constitute an important section of the different ethnic groups and“races in Assam. Racially, the Bodos people belong to the Mongoloid stock of the Indo-“Mongoloid or Indo- Tibetan. In the space of the time, the Bodos got scattered throughout the“nook and corners of Assam and parts of Bengal, Nagaland, Arunachal Pradesh, Meghalaya and“Nepal. They are numerically the largest among the plain Tribal communities of Assam.“Marriage is called “Haba” by the Bodos. In Bodos “Ha” means soil and “Ba” means to bear“something on the back.

There are as many as six different types of marriage, prevalent among“the Bodos. There are some songs of pre marriage ceremony in the Bodo society like “hwowa“gwdan nainai” (Groom’s sight by the bride) “goi khaonai” (betelnut cutting) & “biban langnai”“(marriage material load carrying). Songs are sung by women folk to enliven the proceedings“of marriage. They sing marriage song indifferent session of the marriage ceremony. The paper“would deal with the marriage songs of the Bodos and highlights the traditional importance of““matriage songs in maintaining social custom.●

***Key words :*** *Marriage, Song, Bodos*



# দৰঙৰ থলুৱা বিয়ানাম ঃ এটি আলোকপাত

**ড° ধনশ্ৰী শৰ্মা**
সহকাৰী অধ্যাপিকা, খাৰুপেটীয়া মহাবিদ্যালয়

অসমীয়া লোক-সাহিত্য-সংস্কৃতিৰ আপুৰুগীয়া সম্পত্তি এপদ হ’ল বিয়ানাম। মূলতঃ আয়তীসকলৰ দ্বাৰা পৰিৱেশিত নাৰী সুলভ কোমল হৃদয়ৰ পৰা নিগৰি অহা আৱেগেৰে পৰিপূৰ্ণ গীতসমূহত ভাষাৰ সৌষ্ঠৱ, শব্দ চয়ন, যোজনা, ভাৱৰ মাধুৰ্য, চিত্ৰকল্প আদি স্বাভাৱিকতে সাৰ্বজনীন আৰু চমৎকাৰপূৰ্ণ। ভাষাৰ সাৱলীলতা মৃদু-মধুৰ ছন্দৰে ৰচিত এই বিয়ানামসমূহ কৰুণ আৰু হাস্যৰসৰ মাজেদি কাব্যিক ৰূপত উপস্থাপন কৰা বাবে সকলোৰে হৃদয় স্পৰ্শ কৰে। অসমৰ আন আন ঠাইৰ দৰে দৰঙত বৈদিক প্ৰথাৰে সম্পন্ন হোৱা বিয়াসমহত অতীতৰে পৰা চলি অহা ৰীতি-নীতিৰে হোৱা দৰঙী বিয়ানামসমূহৰ এটা সুকীয়া পৰিচয় আছে। অসমীয়া জনজীৱনত সামাজিকভাৱে সম্পন্ন হোৱা বিবাহ অনুষ্ঠানত কেইবাটাও সৰু-বৰ পৰ্ব থাকে - চিন কৰা, তেলৰ ভাৰ, পানীতোলা, দৰা-কইনাক গা-ধুওৱা, সুৱাগ তোলা, দৰা-কইনা সজোৱা, কইনা-দৰাৰ ঘৰলৈ যাত্ৰা কৰা, দৰা আগবঢ়োৱা, গোসাঁই পূজা, কইনাক হোমৰ গুৰিত বহুৱা, আখৈ তোলা, আঙঠি লুকুৱা, কইনাৰ বিদায় পৰ্ব ইত্যাদি।

এই আটাইবোৰ পৰ্বতে আয়তীসকলে বিয়ানাম পৰিৱেশন কৰি পৰিৱেশটো কৰুণ, ৰসাল আৰু সজীৱ কৰি তোলে। আয়তীসকলে দৰা-কইনাক ৰাম-সীতা, কৃষ্ণ-ৰুক্মিণী, শিৱ-পাৰ্বতী আদি দেৱতা সদৃশ জ্ঞান কৰাৰ লগতে অসমীয়া সমাজত ব্যৱহৃত সা-সঁজুলি, আ-অলংকাৰ আদিৰ উল্লেখেৰে অনাখৰী মহিলাসকলে সুৰ দি গোৱা বিয়ানামসমূহে দৰঙী কৃষ্টিৰ পথাৰখন চহকী কৰি তুলি আহিছে। অৱশ্যে অঞ্চলভেদে কেতবোৰ শব্দ আৰু সুৰৰ ঠাঁচৰ ভিন্নতা পৰিলক্ষিত হয় যদিও ই একেটা বৈশিষ্ট্যৰে বান্ধ খোৱা।

দৰঙী ৰাইজৰ কৃষ্টিৰ বিশাল পথাৰখনত সিঁচৰতি হৈ থকা থলুৱা বিয়ানামবোৰৰ সুৰৰ এক নিজস্বতা আছে। বিয়ানাম, নিন্দাপদবোৰত সম্পূৰ্ণ থলুৱা শব্দ আৰু ছন্দৰ মিল দেখিবলৈ পোৱা যায়। কালৰ সোঁতত বিলোপ হ’ব ধৰা বিবাহৰ ভিন্ন পৰিৱেশত পৰিৱেশিত দৰঙী থলুৱা ঠাঁচত গোৱা গীতসমূহৰ বিষয়ে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰে আলোচনা কৰাৰ প্ৰয়াস কৰা হ’ব।●

***বীজ শব্দ ঃ*** *দৰঙৰ বিয়া নাম, দৰঙী ভাষাৰ বৈশিষ্ট্য, মাধুৰ্য, চিত্ৰকল্প, ছন্দ, লয়*

# দৰঙৰ লোক পৰিৱেশ্য কলা খুলীয়া ভাউৰীয়া ঃ এটি আলোচনা

**ড° তৰুলতা ডেকা**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
গোৰেশ্বৰ মহাবিদ্যালয়

সংগীত, নৃত্য আৰু নাট লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত। দৰঙৰ লোক পৰিৱেশ্য কলাসমূহত এই তিনিওবিধ উপাদানৰ সমাহাৰ দেখিবলৈ পোৱা যায়। খুলীয়া ভাউৰীয়া দৰং জিলাত প্ৰচলিত জনপ্ৰিয় আৰু জীৱন্ত পৰিৱেশ্য কলাসমূহৰ ভিতৰত অন্যতম। এই অনুষ্ঠানটিৰ উৎপত্তিৰ সময় সীমা সম্বন্ধে এক সঠিক সিদ্ধান্তত উপনীত হ'ব নোৱাৰি। তথাপিও খুলীয়া ভাউৰীয়া ব্যাস ওজাপালিৰ এক বিকাশপ্ৰাপ্ত ৰূপ বুলি কোৱা হয়। দৰঙৰ লোকনাট্যধৰ্মী অনুষ্ঠানসমূহৰ ভিতৰত ওজাপালি, ঢুলীয়া, পাচেতি, মথেনী, মহহৌ, দেওধনী আদি অন্যতম। এই সকলোবোৰ লোকনাটৰ ভিতৰত ওজাপালিৰ গুৰুত্ব খুলীয়া ভাউৰীয়াত অধিক পৰিমাণে লক্ষ্য কৰা যায়।

পৰিৱেশ্য কলাসমূহে অতীজৰে পৰা জনজীৱনত প্ৰভাৱ বিস্তাৰ কৰি আহিছে। ইয়াৰ যোগেদি নৈতিক শিক্ষা আৰু মনোৰঞ্জনৰ খোৰাক লাভ কৰিব পাৰি। দৰঙৰ খুলীয়া ভাউৰীয়া, দুৰ্গা পূজা, লক্ষ্মী পূজা, বিশ্বকৰ্মা পূজা, সৰস্বতী পূজা আনকি কেতিয়াবা ব্যক্তি বিশেষৰ ঘৰটো পৰিৱেশিত হয়। খুলীয়া ভাউৰীয়া গোন্ধ চৌপৰি সভা (বাসুদেৱ পূজা)ৰ সৈতে বিশেষভাৱে জড়িত। খুলীয়া ভাউৰীয়াত অভিনয়ৰ আংগিক, বাচিক, আহাৰ্য আৰু সাত্বিক এই দিশসমূহ কিদৰে উদ্ভাসিত হৈছে লগতে অনুষ্ঠানটিৰ পৰিৱেশন ৰীতি সম্পৰ্কে পৰৱৰ্তী ক্ষুদ্ৰ গৱেষণা পত্ৰখনত বিশ্লেষণ কৰাৰ প্ৰয়াস কৰা হ'ব।●

***বীজ শব্দ*** *ঃ দৰঙ, লোকনাট্য, খুলীয়া ভাউৰীয়া*



# শদিয়া মহকুমাৰ নাৰী সমাজত প্ৰচলিত অনুষ্ঠানমূলক লোকগীত

**ড° ঋতুপৰ্ণা বুঢ়াগোহাঞি**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
শদিয়া মহাবিদ্যালয়

লোক পৰিৱেশ্য কলাই অসমৰ লোক সংস্কৃতিক বিশিষ্ট মাত্ৰা প্ৰদান কৰিছে। এই কলাই সংগীত, নাট, নৃত্যৰ নিৰ্দিষ্ট ৰূপ (Form) ৰ মাজেদি বাচিক বা লিখিত কলাক চাক্ষুক ৰূপ দিয়ে। পৰিৱেশ্য কলাৰ অন্যতম ভাগ হ'ল লোকগীতসমূহ। লোকগীতসমূহৰ প্ৰসঙ্গত উমেশ চেতিয়াই অসমৰ 'লোক-সংস্কৃতিৰ ৰূপৰেখা' গ্ৰন্থত মন্তব্য কৰিছে যে- অসমীয়া মানুহৰ সমাজখনত যিমানবোৰ লোকগীত আছে ভাৰতৰ অন্যান্য ভাষাত তাতোকৈ বহুত কম লোকগীতহে আছে।

অসমৰ লোকগীতসমূহক (ক) অনুষ্ঠানমূলক লোকগীত (খ) আখ্যানমূলক লোকগীত আৰু (গ) বিবিধ বিষয়ক লোকগীত - এইদৰে ভাগ কৰি দেখুৱাব পাৰি। অনুষ্ঠানমূলক গীতৰ ভিতৰত বিয়ানাম, আইনাম, সুবচনীৰ গীত, অপেচৰী সবাহৰ গীত, লখিমী সবাহৰ গীত আদি উল্লেখযোগ্য। অসমৰ পূব প্ৰান্তৰ তিনিচুকীয়া জিলাৰ এটি মহকুমা শদিয়া। আহোম, সোণোৱাল কছাৰী, দেউৰী, মিচিং, নেপালী, কৈৱৰ্ত আদি বিবিধ লোকৰ বাসস্থান শদিয়াৰ নাৰী সমাজতো অতীজৰে পৰা বিবিধ অনুষ্ঠানমূলক গীত প্ৰচলিত হৈ আহিছে যিবোৰে শদিয়াৰ ঐতিহ্য বহন কৰিছে। আমাৰ পত্ৰত এই অঞ্চলত প্ৰচলিত অনুষ্ঠানমূলক লোকগীতসমূহৰ আলোচনা আগবঢ়োৱা হ'ব। এই অধ্যয়নৰ বাবে সমল ব্যক্তিৰ সহায় লোৱা হ'ব তথা বিশ্লেষণাত্মক পদ্ধতিৰে এই আলোচনা আগবঢ়োৱা হ'ব।●

***সূচক শব্দ*** *ঃ শদিয়াৰ লোকগীত, আইনাম, বিয়ানাম, সুবচনীৰ গীত, অপেচৰী সবাহৰ গীত আৰু লখিমী সবাহৰ গীত*

# লোক পৰিৱেশ্য কলাৰ উত্তৰণ আৰু আধুনিক যুগৰ পৰিৱেশ্য কলা

**জোনমণি দাস,** সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ, ছিপাঝাৰ মহাবিদ্যালয়

উত্তৰ-পূৰ ভাৰতৰ পৰিৱেশ্য কলাৰ পৰম্পৰা অতি প্ৰাচীন। পৰিৱেশ্য কলাক ইংৰাজীত Performing art form বুলি কোৱা হয়। পৰিৱেশ্য কলাক সাধাৰণভাৱে তিনিটা ভাগত ভাগ কৰা হয় - গীত, নৃত্য আৰু নাটক। পৰিৱেশ্য কলাৰ মাধ্যমেৰে গীত-পদ, বচন-প্ৰবচন, লোকোক্তি-প্ৰাতোক্তি, শ্ৰুতি-জনশ্ৰুতি, মালিতা বা কাহিনী গীত, বাচিক লিখিত নাট-নাটক আদিয়ে নৃত্য-গীত, বাদ্য-বাজনা, অভিনয় আদিৰ মাজেৰে দৃশ্য-শ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে। সময় পৰিৱৰ্তনশীল। সময়ৰ পৰিৱৰ্তনকামী গতিত ভাষা, সাহিত্য, সংস্কৃতি সকলো দিশতে পৰিৱৰ্তনৰ ছবি মনকৰিবলগীয়া। অতি সাম্প্ৰতিক কালত সমাজৰ প্ৰয়োজন সাপেক্ষেও কৃষ্টি আৰু সংস্কৃতিৰ পৰিৱৰ্তন হৈছে। সংস্কৃতিৰ অংগ হিচাপে পৰিৱেশ্য কলাৰ ক্ষেত্ৰতো এক নৱজাগৰণৰ সূত্ৰপাত হৈছিল। অসম তথা উত্তৰ-পূৰ্বাঞ্চল বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনৰথলী। উত্তৰ-পূৰ ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত বিভিন্ন নৃত্য-নাচ আদি বিশেষ বিশেষ নৃ-গোষ্ঠীৰ মাজত প্ৰচলিত। বিভিন্ন নৃ-গোষ্ঠীৰ সমন্বয় আৰু সমাহাৰে জাতিটোক নান্দনিক দৃষ্টিভংগী অতুলনীয় কৰি তুলিছে। এনে কাৰণতে হয়তো ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ পৰিৱেশ্য কলাৰ বিস্তৃতি অত্যন্ত বিশাল।

প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ পৰিণতিত সমাজ জীৱনৰ পৰিৱৰ্তন হোৱা স্বাভাৱিক আৰু তাৰ প্ৰভাৱত পৰম্পৰা আশ্ৰয়ী সমাজ জীৱনৰ বিভিন্ন দিশত পৰিৱৰ্তনে দেখা দিয়ে। এনে পৰিৱৰ্তনৰ ফলস্বৰূপে পৰিৱেশ্য কলাৰ বিভিন্ন উপ শ্ৰেণীয়ে পৰম্পৰাৰ পৰা আঁতৰি আহি আৰ্ট-কৰ্ম ৰূপত অৰ্থাৎ কলা ৰূপত জীয়াই থাকিবলৈ বাধ্য হয়। বৰ্তমান সময়ত নটুৱা নাচ, পালা-গান, কবি-গান, বাউল-গান, মাগুন নাচ, ঝুলন যাত্ৰা, পুতলা নাচ, যাত্ৰা নাট, যাত্ৰা গান, বাৰে চহৰীয়া ভাওনা, বহুৱা অনুষ্ঠান. ফাগী আদি অনুষ্ঠানসমূহে আধুনিকতাৰ পৰশত কিছু উত্তৰণৰ বাটত আগুৱাই গৈছে আৰু কিছু নিৰ্দিষ্ট পৰম্পৰাগত লোক পৰিৱেশ্য কলা ৰূপান্তৰিত হৈ দ্বিতীয় অস্তিত্বত জীয়াই থাকিবলৈ বাধ্য হৈছে। গতিকে আমাৰ আলোচনা পত্ৰখনৰ মাধ্যমেৰে লোক পৰিৱেশ্য কলাৰ উত্তৰণৰ কাৰক আৰু আধুনিক যুগত পৰিৱেশ্য কলাৰ স্থিতি আৰু বিস্তৃতি সম্পৰ্কে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মক পদ্ধতিৰ প্ৰয়োগ কৰি মূল বিষয়টি নিভাঁজ ৰূপত উপস্থাপনৰ যত্ন কৰা হ'ব। বিষয়বস্তু উপস্থাপনৰ ক্ষেত্ৰত বিভিন্ন পুথি পাঁজিৰ লগতে, অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ কিছু ক্ষেত্ৰ নিৰ্দিষ্ট কৰি লোৱা হ'ব আৰু পৰম্পৰা, পৰিৱৰ্তন, উত্তৰণৰ মাজেৰে লোক পৰিৱেশ্য কলা কিদৰে সদায় স্বকীয় হৈ জনপ্ৰিয় হৈ থাকিব পাৰে তাৰ বিচাৰ কৰা হ'ব।●

***বীজ শব্দ ঃ** লোক পৰিৱেশ্য কলা, আধুনিক যুগ, পৰম্পৰা, উত্তৰণ, অস্তিত্ব*

---

# পুতলা নাচ ঃ শিক্ষাৰ এটি বুনিয়াদী খুটি

**কুকুমণি শৰ্মা,** সহকাৰী অধ্যাপক,
অসমীয়া বিভাগ, নৰ্থ কামৰূপ কলেজ, বাঘমাৰা
ভ্ৰামভাষ ঃ ৭০০২৪০৯৫৬৩
ইমেইল ঃ sarmakukumani@gmail.com

সংস্কৃতি আৰু শিক্ষাৰ মাজৰ সম্পৰ্ক ওতপ্ৰোত। সংস্কৃতি আৰু শিক্ষাৰ মাজত থকা সম্পৰ্কৰ ভেটিত শিক্ষণ প্ৰক্ৰিয়াৰ লগত লোক-পৰিৱেশ্য কলাক জড়িত কৰিব পাৰি। শিক্ষাৰ ক্ষেত্ৰখনত লোক-পৰিৱেশ্য কলাই অনানুষ্ঠানিক শিক্ষানুষ্ঠান আৰু আলোচনা সত্ৰৰূপে কাৰ্য্য সাধন কৰি আহিছে। লোক পৰিৱেশ্য কলা সমূহৰ ভিতৰত পুতলা নাচে শিক্ষাখণ্ডত নতুন দিগন্তৰ সূচনা কৰাৰ অৱকাশ আছে। 'পুতলা'ৰ লগত এটি শিশুৰ শৈশৱতে পৰিচয় ঘটে। পুতলাৰ সৈতে উমলি-জামলিয়েই এটি শিশুৱে শিক্ষাৰ জগতখনত প্ৰৱেশ কৰে। বৰ্তমান সময়ত দূৰদৰ্শনত প্ৰচাৰিত পুতলাৰ অনুষ্ঠানৰ প্ৰতি শিশুসকল সহজেই আকৰ্ষিত হোৱা দেখা যায়। গতিকে, পুতলা নাচৰ সাংস্কৃতিক আৰু সামাজিক প্ৰকাৰ্য্যক প্ৰাথমিক শিক্ষাৰ শিক্ষণ প্ৰক্ৰিয়াত অন্তৰ্ভুক্ত কৰিব পাৰিলে শিক্ষাৰ ভেটিটো অধিক দৃঢ় হ'ব। তদুপৰি পুতলা নাচৰ দৰে লুপ্তপ্ৰায় লোক-পৰিৱেশ্য কলা এটি নতুন প্ৰজন্মৰ মাজত পুনৰোজ্জীৱিত হ'ব। তাৰোপৰি বিভিন্ন সামাজিক ব্যাধিৰ পৰা নৱ প্ৰজন্মক আঁতৰাই ৰাখিব পৰা হ'ব। 'পুতলা'ৰ লগত শৈশৱতে গঢ়ি উঠা আত্মিক সম্পৰ্কই শিশুক প্ৰকৃত মানুহ ৰূপে গঢ়ি তুলিব। 'পুতলা নাচ'ৰ এই আধুনিকীকৰণ অতীত আৰু বৰ্তমান উভয়ৰ বাবেই লাভদায়ক হ'ব।

***বীজ শব্দ ঃ** পুতলা নাচ, শিক্ষা, শিক্ষণ*

# নেপালী সম্প্ৰদায়ৰ তিহাৰ উৎসৱৰ লগত জড়িত সংগীতিক দিশ ঃ পৰম্পৰা আৰু পৰিৱৰ্তন

**ড° হিমাক্ষী বৰদলৈ**
সহকাৰী অধ্যাপক, ছিপাঝাৰ মহাবিদ্যালয়

বৃহত্তৰ অসমত বসবাস কৰা বিভিন্ন জাতি-জনগোষ্ঠীৰ অন্তৰ্গত নেপালী সম্প্ৰদায়ৰ লোকসকল অন্যতম। নেপালী সম্প্ৰদায়ৰ মাজত প্ৰচলিত অন্যতম উৎসৱ, অনুষ্ঠানসমূহৰ অন্তৰ্গত জাতীয় উৎসৱ হৈছে তিহাৰ। নেপালী সম্প্ৰদায়ৰ পূজা, উৎসৱ-পাৰ্বণ, ব্ৰত আদিৰ ভিতৰত দুৰ্গা পূজাৰ প্ৰায় যোল্ল দিনৰ পিছত পালন কৰা হয় তিহাৰ উৎসৱ। তিহাৰ উৎসৱ একেৰাহে পাঁচদিন উদ্‌যাপন কৰা হয়। শৰতৰ উৎসৱ তিহাৰৰ প্ৰথম দিন দুটিত গীত-নৃত্যৰ আনুষ্ঠানিকতাৰ প্ৰচলন দেখা নাযায় যদিও গাই তিহাৰৰ দিনা ভৈলী গোৱা হয় আৰু লগতে নৃত্যয়ো কৰা হয়।

ভৈলী গীত হৈছে নেপালী সম্প্ৰদায়ৰ পৰম্পৰাগত এটি নৃত্য-গীতৰ অনুষ্ঠান। ভৈলী আৰু দেউসী তিহাৰৰ অনুসংগিত উপাদান 'ভৈলী' নাৰীসকলে আৰু 'দেউসী' পুৰুষসকলে পৰিৱেশন কৰা গীত। নেপালী সম্প্ৰদায়ৰ মাজত প্ৰচলিত উৎসৱ অনুষ্ঠানৰ লগত জড়িত ভৈলী আৰু দেউসী বৰ্তমান আধুনিকতাই গা-কৰি উঠাৰ ফলত কিছু বিকৃত হোৱা দেখা যায়। তিহাৰ উৎসৱৰ লগত সংগতি ৰাখি পূজা, আৰাধনা কৰি, গৃহস্থৰ ঘৰে ঘৰে গৈ আনন্দ-উল্লাসেৰে তিহাৰৰ দিন কেইটাত পালন কৰা নৃত্য-গীত বৰ্তমান মঞ্চত প্ৰতিযোগিতাৰ বিষয় হৈ পৰিছে। সময়ে কৰা পৰিৱৰ্তন স্বীকাৰ কৰি নেপালী সমাজত প্ৰচলিত তিহাৰ উৎসৱৰ মাধুৰ্য অক্ষুন্ন ৰখাটোৱেই আমাৰ কৰ্তব্য।

এই উদ্দেশ্য আগত ৰাখিয়েই গৱেষণা পত্ৰখনি প্ৰস্তুত কৰিবলৈ আগবাঢ়িছো। উক্ত গৱেষণা পত্ৰখনি বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰি প্ৰস্তুত কৰা হ'ব।●

***বীজ শব্দ ঃ** নেপালী সংস্কৃতি, ভৈলী, দেউসী, তিহাৰ*



# ড° ভূপেন হাজৰিকাৰ গীতত লোকগীতৰ সন্ধান ঃ এক অধ্যয়ন

**ড° বিজয়া বড়া,** সহকাৰী অধ্যাপিকা,
অসমীয়া বিভাগ, ললিত চন্দ্ৰ ভৰালী মহাবিদ্যালয়

গীতেৰে জগত জিনা বিশ্ববন্দিত শিল্পীজনাই হ'ল ড° ভূপেন হাজৰিকা। বৰ্ণিল বিষয়বস্তুৰে তেওঁৰ গীত সমৃদ্ধ। একান্ত নিজস্ব শৈলীৰে তেওঁ গীত ৰচনা কৰি গৈছে। ভূপেন হাজৰিকাৰ গীতৰ বিষয়বস্তু যিমান গুৰুত্বপূৰ্ণ সিমানেই গুৰুত্বপূৰ্ণ তেওঁৰ গীতৰ সুৰ আৰু প্ৰকাশভংগী। অতীত মূৰ্ত্ত হোৱা গীত, বিদ্ৰোহৰ গীত, সামাজিক বিষয়ৰ গীত, মানৱপ্ৰেমৰ গীত, প্ৰেমৰ গীত, জাতীয় প্ৰেমৰ গীত, সাময়িক প্ৰসঙ্গৰ গীত, সমাজৰ অৱহেলিত জনৰ হৃদয়ৰ গীত, শিশুৰ মনৰ গীত, চাহ বাগিছাৰ গীত, জনজীৱনৰ গীত, শ্ৰমিকৰ গীত আদি বিভিন্ন বিষয়ৰ গীত তেওঁ ৰচনা কৰি আৰু গাই গৈছে।

অতীজৰে পৰা আইনাম, বিয়ানাম, বিহু গীত, টোকাৰী গীত, জিকিৰ-জাৰী, আই সবাহৰ গীত, গৰখীয়া গীত আদি অনেক নাম আৰু বিবিধ সুৰেৰে অসমৰ গীতৰ নৈখনি বৈ আছে। সময়ৰ সোঁতত বৈ যোৱা এই লোকগীতবোৰে আধুনিক গীতত স্থিতি লাভ কৰে। জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা, পাৰ্বতি প্ৰসাদ বৰুৱা আদিয়ে অসমীয়া লোকগীতৰ সুৰবোৰক আধুনিক গীতত সন্নিৱেশ কৰি এক নতুন তথা অনন্য মাত্ৰা প্ৰদান কৰে। এই ক্ষেত্ৰত ভূপেন হাজৰিকাৰ গীতিৰাজিও ব্যতিক্ৰম নহয়।

ড° ভূপেন হাজৰিকাৰ গীতত বিহুনাম, বিয়ানাম, নিচুকনি গীত, ঝুমুৰ, জিকিৰ, ঐনিতম, দেহবিচাৰ গীত আদিৰ সুৰ আৰু বিষয়বস্তুৰ অপূৰ্ব সমন্বয় আৰু সমাহাৰ ঘটিছে। তেওঁৰ গীতৰ মাজে মাজে বিহুগীতৰ সুৰেই নহয়, বিহুগীত, বনঘোষা আদিৰ কথাও সোমাই পৰিছে। উদাহৰণস্বৰূপে -

"অ' বান্ধৈ তাঁতৰ শালৰ শিপিনী
অ' বান্ধৈ ৰাধা নে অ' ৰুক্মিনী
অ' বান্ধৈ বিজুলীৰে চাৱনি
দেখি মন ৰাই জাই কৰে।"

এনেবোৰ গীতৰ কথা আৰু সুৰে তেওঁৰ সংস্কৃতিৰ ঘাই শিপাডালৰ

লগত থকা নিবিড় পৰিচয় দাঙি ধৰে। প্ৰস্তাৱিত অধ্যয়ন পত্ৰত ড° ভূপেন হাজৰিকাৰ গীতত সুৰ আৰু কথা তথা বিষয়বস্তুৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব। এই অধ্যয়নত প্ৰধানকৈ বিশ্লেষণাত্মক পদ্ধতি গ্ৰহণ কৰা হ'ব আৰু বিষয় সাপেক্ষ গ্ৰন্থাদিৰ সহায় লোৱা হ'ব।●

***বীজ শব্দ ঃ** ভূপেন হাজৰিকা, লোকগীত, কথা, সুৰ*

# ৰামদিয়া অঞ্চলৰ অন্যতম পৰিৰেশ্য কলা ঃ দধিমথন ভাওনা

**ড° ৰঞ্জু ঠাকুৰীয়া**
সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ
সুৰেণ দাস কলেজ, হাজো

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু তেৰাৰ প্ৰিয়তম শিষ্য মহাপুৰুষ মাধৱদেৱৰ অসমবাসীলৈ এক অনুপম অৱদান হ'ল পৰিৰেশ্য কলাৰূপে ভাওনাৰ সৃষ্টি। কৃষ্ণৰ একক মহিমা ঘোষণাৰ এটা অন্যতম মাধ্যম হিচাপে গুৰু শংকৰদেৱে পোনতে অংকীয়া ভাওনা সৃষ্টি কৰি সমসাময়িক সমাজখনক ভগবদ মুখী কৰি তুলিবলৈ চেষ্টা কৰিছিল। কেৱল শ্ৰৱণৰ জৰিয়তে যে লোক সাধাৰণৰ মন একান্তভাৱে কৃষ্ণ ভাৱনালৈ ঢাল খুৱাব নোৱাৰি সেইটো চিন্তা কৰিয়েই তেৰাই অংকীয়া ভাওনাৰ সৃষ্টিৰ যথাৰ্থ পৰিকল্পনা কৰিছিল আৰু গুৰুৰ অনুকৰণতে লগতে নিজস্ব মৌলিক প্ৰতিভাৰ সংযোগত মহাপুৰুষ মাধৱদেৱে সৃষ্টি কৰিলে 'ঝুমুৰা' কেইখন। গুৰুজনাৰ প্ৰণীত অংকীয়া ভাওনাৰ অনুকৰণত পৰৱৰ্তী সময়ত অসমৰ সত্ৰ, নামঘৰক কেন্দ্ৰ কৰি ভাওনা ৰচনাৰ, অভিনয়ৰ যেন জোৱাৰ উঠিছিল। যিকোনো বস্তুৱে প্ৰসাৰতা লাভ কৰিলে ইয়াৰ গভীৰতা স্বাভাৱিকতে কমি যায়। গুৰু দুজনাৰ অমৰ সৃষ্টি অংকীয়া নাট আৰু ঝুমুৰাসমূহৰ বেলিকাও এইটোৱেই ঘটিছিল। তথাপি এইটো ক'বই লাগিব যে নৱবৈষ্ণৱ ধৰ্মৰ জৰিয়তে সমগ্ৰ অসমীয়া লোকক কৃষ্ণ ভাৱনাত আত্মনিয়োগ কৰাত ভাওনাসমূহৰ অৱদান অপৰিসীম।

বৃহত্তৰ ৰামদিয়া অঞ্চলো নৱবৈষ্ণৱ ঢৌৰে বিঢৌত হৈছিল, মহাপুৰুষ মাধৱদেৱৰ ৰামদিয়ালৈ আগমনৰ ফলস্বৰূপে। গুৰুজনাই সমগ্ৰ অসম নহয় বিশ্বতে পূণ্যভূমি হিচাপে খ্যাত হাজোলৈ দুবাৰকৈ আহিছিল আৰু দুয়োবাৰতে তেৰাই ব্ৰহ্মপুত্ৰৰে উজাই আহি ৰামদিয়াত পদাৰ্পণ কৰিছিল আৰু এই সমগ্ৰ অঞ্চল নৱবৈষ্ণৱ ধৰ্মৰ আলোকেৰে আলোকিত কৰিছিল। তাৰেই ফলশ্ৰুতিত গুৰুজনাৰ নিৰ্দেশত হাজোৰ ধোপগুৰি সত্ৰৰ লগতে ৰামদিয়া অঞ্চলতো একাধিক সত্ৰ স্থাপন হৈছিল। দ্বিতীয়বাৰ ৰামদিয়াত গুৰুজনাই পদাৰ্পণ কৰিছিল ৰাজৰোষত পৰি প্ৰায় ছয় মাহ নিৰ্বাসন লোৱাৰ সময়ছোৱাত। পুণ্যভূমি হাজোতে গুৰুজনাই ৰাজ আদেশত থাকিবলৈ বুলি আহি হাজো নৌপাওতেই দক্ষিণ-পশ্চিমফালে অৱস্থিত লৌহিত্যৰ বালি এখনিত মহাপুৰুষজনাই নাও বান্ধিছিল।

"তেহে হাজোৰ নামে ৰামদিয়া
বালাত চৈ-গৃহকৈ ৰৈছে।"

গুৰুজনাৰ পদৰেণুৰে ৰঞ্জিত ৰামদিয়াত পৰৱৰ্তী সময়ত অনেক সত্ৰ স্থাপন হৈছিল আৰু বৈষ্ণৱ ধৰ্মৰ লগতে বৈষ্ণৱ সংস্কৃতিৰ চৰ্চাত এক মধুময় পৰিৰেশ সৃষ্টি হৈছিল। তাৰ ক্ষীণমান প্ৰভাই আজিও ৰামদিয়াক ক্ষণিক সময়ৰ বাবে হ'লেও উজলাই তোলে। ৰামদিয়াত অধুনা প্ৰচলিত 'দধিমথন ভাওনা' তাৰেই উৎকৃষ্ট নিদৰ্শন। আমাৰ আলোচনাত ৰামদিয়াত আজিও প্ৰবাহমান হৈ থকা ভাওনা সংস্কৃতিৰ এই ধাৰাটোৰ ওপৰত যৎকিঞ্চিত পোহৰ পেলোৱা হ'ব। লগতে ভাওনাখনলৈ অহা পৰিৱৰ্তনৰ দিশটো চোৱা হ'ব।●

***বীজ শব্দ ঃ** অংকীয়া ভাওনা, ৰামদিয়া, মাধৱদেৱ, দধিমথন ভাওনা*

# উত্তৰ পূব ভাৰতৰ লোক পৰিৱেশ্য কলাৰ অন্তৰ্গত শৰণীয়া কছাৰীসকলৰ 'মাছমৰীয়া নৃত্য' ঃ এক চমু বিশ্লেষণ

**জেনিফা পাৰবিন**, ছাত্ৰী
কটন বিশ্ববিদ্যালয়

অসমৰ প্ৰধান জনজাতিসমূহৰ মাজত শৰণীয়া কছাৰীসকল অন্যতম। মংগোলীয় ফৈদৰ শৰণীয়া কছাৰীসকল মূলত ঃ কছাৰী মূলৰ। কছাৰী জাতিৰ বিভিন্ন ফৈদ যেনে বড়ো কছাৰী, ৰাভা কছাৰী, ঠেঙাল কছাৰী, ডিমাচা কছাৰী, বৰ্মন কছাৰী আদিৰ দৰে শৰণীয়া কছাৰী এটা অন্যতম ফৈদ। কছাৰী জাতিৰ অন্যান্য ফৈদবোৰৰ দৰে শৰণীয়া কছাৰীসকলৰো নিৰ্দিষ্ট উৎসৱ-অনুষ্ঠান, নৃত্য-গীত, উপাস্য দেৱ-দেৱী, খাদ্যাভাস, বিবাহ-পদ্ধতি লোকবিশ্বাস আদি জড়িত হৈ আছে।

শৰণীয়া কছাৰীসকলৰ আকৰ্ষণীয় নৃত্য হ'ল 'মাছমৰীয়া নৃত্য'। সাধাৰণতে আমতিৰ চুৱা যোৱাৰ পাছত শৰণীয়া কছাৰীসকলে জাকপাতি মাছ ধৰে। সমূহীয়াভাৱে জাকপাতি মাছ মাৰিব যাওঁতে আৰু মাছ মাৰি থকা অৱস্থাত এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। এনে উৎসৱমুখৰ পৰিস্থিতিত স্বতঃস্ফূৰ্তভাৱে নাচ-গানৰ সৃষ্টি হয়। এই নাচ-গানৰ আধাৰত যি ধৰণৰ নৃত্য পৰিৱেশ্য কলা হিচাপে প্ৰদৰ্শন কৰা হয়, তাকে মাছমৰীয়া নৃত্য বোলে। জাকৈ নৃত্য, পল নৃত্য, জাকৈ-পল নৃত্য এই তিনিধৰণে মাছমৰীয়া নৃত্যক ভাগ কৰিব পাৰি। মাছমৰীয়া নৃত্যৰ বিচাৰ কৰিবৰ ঠল থকা নিৰ্দিষ্ট বিষয়বোৰ হ'ল-- ১। মাছমৰীয়া নৃত্যত ব্যৱহৃত গীতসমূহৰ নিৰ্দিষ্ট ছন্দ আছে ২। গীতৰ ভাষা অসমীয়া ভাষাৰ এক নিৰ্দিষ্ট উপভাষাৰ অন্তৰ্গত ৩। নিৰ্দিষ্ট সাজ-পাৰ আৰু আ-অলংকাৰ ৪। মাছমৰীয়া নৃত্যত ব্যৱহৃত বাদ্যযন্ত্ৰ ৫। নৃত্যৰ অংগী-ভংগী (হাত আৰু ভৰিৰ মুদ্ৰা) ৬। নৃত্যত ব্যৱহৃত অন্যান্য সামগ্ৰীসমূহ ।

গতিকে, গৱেষণা পত্ৰিকাখনিত শৰণীয়া কছাৰীসকলৰ মাছমৰীয়া নৃত্যৰ উল্লেখিত বিষয়সমূহ সম্পৰ্কে অধ্যয়ন আগবঢ়োৱা হৈছে।●

***বীজ শব্দ ঃ** লোক নৃত্য, শৰণীয়া কছাৰী, মাছমৰীয়া নৃত্য*



# লোক পৰিৱেশ্য কলা সংৰক্ষণ আৰু সংবৰ্দ্ধন

**অবিনাশ বড়া**, স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক,
অসমীয়া বিভাগ, নাজিৰা মহাবিদ্যালয়

সহজ অৰ্থত ক'বলৈ হ'লে পৰিৱেশ্য মানে পৰিৱেশন কৰা। লোক পৰিৱেশ্য কলাৰ মাধ্যমেৰে গীত-পদ, নৃত্য, নাটক, অভিনয়, বাদ্য-বাজনা আদিয়ে দৃশ্যশ্ৰব্য ৰূপ পৰিগ্ৰহ কৰে। পৰিৱেশ্য কলাই নিৰ্দিষ্ট ৰূপৰ মাজেদি স্বৰূপাৰ্থত বাচিক বা লিখিত কলাক চাক্ষুক ৰূপ প্ৰদান কৰে।

উক্ত আলোচনা পত্ৰখনিৰ জৰিয়তে অসমৰ প্ৰেক্ষাপটত বিহংগম দৃষ্টিৰে পৰ্যবেক্ষণ কৰি লোকশিল্প, লোকনাট্য, লোকগীত, লোকনৃত্য, ওজাপালি, পুতলা নাচ আদিৰ সম্পৰ্কে বিস্তৃত আলোচনাৰে এই সমূহ বৰ্তমান প্ৰেক্ষাপটত কিমান সংৰক্ষিত আৰু এই সমূহৰ সংবৰ্দ্ধনৰ উপায় সন্দৰ্ভত আলোচনা আগবঢ়োৱা হৈছে। এই আলোচনাৰ পৰা দেখা যায় যে অসমৰ লোক পৰিৱেশ্য কলাৰ পৰিসৰ আৰু বিস্তৃতি অত্যন্ত বিশাল। পৰিৱেশ্য কলাই জাতি এটাৰ মানসিক অৱয়বৰ সন্ধান দিয়াৰ লগতে সেই জাতিটোৰ নান্দনিক দৃষ্টিভংগীৰ পৰিচয় বহন কৰে। জীৱন আৰু সমাজৰ সৈতে পৰিৱেশ্য কলাৰ সম্পৰ্ক নিবিড়। অতীজৰে পৰা পৰম্পৰাগতভাৱে এই পৰিৱেশ্য কলাসমূহ প্ৰদৰ্শিত হৈ আহিছে। প্ৰযুক্তিবিদ্যাৰ দ্ৰুত উন্নতিৰ পৰিণতিত সমাজ জীৱনৰ পৰিৱৰ্তন সংঘটিত হোৱাটো স্বাভাৱিক আৰু তাৰ প্ৰভাৱত পৰম্পৰা আশ্ৰয়ী সমাজ জীৱনত বিভিন্ন দিশত পৰিৱৰ্তনে দেখা দিয়ে। কিন্তু অত্যাধুনিকতাৰ প্ৰভাৱে পৰিৱেশ্য কলাক স্পৰ্শ কৰাতো অসমীয়া সমাজ জীৱনৰ বাবে কিমান ক্ষতিকাৰক সেয়া সহজেই অনুমেয়। এনে পৰিৱৰ্তনৰ বাবেই লোক পৰিৱেশ্য কলাৰ বিভিন্ন উপশ্ৰেণীয়ে পৰম্পৰা আৰু প্ৰকৃত কলাৰ পৰা ফালৰি কাটি আহি স্বতন্ত্ৰভাৱে জীয়াই থাকিবলৈ বাধ্য হয়। এনে বিশ্বায়নৰ প্ৰভাৱত বহুতো পৰিৱেশ্য কলা বিলুপ্তিৰ দিশেও আগবাঢ়িছে।

অসমত প্ৰচলিত বিভিন্ন লোক পৰিৱেশ্য কলাসমূহৰ সম্পৰ্কে যুক্তিনিষ্ঠ আলোচনা আগবঢ়োৱা হৈছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অপূৰ্ব সৃষ্টি অংকীয়া নাটৰ আজি বিকলাংগ অৱস্থা। ওজাপালিৰ প্ৰচলনো কমি আহিব ধৰিছে। ওজাপালিৰ অতীজৰ ঐতিহ্য আৰু গাম্ভীৰ্যই নৱপ্ৰজন্মৰ মাজত ঠাই নাপায়। পুতলা নাচৰ স্থান ভ্ৰাম্যমানে কাঢ়ি লৈছে। আকৌ ভ্ৰাম্যমানৰ মঞ্চত পৰিৱেশিত সকলোবোৰ নাটকৰ উপস্থাপন আৰু অভিনয় সম্পূৰ্ণৰূপে শুদ্ধ বুলি ক'ব নোৱাৰি।

কিছুমান পৰিৱেশ্য কলা আছে, যিসমূহ কোনো এক নিৰ্দিষ্ট অঞ্চলতে সীমাবদ্ধ হৈ ৰৈ গৈছে। উদাহৰণস্বৰূপে মুখাশিল্পৰ বিশ্লেষণ দাঙি ধৰা হৈছে। তদুপৰি দেওধনী নৃত্যৰ প্ৰচলন সাম্প্ৰতিক সময়ত দেখা পোৱা নাযায়। এইসমূহ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে যথোপযুক্ত কৰ্মশালা, ঠায়ে ঠায়ে প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিব লাগে। আধুনিক গায়কৰ মুখত পৰি বিহুনামৰ প্ৰকৃত মাদকতা হেৰাই গৈছে। বিহুনামৰ ঠাইত বিহুগীতৰ প্ৰচলন অত্যাধিক হ'ব ধৰিছে। মুঠৰ ওপৰত নতুন প্ৰজন্মৰ মাজত অতীজৰ সমাজত প্ৰচলিত পৰম্পৰাগত পৰিৱেশ্য কলাৰ প্ৰতি অনীহাৰ ভাৱ প্ৰকাশ পাইছে।

আলোচনাৰ আঁত ধৰি সদৌ শেষত ক'ব পৰা যায় যে তাহানিৰ শিল্পী-নিৰ্বাহিকাসকলে যিদৰে ৰাজকীয় আৰু সামাজিক পৃষ্ঠপোষকতা লাভ কৰিবলৈ সক্ষম হৈছিল বৰ্তমান তেনেদৰে পৃষ্ঠপোষকতা লাভ কৰিব পৰা নাই চৰকাৰ আৰু সমাজৰ উদাহীনতাৰ বাবে। এই পৰিৱেশ্য কলাসমূহ জীয়াই ৰাখিব নোৱাৰিলে আমাৰ পৰম্পৰাৰ এটি দিশ হেৰাই যাব।●



# পৰিৱেশ্য কলা হিচাপে বৰপেটা অঞ্চলৰ হোলীগীত (এক চমু অৱলোকন)

**পপী ভূঞা**, গৱেষক ছাত্ৰী
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও
ইমেইল ঃ rishakashyap92 @ gmail.com
মোবাইল ঃ ৯৬৭৮৭৭৫১৬৪

সমাজ আৰু সমাজৰ সাংস্কৃতিক চেতনাক আশ্ৰয় কৰি সৃষ্টি হৈছে লোকসংস্কৃতিৰ ৪ৰ্থ বিধ অধ্যয়ন ক্ষেত্ৰ পৰিৱেশ্য কলা। অৰ্থাৎ বিশেষ বিশেষ ৰূপৰ জৰিয়তে নিৰ্দ্দিষ্ট চাক্ষুস ৰূপ দিয়াই হ'ল পৰিৱেশ্য কলা। পৰিৱেশ্য কলা এক সামাজিক ব্যাপাৰ। নিৰ্বাহিকা সকলে বিশেষ নিয়ম- কানুন মানি অৰ্থাৎ পৰম্পৰাগত সাংগীতিক বৈশিষ্ট্য অব্যাহত ৰাখি সামাজিকৰ আগত পৰিৱেশন বা প্ৰদৰ্শিত গীত, নৃত্য, কাহিনী আদিয়েই পৰিৱেশ্য কলা অৰ্থাৎ নিৰ্বাহিকা সকলে বিশেষ বিশেষ অনুষংগত অনুষ্ঠিত, গীত, পদ, কথা-কাহিনীৰ অভিনায়িকা ৰূপ প্ৰদানেই পৰিৱেশ্য কলা। পৰিৱেশ্য কলাসমূহ সহজাত মানুহৰ হৃদয়ৰ নিভৃত কোণত প্ৰৱেশ কৰে। এই কলাসমূহ দৰ্শকৰ আগত জীৱন্ত ভাৱে সুদক্ষ শিল্পীয়ে পৰিৱেশন কৰাৰ বাবে সাধাৰণ দৰ্শকক সহজতে আহ্লাদিত কৰে।

সৰ্বভাৰতীয় উৎসৱবোৰৰ ভিতৰত বৰপেটাৰ দৌল মহোৎসৱৰ এক সাৰ্বজনীন বিশেষত্ব আছে। বৰপেটাৰ দৌল উৎসৱৰ এক অতি আকৰ্ষণীয় দিশ হৈছে ইয়াৰ স্ববৈশিষ্ট্যমান হোলীগীতসমূহ। হোলীগীত দৌল উৎসৱৰ গীত। ফাগুন-চ'তত দৌল উৎসৱ অহাৰ বাতৰি দিয়ে এই হোলীগীত সমূহেই। আকৌ অসমৰ অন্য ঠাইলৈ বৰপেটাৰ দৌলৰ গৰিমাৰো সুবাস লৈ যায় এই হোলীগীত সমূহে। মূলত ঃ কৃষ্ণ, প্ৰকৃতি আৰু বসন্তৰ বৰ্ণনাৰে বিশেষ সুৰ, তাল আৰু লয় প্ৰয়োগ কৰি গোৱা এই গীত দৌল উৎসৱত সোণত যেন সুৰগাহে চৰায়। ফাগুনে বসন্তৰ বতৰা অনাৰ লগে লগেই বৰপেটাৰ আকাশ-বতাহো হোলী গীতৰ মূৰ্ছনাৰে মুখৰিত হৈ উঠে।●